
# অভিসাৰ

হিমাদ্ৰি দেৱী





অভিসাৰ

(ৰবীন্দ্ৰনাথৰ কাহিনী কাব্যৰ গল্প ৰূপ, উৎস ঃ সঞ্চয়িতা)

# অভিসাৰ

(ৰবীন্দ্ৰনাথৰ কাহিনী কাব্যৰ গল্প ৰূপ, উৎস ঃ সঞ্চয়িতা)

হিমাদ্ৰি দেৱী

ক্ৰান্তিকাল প্ৰকাশন
নগাঁও

**অভিসাৰ**

**হিমাদ্ৰী দেৱী**

প্ৰকাশক ঃ কৈলাস কুমাৰ ৰাজখোৱা,
ক্ৰান্তিকাল প্ৰকাশন, এম.জি. ৰোড, নগাঁও-১
প্ৰথম প্ৰকাশ ঃ জুলাই, ২০১৪
গ্ৰন্থস্বত্ব ঃ লেখিকা
প্ৰচ্ছদ ঃ মনোজ ৰাজকুমাৰ
মূল্য ঃ ৪০.০০ টকা
ছপা ঃ অজন্তা প্ৰেছ, নগাঁও-১

ABHISAR : A collection of short stories from Rabindranath Tagore's poems & published by Kailash Kumar Rajkhowa, Krantikaal Prakashan, Nagaon, Assam.
First editon - July, 2014
Price- Rs. 40.00 only

## উচৰ্গা

ৰবীন্দ্ৰ সাহিত্য ভালপোৱাসকলৰ হাতত.....

—লেখিকা

# লেখিকাৰ মনৰ কথা

তেজপুৰৰ যিটো চুবুৰিত মই ১৯৪০ চনৰ ২৪ আগষ্টত জন্মগ্ৰহণ কৰি শিশুকাল, কিশোৰীকাল আৰু যৌৱনৰ কিছুদিন পাৰ কৰিছিলোঁ, সেইটো চুবুৰিত মই বাংলা সংস্কৃতিৰ পৰিৱেশ এটা পাইছিলোঁ। শেফালী, খুকু মোৰ বান্ধৱী আছিল। সিহঁতৰ লগত বাঙালী পূজাবাৰীত দুৰ্গা পূজাৰ ভোগ খোৱা, বাঙালী ষ্টেজত ফাংচন চোৱা, ৰবীন্দ্ৰ সংগীতৰ অনুষ্ঠান উপভোগ কৰা এতিয়াও মনত আছে। কাৰণ সেই সময়ত অৰ্থাৎ চল্লিশৰ দশকত বাংলা সাংস্কৃতিক অনুষ্ঠান মানেই ৰবীন্দ্ৰ সংগীত, ৰবীন্দ্ৰনাথৰ কাব্যৰ আবৃত্তি বা ৰবীন্দ্ৰ নৃত্য-নাটিকা আদিৰ অনুষ্ঠানৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হৈছিল। যদিও মই কিশোৰী অৱস্থাত বিশেষভাৱে ৰবীন্দ্ৰ সাহিত্য পঢ়া নাছিলোঁ, তথাপিও এইবোৰে মোৰ কিশোৰী মনটোৰ ওপৰত ৰবীন্দ্ৰ অনুৰাগৰ বীজ সিঁচিছিল।

১৯৬৫ চনৰ ফেব্ৰুৱাৰী মাহত মোৰ ধুবুৰীৰ জ্যোতিনাথ চক্ৰৱৰ্তীৰ লগত বিবাহ সম্পন্ন হৈছিল। আমাৰ পৰম্পৰা হিচাপে দৰাই নিয়ম কৰি ছোৱালী চাবলৈ আহোঁতে কিবা এপদ পাটৰ কাপোৰ বা সোণৰ অলংকাৰ কইনাক দিব লাগে। মোক স্বামীয়ে দিছিল 'সঞ্চয়িতা'। ইতিমধ্যে মোৰ স্বামীৰ মৃত্যু হৈছে। বিয়াৰ দুদিন পিছৰ অভ্যৰ্থনা অনুষ্ঠানত তেখেতৰ গৌৰীপুৰ কলেজৰ ছাত্ৰী এগৰাকীয়ে (কোয়েলী বৰুৱা) দিছিল 'গীত বিতান'। এই দুই গ্ৰন্থই মোৰ ওপৰত যি প্ৰভাৱ বিস্তাৰ কৰিছিল, তাক মই ভাষাৰে বুজাব নোৱাৰোঁ। সংসাৰৰ জ্বালা-যন্ত্ৰণাত মন ব্যাকুল হ'লে মোৰ লগৰীয়া আছিল এই দুখন কিতাপ। ৰবীন্দ্ৰনাথৰ কবিতাৰ দৰ্শনে মোৰ বেজাৰ ভাব নাইকিয়া কৰিছিল।

'এ মোহ কদিন থাকে, এ মায়া মিলায়
কিছুতে পাৰে না আৰ বাঁধিয়া ৰাখিতে
কোমল বাহুৰ ডোৰ ছিন্ন হয়ে যায়।'

— *মোহ*

'হে হংস বলাকা

ঝঞ্চা মদৰসে মত্ত তোমাদেৰ পাখা
ৰাশি ৰাশি আনন্দেৰ অট্টহাসে
বিস্ময়েৰ জাগৰণ তৰংগিয়া চলিল আকাশে'

'মনে হল এ পাখাৰ বাণী
দিল আনি
শুধু পলকেৰতৰে
পুলকিত নিশ্চলেৰ অন্তৰে অন্তৰে
বেগেৰ আবেগ'

'এই বাসা ছাড়া পাখি ধায় আলোঅন্ধকাৰে
কোন পাৰ হতে কোন পাৰে
ধ্বনিয়া উঠিছে শূন্য নিখিলেৰ পাখাৰ এ গানে
হে যা নয় অন্য কোথা, অন্য কোথা অন্য কোন খানে'

— *বলাকা।*

হংস বলাকাৰ কলধ্বনিয়ে গছ-গছনি, গিৰি-পাহাৰত গতিৰ আৱেগ দি কৈ গ'ল— ইয়াত ৰৈ নাথাকিবা, গৈ থাকা, অৰ্থাৎ সৃষ্টিৰ চৰাচৰ সকলোকে বলাকাৰ কলধ্বনিয়ে উপনিষদৰ সেই বাণী 'চৰৈৱেতি চৰৈৱেতি'— গৈ থাকা, গৈ থাকা, ৰৈ নাথাকিবা'— এই বাণী শুনাই থৈ গ'ল।

দুৰ্নীতি, অনীতি, নিষ্ঠুৰতাৰে ভৰা পৃথিৱীত বাৰু মন নাযায়নে ভগৱানক সেই চিৰ শাশ্বত প্ৰশ্নটো কৰিবলৈ?

'যাহাৰা তোমাৰ বিষায়েছে বায়ু, নিভায়েছে তব আলো
তুমি কি তাদেৰ ক্ষমা কৰিয়াছ তুমি কি বেসেছ ভালো?'

— *প্ৰশ্ন*

গীত বিতানৰ গানসমূহে মোৰ মনত যি পুলক জগাই তাক মই ভাষাৰে বৰ্ণনা কৰিব নোৱাৰোঁ। 'পূজা' শীৰ্ষক গানবোৰে মানুহৰ বুকুত 'নিৰ্বাণহীন আলোকদীপ্ত ঈশ্বৰ'ৰ ইচ্ছা পূৰ্ণ কৰে।

'অৰূপ, তোমাৰ বাণী



অংগে আমাৰ, চিত্তে আমাৰ মুক্তি দিক সে আনি
নিত্য কালেৰ উৎসৱ তব বিশ্বেৰ দীপালিকা
আমি শুধু তাৰি মাটিৰ প্ৰদীপ, জ্বালাও তাহাৰ শিখা
নিৰ্বাণহীন আলোদীপ্ত তোমাৰ ইচ্ছাখনি
বিঘ্ন তাহাৰ পুণ্য কৰুক
তব দক্ষিণ পাণি'

* * *

'শুধু তোমাৰ বাণী নয় গো হে বন্ধু, হে প্ৰিয়
মাঝে মাঝে প্ৰাণে তোমাৰ পৰশ খানি দিয়া।'

— প্ৰিয় ভগৱানৰ আশীৰ্বাদ বাণীৰ উপৰি মানুহে প্ৰাণ-মনত ঈশ্বৰৰ পৰশ বিচাৰে।

'তোমাৰ বাঁশি, বাজাও আসি
আমাৰ প্ৰাণেৰ অন্তঃপুৰে।'

জুৰিটিয়ে ছলছল-কলকল কৰি বৈ যোৱাৰ আনন্দত উচ্ছল হৈ থাকে। কিন্তু পাৰৰ চম্পা ফুলৰ গছজোপা অচল, নিজৰ ফুলৰ গোন্ধত বিভোৰ কিন্তু নিজৰ গতি গোপনে ৰাখে। জুৰিটি পথে পথে বৈ গৈ আপোনহাৰা হয়। চম্পা গছজোপাৰ গতি নতুন কুঁহিপাতত, ফুলৰ সৌৰভ বিলোৱাত প্ৰকাশ পায়। দুটা বিপৰীতধৰ্মী সৃষ্টিৰ তুলনাই মানুহৰ প্ৰাণ স্পৰ্শ কৰি যায়।

'আমি সদা অচল থাকি, গভীৰ চলা গোপন ৰাখি
আমাৰ চলা নবীন পাতায়, আমাৰ চলা ফুলেৰ ধাৰায়
ওগো নদী চলাৰ বেগে পাগল পাৰা
পথে পথে বাহিৰ হয়ে আপনহাৰা।'

এইবাৰ চাওক, সৰু এটা কথা— দুজন পুৰণা দিনৰ বন্ধু লগ হ'ল—

'পুৰাণা সেই দিনেৰ কথা ভুলবি কিৰে হায়
ওসেই চোখেৰ দেখা, প্ৰাণেৰ কথা সেকি ভোলা যায়
আয় আৰ একটিবাৰ আয়ৰে সখা প্ৰাণেৰ মাঝে আয়
মোৰা সুখেৰ দুখেৰ কথা কব প্ৰাণ জুড়াবে তায়।

মোৰা ভোৰেৰ বেলা ফুল তুলেছি, দুলেছি দোলায়
বাজিয়ে বাঁশি গান গেয়েছি বকুলেৰ তলায়
মাঝে হল ছাড়াছাড়ি, গেলেম কে কোথায়
আবাৰ দেখা যদি হল, সখা, প্ৰাণেৰ মাঝে আয়''

কিমান সৰু কথা, অথচ কিমান মনোগ্ৰাহী।

ৰবীন্দ্ৰনাথৰ 'শেষেৰ কবিতা' এখন কাব্য উপন্যাস। ডেকা কবি অমিতৰ পুৰণি প্ৰেয়সী কেতকী, তেওঁ নতুনকৈ সুশিক্ষিতা, কবি লাৱণ্যৰ প্ৰেমত পৰিল। শেষত অমিতে উপলব্ধি কৰিলে কেতকীৰ প্ৰেম কলহত ভৰোৱা পানী, তাক নিত্য ব্যৱহাৰ কৰিব পাৰি। কিন্তু লাৱণ্যৰ প্ৰেম পুখুৰী (দীঘি) মনৰ মণিকোঠাত সেই পুখুৰী খান্দি স্বাধীনভাৱে আনন্দত অৱগাহন কৰিব পাৰি। সেয়ে অমিতে কেতকীক বিয়া কৰোৱাৰ সিদ্ধান্ত ল'লে। লাৱণ্যয়ো তেওঁৰ মৃত্যুঞ্জয় প্ৰেম অমিতলৈ আগবঢ়াই অমিতৰ পৰা বিদায় লৈ যিজনে তেওঁৰ বাবে উৎকণ্ঠা লৈ প্ৰতীক্ষা কৰি আছে সেই শোভনলালকেই বিয়া কৰাবলৈ সিদ্ধান্ত ল'লে—

'ওগো তুমি নিৰুপম
হে ঐশ্চৰ্যবান
তোমাৰে যা দিয়েছি, সে তোমাৰি দান।
গ্ৰহণ কৰেছ যত, ঋণী তত কৰেছ আমায়।
হে বন্ধু বিদায়।'

এনে অতীন্দ্ৰিয় প্ৰেম বাস্তৱ জীৱনত বিৰল। সেয়ে ৰবীন্দ্ৰনাথৰ সৃষ্টিয়ে মোৰো অন্তৰত অতীন্দ্ৰিয় অনুভূতিৰ সৃষ্টি কৰে।

কোনো কোনোৱে ক'ব খোজে ৰবীন্দ্ৰ সংগীতৰ সুৰ পেনপেনীয়া। মোক কিন্তু সেই সুৰে বৰ অভিভূত কৰে। কেতিয়াবা ৰেডিঅ' বা দূৰদৰ্শনত ৰবীন্দ্ৰ সংগীতৰ অনুষ্ঠান উপভোগ কৰিলে মই লৰালৰিকৈ 'গীত বিতান'খন উলিয়াই সূচীপত্ৰত গীতটোৰ প্ৰথম শব্দটো চাই গীতটো উলিয়াই লওঁ আৰু প্ৰত্যেক শাৰী চাই যাওঁ। কথাৰ গভীৰতা, শব্দৰ মধুৰতা আৰু সুৰৰ মূৰ্ছনাই মোক এনেদৰে আপ্লুত কৰে যে মই এক অনিৰ্বচনীয় আনন্দত উচ্ছাসিত হৈ পৰোঁ।

ইমানখিনি কথাৰ অৱতাৰণা কৰিলোঁ মই যে ৰবীন্দ্ৰ সাহিত্যৰ এগৰাকী নিঃকিন ভক্ত তাকে বুজাবলৈ। এই ক্ষুদ্ৰ গ্ৰন্থখনত মই ৰবীন্দ্ৰনাথৰ যিকেইটি কাব্যৰ গল্পৰ ৰূপ



দিলোঁ, সেইকেইটি তেনেই চুটি চুটি। কোনোটো গল্পত নায়ক-নায়িকা দুজন মাত্ৰ। কেইটিমান গল্পতহে তিনি-চাৰিজন নায়ক-নায়িকা আছে। গল্পকেইটি কাব্যৰ মাজেৰেও যে কাহিনী প্ৰকাশ কৰিব পাৰি তাৰেই নিদৰ্শন। কেইটিমান গল্পত হাস্যৰসৰ অৱতাৰণা কৰা হৈছে। পাঠক-পাঠিকাই আদৰেৰে গ্ৰহণ কৰিলে মোৰ শ্ৰম সাৰ্থক হ'ব।

ক্ৰান্তিকাল প্ৰকাশনৰ লগত যোগাযোগ কৰি দিয়াৰ বাবে পুত্ৰসম শ্ৰীমান মুকুলপ্ৰসাদ বৰঠাকুৰক আশীৰ্বাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। ক্ৰান্তিকালৰ স্বত্বাধিকাৰী আৰু সমূহ কৰ্মীবৃন্দলৈ থাকিল হিয়াভৰা ধন্যবাদ আৰু কৃতজ্ঞতা।

**হিমাদ্ৰি দেৱী**
১০/১/২০১৪

# সূচী

অভিসাৰ ›› ১৫
পূজাৰিণী ›› ১৭
ব্ৰাহ্মণ ›› ২০
নৰকবাস ›› ২২
কৰ্ণ-কুন্তী সংবাদ ›› ২৫
বিসৰ্জন ›› ২৮
দেৱতাৰ গ্ৰাস ›› ৩০
নিষ্কৃতি ›› ৩৩
ফাঁকি ›› ৩৭
পুৰণা লগুৱা ›› ৪০
দুবিঘা মাটি ›› ৪২
পণ ৰক্ষা ›› ৪৪
হোৰি (হোলি) খেলা ›› ৪৬
পৰিশোধ ›› ৪৮
বিদায় অভিশাপ ›› ৫২
পুৰস্কাৰ ›› ৫৬
যোগিনদা ›› ৬০
ক্যামেলিয়া ›› ৬৩
ৰঘু ডকাইতৰ কাহিনী ›› ৬৬
জোতা আৱিষ্কাৰ ›› ৬৮
বাঁহী ›› ৭০

# অভিসাৰ

## (বোধিসত্বাবদানকল্পলতা জাতকৰ পৰা)

শাওণৰ মেঘাচ্ছন্ন আকাশৰ তলত এদিন ৰাতি মথুৰাপুৰীৰ প্ৰাচীৰৰ কাষত ভিক্ষু (সন্ন্যাসী) উপগুপ্ত গভীৰ নিদ্ৰাত মগ্ন। বতাহত নগৰৰ প্ৰদীপবোৰ নুমাই গৈছে, নগৰীৰ ঘৰবোৰৰ দুৱাৰ বন্ধ, আকাশৰ তৰাবোৰ শাওণৰ মেঘৰ তলত লুকাই পৰিছে। এনেতে হঠাৎ ক'ৰবাৰপৰা ৰুণুজুনু নেপূৰৰ ধ্বনি শুনা গ'ল। সন্ন্যাসী চক্ খাই জাগি উঠিল, তেওঁৰ যেন স্বপ্নৰ আৱেশ ভাগি গ'ল। উজ্জ্বল প্ৰদীপ শিখাই তেওঁৰ ক্ষমা সুন্দৰ চকু আশ্চৰ্যান্বিত কৰি তুলিলে।

আকাশী ৰঙৰ সাজেৰে সজ্জিতা, যৌৱনৰ অহংকাৰেৰে গৰ্বিতা নগৰৰ নৃত্যাংগনা বাসৱাদত্তা ৰুণুজুনুকৈ নৃত্যৰ তালে তালে অভিসাৰ লৈ ওলাইছিল, কিন্তু সন্ন্যাসীৰ গাত চৰণে স্পৰ্শ কৰাত থমকি ৰ'ল। হাতৰ বন্তিগচি তুলি দেখিলে এজন গৌৰকান্তিৰ নবীন যুৱক। তেওঁৰ শান্ত-সৌম্য ৰূপ, স্মিত হাস্যমুখী তৰুণৰ নয়নযুৰি কৰুণাৰে ভৰা; শুভ্ৰ কপালত জোনৰ জোনাকৰ দৰে শান্তি বিৰাজ কৰিছে।

লজ্জাৱনতা নাৰীয়ে সুললিত কণ্ঠে ক'লে— 'হে কুমাৰ, মোক ক্ষমা কৰা, দয়া কৰা যদি মোৰ গৃহলৈ ব'লা। এই কঠিন ধৰণী তোমাৰ শয্যাৰ বাবে উপযুক্ত নহয়।' সন্ন্যাসীয়ে কৰুণাজড়িত কণ্ঠেৰে ক'লে— 'হে লাৱণ্যময়ী, এতিয়াও মোৰ সময় হোৱা নাই। তুমি যি ঠাইলৈ ওলাইছা, তালৈকে যোৱা। সময় যেতিয়া আহিব, তেতিয়া মই নিজেই তোমাৰ ওচৰলৈ যাম।'

শাওণৰ ঘন ঘোৰ বাৰিষাৰ পাছত শেৱালি সুবাস লৈ শৰৎ আহিল, সোণোৱালী শস্যৰে জগত পোহৰাই হেমন্ত; তাৰ পাছত আহিল শৰীৰ নিথৰ কৰা, গছ-লতাক কঙাল কৰা শীত। তাৰপাছত এখুজি-দুখুজি মন্দাক্ৰান্তা পদক্ষেপেৰে বসন্ত আহিব খুজিছে। কিন্তু হঠাৎ তড়িৎ শিখাই আকাশ ছানি ধৰি, আকাশত বজ্ৰ নিনাদিত হৈ বতাহত প্ৰলয়

শংখ বাজি ধুমুহা আহিল। ৰমণী ভয়ত কঁপি উঠিল।

বছৰে তেতিয়াও বাগৰ সলোৱা নাই। এদিন চ'ত মাহৰ সন্ধ্যা মলয়া বতাহৰ আকুল আহ্বানত বসন্ত আহি আছে— পথ প্ৰান্তৰ গছ-গছনিৰ ফুলকলিৰ সুবাসে আমোল মোলাইছে, ৰাজপ্ৰাসাদৰ বাগিচাৰ বকুল, পাৰুল, ৰজনীগন্ধাৰ সুবাসে মন মতলীয়া কৰিছে। বহু দূৰৰপৰা বংশীধ্বনি শুনা গৈছে। নগৰত আজি কোনো নাই। পুৰবাসীসকল ফুলৰ সুৰভিয়ে মন মতলীয়া কৰা মধুবনলৈ বসন্ত উৎসৱত ভাগ ল'বলৈ গৈছে। শূন্য নগৰ পূৰ্ণিমাৰ জোনাকে আলোকময় কৰি তুলিছে।

নিৰ্জন নগৰৰ ৰাজপথত আজি সন্ন্যাসী অকলশৰীয়া যাত্ৰী। তেওঁৰ মূৰৰ ওপৰৰ গছ-গছনিত কুলি চৰায়ে কুহুকুহু ধ্বনি তুলি মনৰ আৱেগ উথলাই তুলিছে। সন্ন্যাসীয়ে মনে মনে ভাবিছে এনে মধুময় পৰিৱেশ, ইমান দিনৰ পিছত আজিয়েই তেওঁৰ অভিসাৰ ৰাতি আহিছে নেকি! নগৰ এৰি সন্ন্যাসী বাহিৰৰ প্ৰাচীৰৰ কাষলৈ গ'ল। নগৰৰ প্ৰদূষিত পানী নিষ্কাশন কৰা পৰিখাৰ (নৰ্দমা) পাৰত, আম গছৰ ছাঁয়াঘন অন্ধকাৰত কোন নাৰী তেওঁৰ চৰণৰ কাষত পৰি আছে!

নাৰীৰ সমগ্ৰ শৰীৰত বসন্ত ৰোগৰ গুটি ওলাইছে। ৰোগৰ যন্ত্ৰণাকাতৰ শৰীৰ ক'লা পৰিছে। নগৰবাসীসকলে পৰিৱেশ দূষিত কৰাৰ ভয়ত পৰিখাৰ পাৰত পেলাই থৈ গৈছে।

সন্ন্যাসীয়ে বহি ৰোগিনীৰ সেই যন্ত্ৰণাকাতৰ মূৰটো নিজৰ কোঁচত তুলি লৈ শুকান পিপাসাৰ্ত ওঁঠত পানী ঢালি দিলে, মূৰত ধৰি প্ৰাৰ্থনা মন্ত্ৰ উচ্চাৰণ কৰিলে আৰু নিজ হাতেৰে গোটেই শৰীৰত শীতল চন্দন সানি দিলে।

আম ফুলৰ মুকুল সৰি উপচি পৰিছে, গছৰ ডালত বাৰে বাৰে কুলি চৰায়ে কুউ কুউ কৰি অপূৰ্ব ৰাগিনী তুলিছে; ৰাতি জোনাকৰ আলোকেৰে আলোকিত। কিছু সুস্থ হৈ নাৰীগৰাকীয়ে প্ৰশ্ন কৰিলে— 'হে দয়াময়, তুমি কোন, ক'ৰপৰা আহিছা?' সন্ন্যাসীয়ে উত্তৰ দিলে— 'আজি ৰাতিহে মোৰ সময় হৈছে, মই আহিছোঁ, বাসৱাদত্তা।'▸▸



# পূজাৰিণী

**(জাতক— অৱদান শতক)**

**পাতনি ঃ** মগধৰাজ বিম্বিসাৰৰ ৰাজধানী পাটলিপুত্ৰৰ কেন্দ্ৰবিন্দুত থকা সুদৃশ্য ৰাজভৱনত ৰজাই আমোদ-প্ৰমোদত দিন কটাইছিল। বয়স হৈ অহাৰ লগে লগে শাক্য ৰাজপুত্ৰ গৌতমে ভোগ-বিলাসৰ জীৱন ত্যাগ কৰি সন্ন্যাস গ্ৰহণ কৰা কথাই তেওঁৰ কৌতূহলৰ উদ্ৰেক কৰিছিল আৰু সেয়ে তেওঁ গৃধ্ৰকূট পাহাৰৰ পাদ দেশত থকা আশ্ৰমত উপস্থিত হৈ সেই বিষয়ে নানান প্ৰশ্ন কৰিছিল। বুদ্ধই কৈছিল যে মানুহৰ দুখ বিমোচনৰ বাবে তেওঁ সন্ন্যাস গ্ৰহণ কৰিছে। কিন্তু আমোদ-প্ৰমোদৰ মাজতো মানুহৰ দুখ থাকিব পাৰে। যিদৰে ৰাজ জ্যোতিষীয়ে পুত্ৰ অজাতশত্ৰুৰ জন্মৰ সময়ত ভৱিষ্যদ্বাণী কৰিছিল পুত্ৰৰ হাতত ৰজাৰ মৃত্যু হ'ব বুলি। সেই কথা শুনি ৰজাৰ বুকু কঁপি উঠিল— ৰজাৰ সেই ভৱিষ্যদ্বাণী মনত পৰি গ'ল। অজাতশত্ৰুৰ জন্মৰ সময়ত ৰাজ জ্যোতিষীয়ে কৈছিল— 'এই পুত্ৰই যৌৱনকালত পিতৃৰ বিপক্ষে বিদ্ৰোহ ঘোষণা কৰিব— হয়তো পিতৃক হত্যাও কৰিব পাৰে।' লগে লগে ৰজাই সিদ্ধান্ত গ্ৰহণ কৰিলে বৌদ্ধ ধৰ্ম গ্ৰহণ কৰাৰ। বৌদ্ধ ধৰ্মক তেওঁ ৰাজধৰ্ম কৰিলে। ৰাজপ্ৰাসাদৰ ওচৰতে বুদ্ধদেৱৰ শিষ্যসকলৰ সৈতে থকাৰ বাবে 'বেণুবন' নামৰ উদ্যান এখন নিৰ্মাণ কৰিলে। পৰৱৰ্তী কালত তাতে বুদ্ধৰ স্তূপ প্ৰতিষ্ঠা কৰা হৈছিল।

শাক্য দেৱদত্ত বুদ্ধৰ জ্যেষ্ঠ পিতৃৰ পুত্ৰ, ভাতৃ আছিল। বুদ্ধৰ বুদ্ধত্ব প্ৰাপ্তিৰ পিছত তেৰোঁ সন্ন্যাস গ্ৰহণ কৰিছিল। কিন্তু বুদ্ধৰ দৰে তেওঁৰ জনপ্ৰিয়তা নাছিল। সেয়ে বৌদ্ধ ধৰ্ম নিষিদ্ধ কৰিবৰ বাবে বিম্বিসাৰ পুত্ৰ অজাতশত্ৰুৰ লগত হাত মিলাইছিল। অজাতশত্ৰুৱে পিতৃৰ বিপক্ষে বিদ্ৰোহ ঘোষণা কৰি পিতৃক কৈছিল ৰাজ ক্ষমতা তেওঁক অৰ্পণ কৰিবলৈ। কিন্তু শাক্য দেৱদত্ত অজাতশত্ৰুৰ লগৰীয়া, সেয়ে ৰজাই ৰাজ ক্ষমতা অপৰ্ণ নকৰিলে। এদিন ৰজা বেণুবনৰপৰা প্ৰাৰ্থনা কৰি আহোঁতে

অজাতশত্ৰুৱে তেওঁক বন্দী কৰিলে আৰু নিজে ৰজা বুলি ঘোষণা কৰিলে। ৰজা বুলি ঘোষণা কৰাৰ লগে লগে দেৱদত্তৰ প্ৰৰোচনাত দেশত বৌদ্ধ ধৰ্ম নিষিদ্ধ কৰিলে, বুদ্ধৰ বাণী প্ৰচাৰ কৰা বন্ধ কৰিলে। আনকি ৰাজ্যৰ কোনো লোকে বুদ্ধৰ পূজা-অৰ্চনা কৰিলে তেওঁক শূলত দি মৃত্যুদণ্ড দিয়া হ'ব নাইবা ৰাজ্যৰপৰা নিৰ্বাসন দিয়া হ'ব বুলি ঘোষণা কৰিলে। আনহাতে, কাৰাগাৰত ৰজা বিম্বিসাৰে খাদ্য আৰু পানীয়ৰ অভাৱত মৃত্যুক সাবটি ল'লে।

বৌদ্ধ ধৰ্ম নিষিদ্ধ কৰাৰ পিছদিনা শৰৎ সন্ধ্যা সদ্যস্নাতা শ্ৰীমতী নামৰ বুদ্ধৰ স্তূপপদ মূলৰ দাসীগৰাকীয়ে ফুল আৰু প্ৰদীপেৰে পুষ্পপাত্ৰ সজাই বুদ্ধৰ আৰতিৰ বাবে ৰাজমহিষীৰ ওচৰলৈ আহি জনালে আৰতিৰ সময় হ'ল। ৰাজমহিষীয়ে ভয়কম্পিত কণ্ঠেৰে ক'লে— 'অজাতশত্ৰুৱে স্তূপত যি পূজা-অৰ্চনাৰ আয়োজন কৰিব, তাক শূলত দিব নাইবা নিৰ্বাসন দিব বুলি ঘোষণা কৰিছে, তই জানো শুনা নাই?'

তাৰপৰা শ্ৰীমতী ৰাজবধূ অমিতাৰ কক্ষলৈ গ'ল। সেই সময়ত ৰাজবধূৱে দাপোণৰ আগত বেণীবন্ধন কৰি আছিল আৰু সীমান্তত সেন্দূৰৰ ৰেখা আঁকিছিল। শ্ৰীমতীক দেখি অমিতাৰ ৰেখা বেঁকা হৈ গ'ল। শ্ৰীমতীক ক'লে— 'কি সাহসত পূজাৰ পুষ্পপাত্ৰ লৈ আহিছ? এতিয়াই যা, নহ'লে ভীষণ বিপদ হ'ব।'

অস্তমিত সূৰ্যৰ ক্ষীণ আলোকত খোলা খিৰিকীৰ কাষত ৰাজকন্যা শুক্লাই কাব্য অধ্যয়ন কৰি আছিল। ৰিণিঝিনি হাতৰ কিংকিনীৰ শব্দ শুনি দুৱাৰমুখলৈ চালে। শ্ৰীমতীক দেখি কিতাপ থৈ দ্ৰুত পদক্ষেপে শ্ৰীমতীৰ ওচৰলৈ গ'ল। সাৱধানে লাহে লাহে শ্ৰীমতীৰ কাণৰ কাষত ক'লে— 'ৰজাৰ আদেশ সকলোৱে জানে। এনেকৈ মৃত্যুক সাবটি লোৱাৰ কিবা যুক্তি থাকিব পাৰেনে?'

ইয়াৰ পাছত শ্ৰীমতীয়ে মানুহৰ দুৱাৰে দুৱাৰে গৈ ক'লে— 'হে পুৰবাসীসকল, প্ৰভুৰ পূজাৰ সময় হৈছে, আহা।' ঘৰে ঘৰে সকলোৱে ভয় খাই তাইক গালি পাৰিবলৈ ধৰিলে। দিনান্তৰ পিছত সূৰ্য অস্তমিত হ'ল আৰু দিনৰ পোহৰ শেষ হৈ গ'ল। পথ জনহীন হ'ল, কোলাহল মুখৰিত নগৰী নিস্তব্ধ হ'ল। প্ৰাচীন ৰাজ দেৱালয়ত আৰতিৰ ঘণ্টা বাজিল। শাৰদ ৰাতিৰ আন্ধাৰত আকাশত অগণন তৰা উজলি উঠিল। সিংহ দুৱাৰ বন্ধ হোৱাৰ সংকেত দিয়া হ'ল। কাৰাগাৰৰ বন্দীসকলে সন্ধ্যাৰ প্ৰাৰ্থনা গালে।



এনে সময়তে প্ৰহৰীসকলে দেখিবলৈ পালে ৰজা বিম্বিসাৰৰ উদ্যানৰ স্তূপপদ মূলত অন্ধকাৰত শাৰী শাৰী প্ৰদীপমালা জ্বলি উঠিছে। খোলা তৰোৱাল লৈ প্ৰহৰীসকল লৰৰি আহি সুধিলে— 'কোন সেই দুৰ্মতি, মৰিবৰ বাবে আৰতি কৰিছে?' এটি মধুৰ কণ্ঠস্বৰ প্ৰহৰীসকলে শুনিলে— 'মই শ্ৰীমতী, বুদ্ধৰ দাসী।' সেইদিনা স্তূপপদ মূলৰ শুভ্ৰ শিলাখণ্ডত ৰক্তৰ স্ৰোত বৈ গ'ল, সেইদিনা শৰৎ কালৰ ৰাতি প্ৰাসাদৰ উদ্যান বেণুবনৰ স্তূপপদ মূলত নীৰৱে শেষ আৰতিৰ শিখা নুমাই গ'ল।▸▸

# ব্ৰাহ্মণ
## (ছান্দোগ্য উপনিষদ)

সৰস্বতী নদীৰ তীৰত মহৰ্ষি গৌতমৰ আশ্ৰম। সূৰ্যাস্তৰ পিছত বনাঞ্চললৈ অন্ধকাৰ নামি আহিছে। নিস্তব্ধ আশ্ৰমলৈ ঋষি পুত্ৰসকল উলটি আহিছে, মূৰৰ ওপৰত বনান্তৰত আহৰণ কৰা সমিধ কাঠৰ ভাৰ লৈ, লগতে গোহালিলৈ গৰুবোৰো মাতি আনিছে। সন্ধ্যা স্নান শেষ কৰি তেওঁলোকে মহৰ্ষি গৌতমক কুটীৰ প্ৰাংগণত হোমাগ্নিৰ কাষত আৱৰি ধৰিছে। আকাশত ধ্যানমগ্ন নক্ষত্ৰমণ্ডলীও শাৰী শাৰীকৈ বহি আছে কৌতূহলী শিষ্যৰ দৰে। আশ্ৰমত ধ্বনিত হ'ল গৌতমৰ বাণী— 'বৎসসকল, ব্ৰহ্ম বিদ্যাৰ কথা কওঁ, তোমালোকে অনুধাৱন কৰা।'

এনে সময়তে হাতত অৰ্ঘ্য সজাই আনি প্ৰাংগণৰ ভিতৰলৈ সোমাই আহিল এক তৰুণ বালক। ঋষিৰ চৰণ তলত পুষ্প অৰ্ঘ্য দি ভক্তিভাৱে প্ৰণিপাত কৰি স্নিগ্ধস্বৰে ক'লে— 'ভগৱান, মই ব্ৰহ্ম বিদ্যা শিক্ষাৰ অভিলাষী। কুশক্ষেত্ৰবাসী মই আপোনাৰ ওচৰলৈ দীক্ষা ল'বলৈ আহিছোঁ। মোৰ নাম সত্যকাম।' শুনি স্মিত হাঁহিৰে ব্ৰহ্মৰ্ষিয়ে স্নেহসিক্ত শান্ত স্বৰে ক'লে— 'তোমাৰ কুশল হওক সৌম্য। গোত্ৰ কি তোমাৰ? বাছা, কেৱল ব্ৰাহ্মণৰহে ব্ৰহ্ম বিদ্যা লাভৰ অধিকাৰ আছে।'

বালকে ধীৰে ধীৰে ক'লে— 'মোৰ গোত্ৰ কি মই নাজানো। কালিলৈ আইমাতৃক সুধি আহি ক'বলৈ মোক অনুমতি দিয়ক।' এই কথা ঋষিক কৈ ঋষিৰ চৰণত প্ৰণাম কৰি পদব্ৰজে সত্যকাম ক্ষীণ স্বচ্ছ সৰস্বতী নদী পাৰ হৈ গাঁৱৰ কুটীৰলৈ মাতৃৰ ওচৰলৈ গ'ল।

কুটীৰত সন্ধ্যা দীপ জ্বলাই জননী জবালাই পুত্ৰলৈ বাট চাই আছিল। সত্যকামক দেখি বুকুত সাবটি ধৰি কুশল বাৰ্তা সুধিলে। সত্যকামে মাতৃক সুধিলে— 'মোৰ পিতাৰ নাম কি আই? কি বংশত জন্ম মোৰ? মহৰ্ষি গৌতমৰ ওচৰলৈ ব্ৰহ্ম বিদ্যা দীক্ষা লাভৰ কাৰণে গৈছিলোঁ। গুৰুৱে ক'লে— বাছা, কেৱল ব্ৰাহ্মণৰহে ব্ৰহ্ম বিদ্যাৰ অধিকাৰ আছে। আই, কি গোত্ৰ আমাৰ?' এই কথা শুনি অৱনতমুখে জননীয়ে ক'লে— 'যৌৱনত দাৰিদ্ৰ্য দুখত বহুতকে পৰিচৰ্যা কৰি তোক পাইছিলোঁ। তই স্বামীহীনা জবালাৰ কোলাত জন্ম লৈছ। গোত্ৰ তোৰ কি মই নাজানো।'



পিছদিনা আন ঠাইৰ দৰে তপোবনতো প্ৰভাত হ'ল। সকলো তাপস বালক যেন নবীন আলোক; প্ৰাতঃস্নান সমাপন কৰি সৌম্য মূৰ্তি ধৰি সিক্ত জঁটাৰে শুচিশুভ্ৰ হৈ ভক্তিভাৱে গৌতমক বটবৃক্ষৰ তলত আৱৰি লৈ সন্মিলিত সুৰত সাম গীত আৰম্ভ কৰিছিল।

এনে সময়ত সত্যকাম ওচৰলৈ আহি ঋষিক প্ৰণাম কৰিলে। উদাস চকুযুৰি মেলি লৈ নীৰৱে বহিলে। ঋষিয়ে আশিস বাণী শুনাই সুধিলে— 'কি গোত্ৰ তোমাৰ, সৌম্য, প্ৰিয়দৰ্শন?' মূৰ তুলি সত্যকামে ক'লে— 'ভগৱান, কি গোত্ৰ মোৰ নাজানো। আইক সোধোতে আয়ে ক'লে— সত্যকাম, বহু পৰিচৰ্যা কৰি তোক পাইছিলোঁ। তই জন্ম হৈছ স্বামীহীনা জবালাৰ কোলাত। তোৰ গোত্ৰ কি মই নাজানো।'

সেই কথা শুনি ছাত্ৰসকলে মৃদুস্বৰে কথা পাতিবলৈ ল'লে, মৌচাকত মাটিৰ দলি পৰিলে যিদৰে মৌমাখিবোৰ বিক্ষিপ্ত চঞ্চল হয় ঠিক সেইদৰে। বিস্ময়াভিভূত বালকসকলে কোনোবাই হাঁহিলে, কোনোবাই ধিক্কাৰ দিলে— লাজহীন অনাৰ্যৰ অহংকাৰ দেখি। তাকে দেখি ঋষি গৌতম আসন এৰি উঠি আহি বাহু মেলি বালকক আলিংগন কৰি ক'লে— 'হে পুত্ৰ, তুমি অব্ৰাহ্মণ নোহোৱা। তুমি দ্বিজোত্তম, সত্য কুলজাত।' ▸▸।

# নৰকবাস

বিদেহৰ ৰজা সোমক যাৰ নাম, তেওঁক বহু সজ কৰ্মৰ কাৰণে দেৱদূতসকলে স্বৰ্গলৈ লৈ গৈ আছিল। মাজত প্ৰেতপুৰী নৰক। অন্ধকাৰ, কাকো দেখা নাযায়। তাৰ প্ৰেত এজনে ৰজাক মাতিলে— 'ক'লৈ যোৱা মহাৰাজ? হেৰা স্বৰ্গৰ পথিক, নামি আহা।' ৰজাই সুধিলে— 'কোন তুমি?' প্ৰেতজনে উত্তৰ দিলে— 'মই তোমাৰ ৰাজ পুৰোহিত, সেই ঋত্বিক।' সোমকে সুধিলে— 'ইয়াত যেন বিশ্বৰ সকলো অশ্ৰু জমা হৈ আছে; সূৰ্য, তৰা, চন্দ্ৰহীন এই অন্ধকাৰ ৰাজ্যলৈ তুমি কিয় আহিলা?' নৰকৰ প্ৰেতবোৰে ক'বলৈ ধৰিলে— 'এইখন এখন বিষাদৰ ৰাজ্য, নৰকপুৰী। এই প্ৰেতপুৰীৰৰ তলতে ধৰণীৰ বনভূমি, তাৰ সাত সাগৰৰ কল্লোলধ্বনি শুনো আমি।' ঋত্বিকে ক'লে— 'মহাৰাজ, তুমি দেৱ ৰথৰপৰা নামা।' প্ৰেতবিলাকেও ক'বলৈ ধৰিলে— 'অলপ সময়ৰ কাৰণে ৰৈ যোৱা। তোমাৰ শৰীৰত এতিয়াও ধৰণীৰ নিয়ৰকণা, মাটিৰ গন্ধ, তৃণৰ গন্ধ, শিশু, নাৰী, বন্ধু, ভাই-ভনীৰ স্পৰ্শ লাগি আছে। ছয় ঋতুৰ সৌৰভ তুমি পাইছা।' সোমকে ঋত্বিকক সুধিলে— 'গুৰুদেৱ, তোমাৰ কিয় এই নৰকবাস হৈছে?' ঋত্বিকে উত্তৰ দিলে— 'তোমাৰ পুত্ৰক যজ্ঞত বলি দিছিলোঁ। সেই পাপতে মোৰ এই গতি হৈছে।' কৌতূহলী প্ৰেতগণে ক'বলৈ ধৰিলে— 'তোমাৰ কণ্ঠত এতিয়াও মৰ্ত্যৰ মূৰ্ছনা শুনিছোঁ। তুমি সেই কাহিনী, সেই ইতিহাস কোৱা। মানৱৰ ভাষাত সেই বিৱৰণ কোৱা।' সোমকে মানৱৰ ভাষাত সেই কাহিনী ক'বলৈ ধৰিলে— 'হেৰা ছাঁয়া শৰীৰৰ প্ৰেতসকল, মোৰ নাম সোমক, মই বিদেহ নৃপতি আছিলোঁ। বহু দেৱ-দেৱতা আৰাধনা কৰি, যাগ-যজ্ঞ কৰি এক পুত্ৰ পাইছিলোঁ। ল'ৰা লৈয়ে মই নিজকে, নিজৰ কাম-কাজ পাহৰি আছিলোঁ। পদুম ফুলৰ পাতে যেনেকৈ নিয়ৰকণাটোক ধৰি ৰাখে, ময়ো তাক তেনেকৈ ধৰি ৰাখিছিলোঁ। ক্ষাত্ৰ ধৰ্ম, ৰাজ ধৰ্ম সকলো পাহৰি থকাৰ বাবে ৰাজলক্ষ্মীয়ে লাজ পাইছিল। এদিন ৰাজসভাত অমাত্যসকলৰ লগত বহি আছিলোঁ। এনে সময়তে



অন্তঃপুৰত শিশুৰ ক্ৰন্দন শুনিবলৈ পালোঁ। সকলো ৰাজ কাৰ্য এৰি থৈ মই অন্তঃপুৰ পালোঁগৈ।' সেই সময়ত ঋত্বিক, যি ৰাজ পুৰোহিত— ধান-দুবৰি লৈ ৰজাক আশীৰ্বাদ দিবলৈ আহিছিল কিন্তু ঋত্বিকৰ আগমনকো অৱহেলা কৰি ৰজা অন্তঃপুৰ পালেগৈ। যেতিয়া লজ্জাৱনত হৈ ৰজা ঘূৰি আহিল ঋত্বিকে সুধিলে— 'ৰাজন! কি দুৰ্ঘটনাৰ বাবে ব্ৰাহ্মণক অৱহেলা কৰি, ৰাজ কাৰ্য পেলাই থৈ, বিচাৰপ্ৰাৰ্থীসকলক পেলাই থৈ, অমাত্যসকলৰ লগত ৰাজ কাৰ্যৰ বিষয়ো আলোচনা নকৰি, বিদেশী ৰাজদূতসকলক সম্ভাষণ নকৰি শিশুৰ ক্ৰন্দন শুনি গুচি গ'লা? ধিক্ মহাৰাজ। শিশুৰ মায়াত বন্দী হৈ আছা, দেখি সকলোৱে হাঁহিছে।'

সভাসদসকল আচৰিত হ'ল। সকলো সভাসদ, ৰাজদূতসকল— সকলোৱে ঋত্বিকৰ মুখলৈ চালে। ক্ষণিকৰ বাবে তেওঁৰ ৰক্ত উত্তপ্ত হ'ল। ৰজায়ো পুৰোহিতক প্ৰণিপাত কৰি লজ্জাৱনত হৈ ক'বলৈ ধৰিলে যে— 'এক পুত্ৰ লৈ মোৰ অকণো শান্তি নাই। ভয়ে ভয়ে কাল কাটে। মোহপাশত পৰি অপৰাধী হৈছোঁ, মোক ক্ষমা কৰক।'

ৰজাই ক্ষমা ভিক্ষা খোজা দেখি সভাসদসকল আনন্দিত হ'ল। কিন্তু ঋত্বিকৰ তেওঁক অৱহেলা কৰাৰ খং শাম কটা নাই। ৰজাক ক'লে যে— 'এক পুত্ৰৰ অভিশাপ দূৰ কৰিবলৈ বিচৰা যদি তাৰ পন্থা আছে, কিন্তু সেই কাম দুৰূহ।' ৰজাই পাৰেনে নোৱাৰে ঋত্বিকে সন্দেহ প্ৰকাশ কৰিলে। ৰজাই ক'লে যে— 'মই ক্ষত্ৰিয় সন্তান, পৃথিৱীত এনে কোনো কঠিনতম কাম নাই মই কৰিব নোৱাৰা।' ঋত্বিকে ক'লে যে যজ্ঞ আয়োজন কৰি সেই সন্তানক হোমত বলি দিব লাগিব, তাৰ মেদ-গন্ধ-ধোঁৱা ঘ্ৰাণ কৰিব লাগিব, তেতিয়াহে মহাৰাণী শত পুত্ৰৱতী হ'ব। ৰজাই সন্মতি প্ৰকাশ কৰিলে। কাৰণ ক্ষত্ৰিয়ই পণ ভংগ কৰিব নোৱাৰে।

যজ্ঞৰ আয়োজন চলিল। চৌদিশে নাৰীসকলে আৰ্তনাদ কৰিবলৈ ধৰিলে। প্ৰজাসকলে ৰজাক ধিক্কাৰ দিলে। যজ্ঞৰ অগ্নি জ্বলি উঠিল। কোনে ৰাজপুত্ৰক অন্তঃপুৰৰ পৰা আনিব? মন্ত্ৰীসকল নীৰৱে থাকিল। ৰাজভৃত্যসকলে ৰজাৰ আজ্ঞা পালন নকৰিলে, সৈন্যসকলে অস্ত্ৰ পেলাই গুচি গ'ল। দ্বাৰৰক্ষীসকলে চকুপানী টুকিলে। ঋত্বিকে মায়া-মোহ সকলো পৰিত্যাগ কৰি, হৃদয়বন্ধন মিছা বুলি ভাবি মাতৃসকলৰ হাতৰ পৰা সেই ফুল-কুমলীয়া শিশুটিক আনিবলৈ গ'ল। ঋত্বিকক দেখি শিশুটিয়ে হাঁহিবলৈ ধৰিলে। তাৰ হাঁহিত যেন প্ৰকাশ পাইছিল 'আইৰ কাষৰপৰা মোক বাহিৰলৈ লৈ ব'লা।' বহু সময় বন্দী হৈ থাকি খেলিবৰ বাবে তাৰ মন আকুল হৈ উঠিছে। ঋত্বিকেও যেন মনে

মনে ক'লে 'আহ মোৰ লগত, মই নিবিড় স্নেহবন্ধনৰপৰা মুক্তি দিম তোক।' এই কথা ভাবি বলেৰে মাতৃসকলৰ কান্দোন আওকাণ কৰি শিশুটিক লৈ আনিলে। পুৰোহিতে ৰজাৰ হাতত হাঁহি থকা শিশুটিক তুলি দিলে আৰু ক'লে— 'মই মন্ত্র পাঠ কৰোঁ আৰু তুমি ইয়াক অগ্নিদেৱক দিয়া।' সোমকে ঋত্বিকক বাকীখিনি ক'বলৈ বাধা দিলে।

প্ৰেতসকলে ঘোষণা কৰিলে তেওঁলোক যদিও বহু পাপৰ পাপী তথাপিও তেওঁলোকতকৈ ঋত্বিক বেছি পাপী। তেওঁৰ বাবে ঈশ্বৰে আৰু এখন বেলেগ নৰক সৃষ্টি কৰিব লাগিব। দেৱদূতসকলে ৰজাক লৰালৰি কৰি স্বৰ্গ ৰথত উঠিবলৈ ক'লে। কিন্তু সোমকে স্বৰ্গ ৰথ লৈ যাবলৈ ক'লে দেৱদূতসকলক। কাৰণ 'ক্ষত্রিয়ৰ অহংকাৰত মত্ত হৈ নিষ্পাপ শিশুক মোৰ পিতৃ ধৰ্ম অৱহেলা কৰি পুত্ৰক অগ্নিত অৰ্পণ কৰিলোঁ। অগ্নিক খেলা বস্তু বুলি ভাবি পিতৃৰ উপহাৰ বুলি পৰম নিৰ্ভয়ে সি গ্ৰহণ কৰিছিল। কিন্তু বুজিব পাৰি জুইৰ মাজত দুটা কাতৰ চকু মেলিলে অকস্মাৎ!' নৰকক ৰজাই সুধিছে— 'এই অন্তৰৰ দুখ মই কেনেকৈ পাহৰিম? তোমাৰ ইয়াত দাহ কৰিব পৰা এনে কিবা জুই আছেনে? তাৰ চকুৰ সেই দৃষ্টি মই পাহৰিব নোৱাৰোঁ। মই নৰকৰ জুইৰ মাজতে নিজকে দাহ কৰি শিশুটিৰ দৃষ্টিৰ ভীতিকাতৰতা পাহৰিব খোজো?'

এনেতে ধৰ্মৰাজ আহি ৰজাক ক'লে যে— 'স্বৰ্গই তোমাৰ বাবে অপেক্ষা কৰিছে, তুমি সোনকালে ওলোৱা।' সোমকে ক'লে— 'তাত মোৰ স্থান নাই। কাৰণ মোৰ নিজৰ সন্তানক মই হত্যা কৰিছোঁ।' ধৰ্মৰাজে ক'লে— 'তুমি পৰিতাপ অনলত ডেই-পুৰি সেই পাপৰ প্ৰায়শ্চিত্ত কৰিছা, কিন্তু যি ব্ৰাহ্মণে বিনা চিত্ত পৰিতাপে পৰ পুত্ৰক স্নেহবন্ধনৰপৰা ছিন্ন কৰি বিনাশ কৰিছে, তেওঁৰ নৰকবাস সমুচিত হৈছে।' ঋত্বিকে সোমকক ক'লে— 'মোক নৰকত পেলাই তুমি স্বৰ্গলৈ নাযাবা, মোৰ দুখ নবঢ়াবা। দুৰ্বিসহ বেদনাই দ্বিতীয় নৰক সৃষ্টি কৰিব।' সোমকে ধৰ্মৰাজক ক'লে যে— যিমান কাল ঋত্বিকৰ পাপভোগ আছে, সিমান কাল ময়ো তেওঁৰ লগত সহবাস কৰি পাপভোগ কৰিম।' ধৰ্মই তেতিয়া সোমকক আশীৰ্বাদ দিলে— 'মহান গৌৰৱেৰে তুমি ইয়াত বাস কৰা, নৰকাগ্নি তোমাৰ স্বৰ্ণ সিংহাসন হওক।' নৰকৰ প্ৰেতসকলেও এই পুণ্য ফলত্যাগী, নিষ্পাপী নৰকবাসী ৰজাৰ গৌৰৱ ঘোষণা কৰি তেওঁক আদৰি ল'লে। দুইজন পাপীয়েই প্ৰিয়তম মিত্ৰৰ দৰে একে দুঃখাসনত বহি দুখ ভোগ কৰিবলৈ প্ৰস্তুত হ'ল।।৮।



# কৰ্ণ-কুন্তী সংবাদ

## (মহাভাৰত)

মহাভাৰতখ্যাত বীৰ কৰ্ণৰ জন্ম ৰহস্য মহাভাৰতৰ পাঠকমাত্ৰেই জানে। কুৰুক্ষেত্ৰত কৌৰৱ-পাণ্ডৱৰ মাজত তয়াময়া যুদ্ধ হৈ আছে। সেনাপতি ভীষ্মৰ শৰশয্যা আৰু দ্ৰোণৰ মৃত্যুৰ পিছত কৰ্ণ কৌৰৱৰ সেনাপতি। যুদ্ধ শেষ কৰি গধূলি কৰ্ণই নিত্যকৰ্মৰ অংশ হিচাপে ভাগিৰথীৰ তীৰত সন্ধ্যা বন্দনা কৰিবলৈ আহিছিল। এনেতে এগৰাকী নাৰী কৰ্ণৰ ওচৰলৈ আহিল। কৰ্ণই তেওঁক সুধিলে— 'অধিৰথ সুতৰ পুত্ৰ ৰাধাৰ গৰ্ভজাত কৰ্ণ মই, আপুনি কোন আই?' নাৰীগৰাকীয়ে উত্তৰ দিলে যে কৰ্ণৰ জীৱনৰ প্ৰথম পুৱাতে যিগৰাকীয়ে নাৰীয়ে বিশ্বৰ লগত কৰ্ণক পৰিচয় কৰাই দিলে তেৱেঁই সেইগৰাকী নাৰী। তেৱেঁই কুন্তী। কৰ্ণ আশ্চৰ্যান্বিত হ'ল, কুন্তী। অৰ্জুন-জননী!

'হয়, ময়েই কুন্তী, অৰ্জুন-জননী।' হস্তিনানগৰত যিদিনা অস্ত্ৰ পৰীক্ষা পতা হৈছিল, যিমানবোৰ নাৰীয়ে সেই পৰীক্ষা চাবলৈ গৈছিল তাৰ ভিতৰত কুন্তীয়েই অভাগিনী আছিল। পুত্ৰ বীৰ হোৱা সত্বেও তেওঁ প্ৰকাশ কৰিব নোৱাৰে। সেয়ে মনে মনে দূৰৰ পৰা আশিস যাচিলে। তাতে প্ৰশিক্ষক কৃপাচাৰ্যই যেতিয়া কৰ্ণৰ পিতাৰ নাম শুনি ঘোষণা কৰিলে ৰাজকুলত জন্ম নোলোৱা কোনো ডেকাৰ অৰ্জুনৰ লগত যুদ্ধ কৰাৰ অধিকাৰ নাই, তেতিয়া কুন্তীৰ শোক উথলি উঠিল। কাৰণ তেওঁ যে অৰ্জুন-জননী। লগে লগেই দুৰ্যোধনে কৰ্ণক অংগ ৰাজ্য দি ৰাজ-অভিষেক কৰাতহে কুন্তীয়ে শান্তি পালে। ৰাজ-অভিষেকৰ পিছত পিতা অধিৰথক প্ৰণাম কৰা দেখি পাণ্ডৱসকলে বন্ধুসকলৰ লগত ক্ৰুৰ হাঁহি মাৰি ধিক্কাৰ দিলে। কিন্তু বীৰ বুলি যিগৰাকীয়ে মনে মনে আশীৰ্বাদ দিলে তেওঁ কুন্তী, অৰ্জুন-জননী। কৰ্ণই সুধিলে— 'তুমি ভৱিষ্যতৰ ৰাজমাতা, তুমি ইয়াত কিয়? এইখন ৰণভূমি, মই কুৰু সেনাপতি।' কুন্তীয়ে ক'লে যে



40818/15

তেওঁ ভিক্ষা বিচাৰি আহিছে, কৰ্ণই যেন বিফল নকৰে। কৰ্ণই ক'লে যে তেওঁৰ পৌৰুষ আৰু ধৰ্মৰ বাহিৰে কুন্তীয়ে যি বিচাৰে তাকে দিব। কুন্তীয়ে উত্তৰ দিলে যে কৰ্ণক তেওঁ পাণ্ডৱৰ ওচৰলৈ লৈ যাব খুজিছে। কৰ্ণ আচৰিত হৈ ক'লে— 'পাঁচ পুত্ৰ লৈ ধন্য তেওঁ, কোন অধিকাৰত পাণ্ডৱৰ মাজলৈ যাব?' কুন্তীয়ে ক'লে যে— 'বিধাতাৰ বৰদান হিচাপে তুমি মোৰ পুত্ৰ হৈ জন্ম লৈছিলা, সেই অধিকাৰতে যাবা।' কৰ্ণই ক'লে— 'কালিলৈ ৰাতিপুৱাই যুদ্ধ আৰম্ভ হ'ব, আজি মই অৰ্জুন-জননীৰ কণ্ঠত কিয় স্নেহময়ী মাতৃৰ কণ্ঠস্বৰ শুনিলোঁ; তোমাৰ আহ্বানত মোৰ অন্তৰাত্মা জাগি উঠিছে। ৰণ হিংসা, বীৰখ্যাতি, জয়-পৰাজয় সকলো যেন মিছা। মই যদি তোমাৰ পুত্ৰ, তেনেহ'লে কিয় অগৌৰৱে কুলশীল, মানহীন, মাতৃনেত্ৰহীন অন্ধকাৰ বিশ্বলৈ মোক দলিয়াই দিলা? অৰ্জুনক কিয় মোৰ পৰা বিচ্ছিন্ন কৰি ৰাখিলা? আই, তুমি নিৰুত্তৰ কিয়? লাজ ভেদ কৰি সেই কথা মোক ক'ব নালাগে। মাতৃস্নেহ দেৱতাৰ ধন, তাৰপৰা মোক কিয় বঞ্চিত কৰিলা?'

কুন্তীয়ে ক'লে— 'তুমি মোক যিমান তিৰস্কাৰ কৰা, কৰা। কাৰণ মই অপৰাধ কৰিছোঁ। সেই তিৰস্কাৰৰ অনলে মোৰ পাপ দগ্ধ কৰি মোক নিৰ্মল কৰিব।'

কৰ্ণই এইবাৰ মাতৃক প্ৰণাম কৰি পদধূলি ল'লে। কুন্তীয়ে ক'লে যে মাতৃৰ অধিকাৰত তেওঁ কৰ্ণক নিবলৈ অহা নাই। যিহেতু কৰ্ণ সুত পুত্ৰ নহয়, ৰজাৰহে সন্তান, গতিকে সেই অধিকাৰতে তেওঁ পাণ্ডৱ শিবিৰলৈ আহিব লাগে য'ত তেওঁৰ পঞ্চভ্ৰাতা আছে। কৰ্ণই উত্তৰ দিলে— 'আই মই সুত পুত্ৰ, ৰাধা মোৰ মাতৃ, তাতকৈ মোৰ একো গৌৰৱ নাই। পাণ্ডৱ পাণ্ডৱ হৈয়ে থাকক, কৌৰৱ কৌৰৱ হয়েই থাকক। মই তেওঁলোকক ঈৰ্ষা নকৰোঁ।' কিন্তু কুন্তীয়ে ক'লে যে— 'ৰাজ্য বাহুবলেৰে নিজৰ কৰি লোৱা। যুধিষ্ঠিৰে শুভ্ৰ বিচনীৰে বিচিব, ভীমে তোমাৰ মূৰৰ ওপৰত ছত্ৰ ধৰিব, ধনঞ্জয় ৰথৰ সাৰথি হ'ব, ধৌম্য পুৰোহিতে বেদমন্ত্ৰ গাব।' কৰ্ণ শত্ৰুজিৎ, গতিকে এইদৰেই তেওঁ ৰাজ-সিংহাসনত অধিষ্ঠিত হ'ব। কৰ্ণই ক'লে— 'সিংহাসন! যাক মাতৃস্নেহৰ পৰা বঞ্চিত কৰিলা, তাক সিংহাসনৰ আশ্বাস দিছা? এদিন যি সম্পদৰপৰা মোক বঞ্চিত কৰিলা, তাক মোক ওলোটাই দিব খুজিছা? মোৰ জন্মক্ষণতেই মাতৃ, ভাতৃ, ৰাজকুলৰপৰা মোক বঞ্চিত কৰিলা। আজি যদি ৰাজ-জননীক মাতা বুলি সুত-জননীক ছলনা কৰোঁ, আজি তুমি মোৰ মাতা বুলি কুৰুপতিৰ লগত মোৰ যি বন্ধন তাক ছেদ কৰোঁ সিংহাসনৰ বাবে, তেনেহ'লে মই নিজকে ধিক্কাৰ দিওঁ।'



কুন্তীয়ে ক'লে— 'মোৰ বীৰ পুত্ৰ কৰ্ণ ধন্য। যিদিনা ক্ষুদ্ৰ, অসহায় শিশু পুত্ৰ ত্যাগিছিলোঁ, তেওঁ যে এদিন বল-বীৰ্য লাভ কৰি নিৰ্মম হাতেৰে কথাৰ অস্ত্ৰ হানিব তাকতো জনা নাছিলোঁ। ই বিধাতাৰ কি অভিশাপ!' কৰ্ণই উত্তৰ দিলে— 'আই, তুমি ভয় নকৰিবা। যুদ্ধত পাণ্ডৱৰে জয় হ'ব। মই আকাশৰ নক্ষত্ৰৰ আলোকতে যুদ্ধৰ ফল দেখিবলৈ পাইছো। মই যেন জয়হীন চেষ্টাৰ সংগীত গাইছোঁ, মোৰ কৰ্মৰ উদ্যম আশাহীন। দেখিবলৈ পাইছোঁ মোৰ কৰ্মৰ পৰিণাম শূন্য। যি পক্ষৰ পৰাজয় অৱশ্যম্ভাৱী, সেই পক্ষক এৰিবলৈ মোক নক'বা। পাণ্ডৱসকল জয়ী হওক, ৰজা হওক। মই নিষ্ফল, হতাশৰ দলতে থাকিম। জন্মৰ দিনাই যিদৰে মোক পৃথিৱীত নামহীন, গৃহহীন কৰি পেলাই গৈছিলা, আজিও তেনেকৈ নিৰ্মমচিত্তে দীপ্তিহীন, কীৰ্তিহীন, পৰাজিত বুলি পেলাই থৈ যোৱা। জয়, যশ, ৰাজ্যৰ প্ৰলোভনত পৰি মই যেন বীৰ বুলি পৰিচিত হোৱাত ভ্ৰষ্ট নহওঁ, কেৱল তাৰ বাবে মোক আশীৰ্বাদ দি যোৱা।'৮৮।

# বিসৰ্জন

মল্লিকা এগৰাকী অন্ধবিশ্বাসেৰে ভৰা, শিক্ষাৰ পোহৰ নোপোৱা গাঁৱলীয়া বোৱাৰী। অগা-পিছাকৈ দুটা ল'ৰা জন্ম হৈ দুবছৰ হৈ হৈ মৰিছে। এইবাৰ যেতিয়া তৃতীয় পুত্ৰ সন্তানটি হ'ল, মল্লিকাই স্বামীকো হেৰুৱালে। ওচৰ-চুবুৰীয়া, বন্ধু-বান্ধৱে তাইক বুজালে পূৰ্বজন্মত বহুত পাপ কৰাৰ ফলত এই জনমত ইমান দাৰুণ সন্তাপ পাইছে। শোকত দগ্ধ মল্লিকাই অজ্ঞাত জন্মৰ পাপৰ ভাৰ বৈ কিদৰে তাৰপৰা ৰেহাই পাব, তাৰ উপায় বিচাৰি মন্দিৰে মন্দিৰে পূজা দিবলৈ ধৰিলে— ব্ৰত, ধ্যান, উপবাসত দিন কাটে। পূজাঘৰত ধূপ-দীপ-নৈবেদ্যৰে দেৱতাক পূজা দিয়ে। একমাত্ৰ ল'ৰাটোক ব্ৰাহ্মণৰ পদধূলি লৈ তাবিজ বন্ধাই ডিঙিত আৰি দিছে। সাধু-সন্ন্যাসীক ঘৰলৈ আনি আশীৰ্বাদ দিয়ায়। নিজৰ সন্তানৰ কাৰণে সূৰ্য, চন্দ্ৰ, পশু-পক্ষীয়ে যদি কিবা অপৰাধ লয়, তাৰবাবে সকলোকে প্ৰাৰ্থনা কৰে। আকুল বেদনাত সময় সংকুচিত হৈ থাকে।

শিশুটিৰ যেতিয়া ডেৰ বছৰ হ'ল, যকৃতৰ বিকাৰ হ'ল। জ্বৰত আতুৰ ল'ৰাটো দিনে দিনে ক্ষীণ হৈ যাবলৈ ধৰিলে। মল্লিকাই মন্দিৰে মন্দিৰে পূজা আগ কৰিলে। ব্ৰাহ্মণৰ পদামৃত পান কৰালে। হৰি সংকীৰ্তনত প্ৰাংগণ মুখৰ হৈ উঠিল। ল'ৰা অসুস্থ, মল্লিকাৰ মনত শান্তি নাই। তেওঁ এজন ব্ৰাহ্মণক সুধিলে— 'ইমান দুখ পাইছোঁ তেও পাপ দূৰ হোৱা নাই। দিন-ৰাতি দেৱতাকে ভাবি আছোঁ, তথাপি মোৰ বাছাক লৈ যাব নেকি? দেৱতাৰ ইমান ক্ষুধানে? গহনা বেচি, সৰ্বস্ব বেচি নৈবেদ্য দিলোঁ, তথাপিও দেৱতাৰ ক্ষুধা শেষ নহ'লনে?' ব্ৰাহ্মণে ক'লে— 'এইটো ঘোৰ কলি কাল, তুমি বহুত কৰিলা। কিন্তু আজিকালি সত্য যুগৰ নিচিনাকৈ মানুহে দেৱতাক ভক্তি কৰিব পাৰে জানো? দানবীৰ কৰ্ণক যেতিয়া ধৰ্ম আহি ব্ৰাহ্মণৰ বেশত পুত্ৰক খাবলৈ বিচাৰিছিল, কৰ্ণই নিজ হাতে পুত্ৰক কাটিলে আৰু লগে লগেই পুত্ৰক ওলোটাই পালে। শিবিৰাজে শেনৰূপী ইন্দ্ৰক নিজৰ বুকুৰ মাংস খাবলৈ কাটি দিছিল, কিন্তু তেওঁ অক্ষয় দেহ পালে। নিষ্ঠা



ইয়াকে কয়।' ব্ৰাহ্মণে মল্লিকাৰ কাণৰ কাষত আন এটা সাধু শুনালে। তেখেতে মাকৰপৰা এটা সাধু শুনিছিল। তেওঁলোকৰ গাঁৱৰ কাষত এগৰাকী সন্তানহীনা নাৰী আছিল। প্ৰথম সন্তান গংগা মাতালৈ আগ কৰিলে। পুত্ৰ জন্ম হোৱাৰ পাছত তাই বিধৱা হ'ল। তাই সাগৰলৈ গ'ল আৰু নিষ্ঠা সহকাৰে গংগা মাতাক ক'লে— 'আই, তোমাৰ কোলাত মই মোৰ ল'ৰাক দিলোঁ, এইটোৱেই মোৰ প্ৰথম সন্তান আৰু শেষ সন্তান আৰু এই জন্মত পুত্ৰৰ আশা নাই। যেতিয়া তাই ল'ৰাটোক গংগাত দিবলৈ গ'ল তেতিয়া গংগা মকৰবাহিনী ৰূপ লৈ মূৰ্তিমন্ত হৈ শিশুটিক দুই হাতে ধৰি আনি মাকৰ কোলাত সমৰ্পণ কৰিলে। নিষ্ঠা ইয়াকে কয়।'

মল্লিকাই নতশিৰে ঘৰলৈ আহি নিজকে ধিক্কাৰ দিবলৈ ধৰিলে— 'মই নিষ্ঠাহীনাই মিছাকৈয়ে ইমান ব্ৰত-দেৱাৰ্চনা কৰিলোঁ। সেয়েহে একো ফল পোৱা নাই।' ঘৰলৈ আহি দেখে ল'ৰাটি জ্বৰত অচেতন হৈ আছে। কবিৰাজ আহি নাড়ী টিপি চাই গুচি গ'ল। শিশুটিয়ে এবাৰ চকু মেলি চাই কাক জানো বিচাৰিলে। কোঁচলৈ তুলি লৈ বুকুত সাবটি লৈ জ্বৰৰ তাপ নিজৰ গালৈ টানি আনিব খুজিলে মল্লিকাই। হঠাৎ যেন মল্লিকাই নৈৰ কলকল ধ্বনি শুনিবলৈ পালে। ভাবিলে এইবাৰ উপায় পাইছোঁ। 'আইৰ আহ্বান শুনিছো, তোৰ মাৰৰ কোলাতকৈ আৰু সুশীতল কোলা আছে।' সেই সময়ত পূৰ্ণিমাৰ জোৱাৰ সাগৰৰ পৰা গংগালৈ আহিছিল। শিশুটিক বুকুত সাবটি লৈ মল্লিকা গংগাৰ ঘাট পালেগৈ। তাই ভাগিৰথীক শোকাকুল স্বৰে মিনতি কৰিলে শিশুৰ জ্বৰৰ তাপ জুৰাই দিবলৈ। এইবুলি মিনতি কৰি অচেতন ল'ৰাটোক হাতত লৈ চকু মুদি গংগাৰ পানীত ডুবাই ৰাখিলে। বহুপৰ চকু মেলা নাছিল। ধ্যানত দেখিলে মকৰবাহনা গংগাই জ্যোতিৰ্ময়ী মাতৃ মূৰ্তি ধৰি শিশুটিৰ মূৰত এটি পদুম ফুলেৰে আশীৰ্বাদ দি কোলাত লৈ আহিছে। হাঁহিমুখেৰে, অতি সুন্দৰ ৰূপ ধৰি দেৱীৰ কোলাৰপৰা শিশুটি মাকৰ কোলালৈ আহিবলৈ হাত আগবঢ়াইছে। দেৱীয়ে যেন কৈছে— 'হেৰা দুখুনী মাতা, তোমাৰ ধন তোমাক দিলোঁ।' মল্লিকা ৰোমাঞ্চিত হৈ চকু মেলি কয়— 'ক'ত মা, ক'ত?' পূৰ্ণিমাৰ চন্দ্ৰালোকত এফালে জননী বিৱশ-বিহ্বল হ'ল, আনফালে গংগা কলধ্বনি কৰি বৈ গৈছে। মল্লিকাই চিঞৰি উঠিল— 'ওলোটাই নিদিয়?' সেই চিঞৰৰ বনভূমিত প্ৰতিধ্বনিত হ'ল।▸▸।

# দেৱতাৰ গ্ৰাস

গাঁৱে গাঁৱে কথাটো ওলাই গ'ল যে মৈত্ৰ মহাশয় সাগৰ সংগমলৈ তীৰ্থস্নান কৰিবলৈ যাব। তেওঁৰ লগত যাবলৈ বহুত পুৰুষ-মহিলা ওলাল। দুখন নাও ঠিক কৰা হ'ল। ঘাটত নাও দুখন প্ৰস্তুত হৈ থাকিল। পুণ্যপ্ৰাৰ্থী মোক্ষদাই ক'লেহি— 'ময়ো যাম দেউ আপোনাৰ লগত।' মোক্ষদা সৰু কালতেই বিধৱা হৈছিল। তাই করুণ চকুৰে মিনতি কৰিছে, তাক আওকাণ কৰাও কঠিন। তথাপি মৈত্ৰ মহাশয়ে ক'লে— 'নাৱত ঠাই নহ'ব।' মোক্ষদাই ক'লে— 'আপোনাৰ ভৰিত পৰিছোঁ, মোক নিয়ক, একাষত মই ঠাই কৰি ল'ম।' তথাপি তেখেতে ক'লে— 'সৰু ল'ৰাটোক ক'ত থৈ যাবা?' 'সি তাৰ মাহীয়েকৰ লগত থাকিব। তাৰ জন্মৰ পিছত বহুত দিন জ্বৰত ভুগিছিলোঁ, বাচিম যে আশাই নাছিল। ভনী অন্নদাই নিজৰ ল'ৰাৰ লগত স্তন পান কৰাই তাক ডাঙৰ কৰিছে। দুৰন্ত ল'ৰা, মাহীয়েকেহে শাসন কৰিব পাৰে। গতিকে সি মাহীয়েকৰ লগতে ভালে থাকিব।' দেউ সন্মত হ'ল।

মোক্ষদা বস্তু-বাহানি বান্ধি সাজু হ'ল। সকলো গুৰুজনক প্ৰণাম কৰি, সখীসকলৰপৰা বিদায় লৈ ঘাটলৈ আহি দেখে ৰাখাল নাৱত নিশ্চিন্ত মনে উঠি আছে। মাকে সুধিলে— 'তই ইয়ালৈ কিয় আহিছ?' সি ক'লে— 'সাগৰলৈ যাম।' 'তই সাগৰলৈ যাবি? ঐ দুষ্ট ল'ৰা, নামি আহ।' পুনৰ সি দৃঢ়ভাৱে ক'লে— 'সাগৰলৈ যাম।' যিমানেই তাৰ হাতত ধৰি টনাটনি কৰে, সি মুঠি মাৰি নাৱত ধৰি লয়। শেষত দেৱে সস্নেহে হাঁহি ক'লে— 'থাক, থাক, তোমাৰ লগতে থাকক।' খঙতে মাকে ক'লে— 'ব'ল, তোক সাগৰত দি থৈ আহো।' মুখৰ পৰা কথাষাৰ ওলোৱাৰ লগে লগে মাকৰ মন অনুতাপত কান্দি উঠিল। চকু মুদি 'নাৰায়ণ, নাৰায়ণ' বুলি ভগৱানৰ নাম ল'লে। ৰাখালক কোলাত তুলি মাকৰ কল্যাণময়ী হাতেৰে গাত হাত বুলাই দিলে। মৈত্ৰ মহাশয়ে মোক্ষদাক মনে মনে ক'লে— 'মাকে এনে কথা ক'ব নাপায়।'



ৰাখাল মাকৰ লগত যোৱাটো ঠিক হোৱাৰ কথা মাহীয়েকে শুনি ঘাটলৈ আহি ক'লে— 'বাছা, তই ক'লৈ যাৱ?' 'মাহী, মই সাগৰলৈ যাওঁ, আকৌ উলটি আহিম।' পাগলৰ নিচিনাকৈ অন্নদাই মৈত্ৰ মহাশয়ক ক'লে— 'দেউ, বৰ দুৰন্ত ল'ৰা, কোনে তাক চম্ভালিব? জন্মৰপৰা সি মাহীয়েকৰ লগতে থাকে, ক'তো বেছি সময় নাথাকে। তাক নিব নালাগে। যি থাকক মোৰ লগত।' ৰাখালে আকৌ ক'লে— 'মাহী, সাগৰলৈ যাম, আকৌ ঘূৰি আহিম।' ব্ৰাহ্মণে স্নেহেৰে ক'লে— 'মই যেতিয়ালৈকে আছোঁ, কোনো ভয় নাই। এতিয়া শীতকাল। শান্ত নদ-নদী। বহুতো যাত্ৰীৰ মেলা, পথৰ বিপদ একো নাই। অহা-যোৱা-থকা মিলি দুমাহমান লাগিব। তোমাৰ ৰাখালক তোমাক ওলোটাই দিম।'

শুভক্ষণত দেৱী দুৰ্গাক স্মৰণ কৰি নাও এৰিলে। ঘাটত বিদায় সম্ভাষণ জনাবলৈ অহা মানুহবোৰ ৰৈ আছিল চকুপানী টুকি। ছলছল চুৰ্ণী নদীৰ পাৰৰ নাও ৰখা ঠাই আবেলি বেলা নীৰৱ-নিস্তব্ধ হ'ল। জোৱাৰ আহিছে। সকলো কৌতূহল শেষ হ'ল। ৰাখালৰ প্ৰাণ মাহীয়েকৰ অভাৱ অনুভৱ কৰি কান্দি উঠিছে। পানী— কেৱল চাৰিওফালে পানী— দেখি দেখি তাৰ আমনি লাগিছে। পানীত ঢৌ উঠিছে যেন সাপেহে ফেঁট তুলিছে। শিশুবোৰৰ মন শ্যামলা পৃথিৱীৰ মাটিৰ কাৰণে কান্দি উঠিছে, মাটিৰ বুকুৰে সিহঁতক যেন মাতি আছে।

চঞ্চল ৰাখালে ব্ৰাহ্মণক বাৰে বাৰে সুধিছে— 'দেউ, জোৱাৰ কেতিয়া আহিব?' হঠাৎ শান্ত পানীলৈ আৱেগ সঞ্চাৰ হ'ল। লাহে লাহে জোৱাৰ আহি নাৱৰ মুখ ঘূৰাই দিলে। নাৱৰীয়াই ভগৱানক স্মৰণ কৰি উত্তৰমুখী কৰি নাও এৰি দিলে। ৰাখালে মৈত্ৰ মহাশয়ক সুধিলে— 'দেশ পাবলৈ কিমান দিন আছে?'

সূৰ্য অস্ত নাযাওঁতেই দুই ক্ৰোশমান পাৰ হওঁতেই উত্তৰ বায়ুৰ বেগ বাঢ়ি গ'ল। ৰূপ নাৰাণ নদীৰ মুখত বালি পৰি পথত বাধা দিলে। জোৱাৰৰ সোঁত আৰু উত্তৰ বায়ু উত্তাল-উদ্দাম হ'ল— 'নাও পাৰত লগোৱা' বুলি যাত্ৰীবোৰে বাৰে বাৰে চিঞৰিবলৈ ধৰিলে। কিন্তু পাৰ ক'ত? চাৰিওফালে ক্ষিপ্তোন্মত্ত পানীয়ে তাণ্ডৱ নৃত্য কৰিছে। এফালে অতি দূৰত সেউজীয়া বনৰেখা দেখা গ'লেও আনফালে হিংস্ৰ জলৰাশিয়ে সূৰ্যাস্তৰ ফালে উচ্ছাসি উঠিছে। নাৱৰীয়াই ডাঁৰ টানিব পৰা নাই। নাওখন যেন অশান্ত-মাতাল হৈ টলমল কৰিছে। শীতল বতাহ আৰু ভয়াৰ্ত মানুহবোৰ থৰথৰকৈ কঁপি উঠিছে। কাৰো মুখত কথা নাই, কোনোৱে কান্দিছে। মৈত্ৰ মহাশয়ে

শুকান শেঁতা মুখেৰে ভগৱানৰ নাম জপ কৰিছে। ৰাখাল মাকৰ আঁচলৰ তলত লুকাই কঁপি আছে। বিপন্ন নাৱৰীয়াই তেতিয়া যাত্ৰীসকলক চিঞৰি সুধিলে— 'তোমালোকে কোনোবাই বাবাক ফাঁকি দিছা, যি আগ কৰিছিলা দিয়া নাই। সেই কাৰণেই ইমান ঢৌ, অসময়ত ধুমুহা। তোমালোকে শুনা— যি আগ কৰিছিলা দি দিয়া— ক্ৰুদ্ধ দেৱতাৰ লগত খেল নেখেলিবা।' যাত্ৰীসকলে টকা-পইচা, কাপোৰ-কানি যি আছিল দি দিলে। কিন্তু মুহূৰ্তৰ ভিতৰতে নাৱত পানী সোমাল। নাৱৰীয়াবোৰ পুনৰায় ক'লে— 'দেৱতাৰ ধন কোনে ওলোটাই লৈ যায়— দি যোৱা।' হঠাৎ ব্ৰাহ্মণ উঠি কয়— 'এই সেই নাৰী— দেৱতাক নিজৰ ল'ৰা সঁপি দি এতিয়া চুৰ কৰি লৈ যায়।' 'দে তাক পেলায়'— একেস্বৰে সকলো নিষ্ঠুৰ যাত্ৰীয়ে চিঞৰি উঠিল। ৰাখালক জোৰে সাবটি ধৰি 'দেউ, ৰক্ষা কৰা, ৰক্ষা কৰা' বুলি মোক্ষদাই কান্দি উঠিল।

তাইক তিৰস্কাৰ কৰি ব্ৰাহ্মণে গৰ্জন কৰি উঠিল— 'মই তোৰ ৰক্ষাকৰ্তা? খঙত চেতনা হেৰুৱাই মা হৈ নিজৰ ল'ৰা দেৱতাক দিলি, শেষত মইহে তোক ৰক্ষা কৰিম! দেৱতাৰ ঋণ শোধ কৰ। সত্য ভংগ কৰি ইমানবোৰ মানুহক তই সাগৰত ডুবাবি নেকি?' মোক্ষদাই ক'লে— 'মই অতি মূৰ্খ নাৰী, খঙত যি কথা ক'লোঁ, হে অন্তৰ্য্যামী সেয়ে সত্য হ'ল! তেতিয়া শুনি কি ভগৱান তুমি নুবুজিলা? তুমি মুখৰ কথাহে শুনিলা, মাকৰ অন্তৰৰ কথা নুশুনিলা?'

নাৱৰীয়াসকলে জোৰ কৰি মাকৰ বুকুৰপৰা ৰাখালক কাঢ়ি আনি পানীত পেলাই দিলে। মৈত্ৰ মহাশয়ে দুই চকু মুদি হাতেৰে কাণ ঢাকি বহি থাকিল। ৰাখালে 'মাহী, মাহী, মাহী' বুলি চিঞৰিলে, যি চিঞৰে মৈত্ৰ মহাশয়ৰ বুকুত বৃশ্চিক দংশনৰ দৰে হানিলে। দেৰে এইবাৰ চিঞৰিলে— 'ৰাখ, ৰাখ, ৰাখ।' তেওঁ দেখিবলৈ পালে মোক্ষদা তেওঁৰ চৰণৰ ওচৰত মূৰ্চ্ছা গৈ পৰি আছে। মুহূৰ্তলে উত্তাল ঢৌৰ মাজত এবাৰ 'মাহী' বুলি চিঞৰি ৰাখাল ঢৌৰ লগত মিলি গ'ল। ক্ষীণ হাতৰ মুঠিৰে আকাশত আশ্ৰয় বিচাৰি হতাশাত পানীত ডুবি গ'ল।

'তোক ওলোটাই আনিম' বুলি মৈত্ৰ মহাশয়ে মুহূৰ্ততে পানীলৈ বুলি জাঁপ দিলে আৰু উঠি নাহিল। সূৰ্য অস্তাচলত ডুব গ'ল। ▸▸।



# নিষ্কৃতি

*(এসময়ত বাংলাৰ কুলীন ব্ৰাহ্মণৰ মাজত বাল্য বিবাহ প্ৰচলিত আছিল। দৰা অৱশ্যে বালক নহৈ কইনাতকৈ পাঁচ-ছগুণ বয়সত ডাঙৰ হ'লেও কোনো কথা নাই)*

মাকে কান্দি কান্দি দেউতাকক ক'লে— 'মঞ্জুলি মোৰ সৰু ছোৱালী, তাইতকৈ পাঁচ গুণ বয়সত ডাঙৰ মানুহটোলৈ বিয়া দিবানে? মই এনে বিয়া হ'বলৈ নিদিওঁ।' দেউতাকে ক'লে— 'তোমাৰ কান্দোন-কাটোন থোৱা। বহুত দিন বিচৰাৰ পাছতহে ভাগ্যৰ বলত এনে কুলীন ব্ৰাহ্মণ পাইছোঁ। এতিয়া বিয়া নিদিওঁ বুলি ক'লে দৰা ক'ত পাম?' মাকে ক'লে— 'সেই যে চেটাৰ্জীহঁতৰ পুলিন, কুলীন নহ'লেও দেখিবলৈ ভাল। স্বভাৱো ভাল। পৰীক্ষা পাছ কৰি ডাক্তৰী পঢ়িবলৈ জলপানি পাইছে। সৰুৰেপৰা দুইটা একেলগে খেলি-ধুলি ডাঙৰ হৈছে, মই ক'লে এতিয়াই ৰাজী হ'ব।' দেউতাকে ক'লে যে— 'সিহঁত সমাজৰ বহুত তলত আছে। ডিঙিত লগুণ আৰিলেই কি বামুণ হয় নেকি? দেখিবলৈ ভাল হ'লেই দৰা হয় নেকি? এনেয়ে কি 'মাইকী মানুহৰ বুদ্ধি' বুলি কয় নেকি মানুহে।'

যিদিনা গহনা দি দৰা ঘৰৰ মানুহে কইনা চাই গ'ল, সেইদিনাৰ পৰা মঞ্জুলিকাৰ বুকু কঁপিবলৈ ধৰিলে। মাকে মঞ্জুলিকাৰ মনৰ কথা জানিছিল আৰু সেয়ে দুয়োগৰাকীৰ মনত বেদনাৰ বিদ্যুতে হনা-খোঁচা কৰি আছিল।

দেউতাকৰ মনত গৰ্ব, তেওঁ সুখে-দুখে ধৰ্মৰ পৰা ফালৰি কটা নাই, তেওঁৰ এনে দুৰ্বলতাও নাই। তেওঁৰ জীৱনৰ ৰথ এনেকৈয়ে চলি আছে— এক ইঞ্চিও লৰচৰ কৰাৰ উপায় নাই। তেওঁ ইমান কঠোৰভাবে ধৰ্ম পালন কৰে যে নিজকে অষ্টবক্ৰ, জমদগ্নি আদি ঋষিৰ লগতহে তুলনা কৰে। কিন্তু দুগৰাকী নাৰীৰ অন্তঃশীলা অশ্ৰু নদী

বোৱাই দিন পাৰ হৈছে। অৱশেষত ব'হাগৰ এদিন ৰাতি পঞ্চাননৰ লগত মঞ্জুলিকাৰ বিয়া হ'ল। বিদায় বেলাত দেউতাকে জীয়েকৰ মূৰত ধৰি সাবিত্ৰীৰ নিচিনা হ'বলৈ আশীৰ্বাদ দিলে।

কিন্তু কি আচৰিত, দেউতাকৰ সাধনাৰ বলতেই নেকি বিয়াৰ দুমাহ পিছতে দেউতাকৰ আশীৰ্বাদৰ প্ৰথমখিনি ফলিল। পঞ্চাননক যমে ধৰিলে। কিন্তু ছোৱালীৰ কপাল বেয়া বাবে যমে স্বামীক ওলোটাই নিদিলে। মঞ্জুলিকাই সেন্দূৰ মচি দেউতাকৰ ঘৰলৈ ঘূৰি আহিল। সুখ-দুখৰ মাজেদিয়েই সৰি পৰা ফুলৰ দৰে দিনবোৰ গৈ আছে। ইতিমধ্যে মঞ্জুলিকাৰ বয়স ষোল্ল হ'ল।

সেই শিশু কালতেই হৃদয় তৰুত এটি ফুলৰ কলি ফুলিছিল, প্ৰাণৰ গোপন স্থলত, এতিয়া সেই কলি ফুলি উঠিছে আৰু মৌ ৰসেৰে ভৰি পৰিছে। সেয়া হৈছে প্ৰেমৰ ফুল, তাই এতিয়া বুজি পাইছে। কিন্তু আকাশবাণী যেন শুনিবলৈ পাই যি বাণীয়ে মনলৈ কান্দোনেৰে ভৰা বেদনা দি থৈ যায়। বাহিৰত তাইৰ কোনো অলংকাৰ নাই, কিন্তু অন্তৰ ৰঙীন হৈ উঠিছে আৰু সেয়ে তাই খিৰিকীৰ কাষত নীৰৱে বাহিৰলৈ চাই থাকে। যি এদিন খেলাৰ সংগী আছিল, সেইজনেই আজি তাইৰ হৃদয় ভৰাই তুলিছে, তেওঁৰেই যেন পদধ্বনি শুনিবলৈ পাইছে— সেই প্ৰেমৰ করুণ বাণী মৌমাখিৰ পাখিৰ গুণগুণনিৰ দৰে তাইৰ কাণত ধ্বনিত হৈছে। জীয়েকৰ নীৰৱ মুখ দেখি মাকৰ বুকুত শেলে বিন্ধা দি বিন্ধে। মাকৰ খোৱা-বোৱাত অৰুচি হ'বলৈ ধৰিলে। ভগৱানক কান্দি কান্দি কয়— 'এই অভাগীক কিয় পেলাই ৰাখিছা?'

এদিন দেউতাকে দুপৰীয়া ভাত খাই উঠি গুড়গুড়িত ধপাত খাই ইংৰাজী উপন্যাস পঢ়ি আছিল। মাকে বিচনীৰে বিচি ভৰিত হাত বুলাই কৈছিল— 'যেয়ে নিন্দা কৰে কৰক, মই কিন্তু মঞ্জুলিকাক বিয়া দিম।' দেউতাকে কঠুৱা হাঁহি এটা মাৰি কৈছিল— 'মই মৰাৰ পিছত মাৰা-জীয়েৰাই একেলগতে বিয়াত বহিবা। সেইকেইটা দিন ধৈৰ্য ধৰি থাকা।' এইবুলি ধপাত খাবলৈ লাগিল। মাকে ক'লে— 'কি পাষাণপ্ৰাণ, স্নেহ-মমতা একোৰেই নাই।' দেউতাকে ক'লে— 'হয়েই পাষাণপ্ৰাণ, কাৰণ ধৰ্মৰ পথ বৰ কঠিন। মাখনৰ দৰে কোমল হ'লে, কেতিয়াবাই গলি গ'লোহেঁতেন।' মাকে ক'লে— 'এই ভোগৰ সংসাৰত সেই ছোৱালীজনীয়ে ব্ৰত-উপবাস খাটি খাটি মৰি যাব। তোমাৰ পুথিৰ শুকান পাতত ক'তো প্ৰাণ নাই। মৰম-চেনেহ ক'ত থাকে তোমাৰ, সেইটো অন্তৰ্য্যামী ভগৱানেহে জানে।' দেউতাকে হাঁহি ক'লে— 'মাইকী মানুহ তাপৰ ভাপেৰে



ভৰা বেলুন। জীৱন কঠিন সাধনাৰ বস্তু, সেই বিষয়ে সিহঁতৰ জ্ঞান নাই।'

দুখ-তাপত জ্বলি জ্বলি মাকে মৃত্যুক সাবটি ল'লে। সংসাৰত দেউতাক থাকিল। ডাঙৰ পুতেক পৰিয়াল লৈ পাটনাত থাকে। আৰু দুজনী ছোৱালী— কোনো ওচৰত নাথাকে, শহুৰৰ ঘৰত থাকে, এজনী ফৰিদপুৰত, এজনী মাদ্ৰাজত। সেয়ে মঞ্জুলিকাৰ ওপৰতে বাপেকক সেৱা কৰাৰ ভাৰ পৰিল। ৰান্ধনী ব্ৰাহ্মণৰ হাতে ভাত খাবলৈ দেউতাকে ঘিণ কৰে। দুপৰীয়া ভাত, ৰাতি লুচি-ভাতৰ লগতে মাছ আৰু পাঁচ-ছখন ভাজি-তৰকাৰী, লুচিৰ লগত পাঠাৰ মাংস। মঞ্জুলিকাই দেউতাকৰ এই ফৰ্দমতেই ৰন্ধা-বঢ়া কৰে। তাইৰ একাদশীৰ ব্ৰত থকাৰ দিনাও ৰন্ধাৰ তালিকা একেখনেই! দেউতাকৰ ঘৰ সৰা-মচাও তাই কৰে। গৰম কাপোৰ ৰ'দত দিয়ে, ধোবাৰ, গোৱালনীৰ, গেলামালৰ দোকানৰ হিচাপ ৰাখে। ঠিক ঠিক হিচাপ ৰাখিব নোৱাৰিলে দেউতাকৰ ধমক খায়। তথাপি মাকৰ নিচিনা ৰন্ধা-বঢ়া নহয় বুলি দেউতাকৰপৰা কথা শুনিব লাগে। মাকৰ লগত তুলনা কৰি দেউতাকে কয় আজিকালিৰ ছোৱালীবোৰ আগৰ ছোৱালীৰ নিচিনা নহয়। মঞ্জুলিকাই সকলো সহ্য কৰে, তাই বৰ শান্ত ছোৱালী। যেনেকৈ মাকে ল'ৰা-ছোৱালীৰ আব্দাৰ মাৰে, সেইদৰে তায়ো দেউতাকৰ আব্দাৰ মাৰে। মঞ্জুলিকাই দেউতাকে তাইক মাকৰ লগত তুলনা কৰিলে হাঁহে আৰু ভাবে মাকৰ স্মৃতি দেউতাকৰ বাবে কত মূল্যৱান! মাকৰ সেৱা-যত্ন দেউতাকে কেনেকৈ পাহৰিব!

সেইবাৰ ফাকুৱাৰ সময়ত দেউতাকক বাত বিষে ধৰিলে। সেই সময়ত পুলিনে চুবুৰিত ডাক্তৰী কৰি আছিল। পুলিনকে মাতিব লাগিল। লগতে হৃৎপিণ্ডৰো অসুখ হ'ল। গতিকে পুলিন ডাক্তৰ দিনটোত দুবাৰ-তিনিবাৰ আহিব লাগে। মঞ্জুলিকাই তাৰ লগত যিমানেই কথা পাতিব খোজে সিমানেই তাইৰ ডিঙি কঁপে, চকুৰ পটা মুদ খাই যায়। কথা পাতিলেই যেন কোনোবাই শুনিবলৈ পাব— এই ভয়তে কথা নাপাতে।

দেউতাকৰ অসুখ লাহে লাহে ভাল হৈ আহিল। এতিয়া অলপ খোজকাঢ়িব পৰা হৈছে। এনেতে এদিন সন্ধ্যাবেলা ৰোগী চোৱাৰ ছলেৰে মঞ্জুলিকাক অন্য এটি কোঠালিলৈ মাতি পুলিনে ক'লে— 'তোমাৰ মাৰ তোমাক মোৰ লগত বিয়া দিয়াৰ ইচ্ছা আছিল। তেওঁৰ সেই ইচ্ছা মই পূৰণ কৰিব খোজো। তুমি এনেকৈ আৰু দিন কটাব নালাগে।' মঞ্জুলিকাই 'নহয়, নহয়' বুলি মুখখন ঢাকি তাৰপৰা ওলাই গৈ নিজৰ ঘৰৰ মজিয়াত পৰি চকুপানী টুকি ভাবিলে— 'মোৰ মনৰ কথা তেওঁৰ চকুত ধৰা

পৰিল।' ইয়াৰ পিছত মঞ্জুলিকাই বাপেকৰ সেৱা-শুশ্ৰূষা দুগুণে কৰিবলৈ ধৰিলে। কৰা কামটোকে বাৰে বাৰে কৰে। এইদৰে কাম কৰি কৰি ৰাতি এঘাৰটাতহে শুবলৈ যায়। এইদৰে দেউতাকৰ সেৱা কৰা দেখি সকলোৱে তাইক 'ধন্য ছোৱালী' বুলি শলাগে। দেউতাকে শুনি কয় 'কাৰ ছোৱালী, সেইটো চাব লাগিব। তাই ব্ৰহ্মচৰ্য ব্ৰত মোৰ পৰাই শিকিছে। সংযমৰ কঠোৰ বন্ধন নহ'লে সমাজত শৃংখলা নাথাকে।'

পত্নীৰ মৃত্যুৰ এঘাৰ মাহৰ হোৱাৰ পিছত শুনা গ'ল ঘৰলৈ ঘটক অহা-যোৱা কৰিছে। মঞ্জুলিকাৰ প্ৰথমতে বিশ্বাস হোৱা নাছিল। পিছত যেতিয়া ঘৰলৈ বিলাতী আচবাব আহিল, দেউতাকৰ সাজ-সজ্জা সলনি হ'ল, কাপোৰত সুগন্ধি প্ৰসাধন সনাৰ কোব বাঢ়িল, চকুৰ চেলাউৰিবোৰ ক'লা হ'ল, চুলিবোৰ ৰঙচুৱা হ'ল, তেতিয়াহে মঞ্জুলিকাৰ কথাটো বিশ্বাস হ'ল।

বুকু ভঙা শোকত মঞ্জুলিকাৰ মাকৰ কথা মনত পৰিল। মৃত্যু হ'লেওতো মাকৰ স্মৃতি ঘৰৰ পৰা মচ খাই যোৱা নাই। কল্যাণময়ী মাতৃৰ সকলো বস্তুতে, সকলো কামতে পুণ্যৰ পৰশ যেন লাগি আছে। সেইবাবে তাই লাজ-ভয় সকলো কাটি কৰি থৈ দেউতাকক সুধিলে— 'আপুনি হেনো বিয়া কৰাবলৈ যাব? আমাৰ ল'ৰা-ছোৱালীৰ, নাতি-নাতিনীৰ শিৰ নত নহ'বনে? আপোনাৰ প্ৰাণ ইমান কঠিননে যে মাৰ কথা পাহৰি যাব?' শুকান হাঁহি মাৰি দেউতাকে ক'লে— 'মই কঠিন বুলি কোনে নাজানে? মোৰ কাৰণে বিয়া কৰোৱা এক কঠোৰ ধৰ্ম, কাৰণ পত্নী নাথাকিলে গৃহ ধৰ্ম পালন কৰা নহয়। মনুস্মৃতি, মহাভাৰত সকলোতে সেই কথা আছে। গৃহ ধৰ্ম হৃদয় দি কন্দা-কটা কৰা নহয়। যি দুখ ল'বলৈ ভয় কৰে বা দুখ দিবলৈ ভয় কৰে সেই কাপুৰুষ পৃথিৱীলৈ কিয় আহে?'

বাখৰগঞ্জত কইনাৰ ঘৰ। তালৈ বিয়াৰ কেইদিনমান আগতেই দৰা গ'ল। বিয়া কৰাই যেতিয়া কইনা লৈ ঘৰলৈ আহিল, তেতিয়া দেখে ঘৰত মঞ্জুলিকা নাই। দেউতাকলৈ লিখি থৈ যোৱা চিঠিত খবৰ পালে পুলিনে তাইক বিয়া কৰাই ফাৰাক্কাবাদলৈ লৈ গ'ল। সিহঁতে তাতেই সংসাৰ পাতিব। দেউতাকে খঙত জ্বলি-পকি বাৰে বাৰে তাইক অভিশাপ দিবলৈ ধৰিলে। ৮৮।



# ফাঁকি

বিনুৰ যেতিয়া তেইশ বছৰ বয়স হ'ল, তেতিয়াই তাইক বেমাৰে ধৰিলে। ঔষধ, ডাক্তৰৰ লগত ডেৰ বছৰে বহুত খৰচ হ'ল, বহুতো ঔষধৰ বটল জমা হ'ল। যেতিয়া খীণাই-শুকাই অস্থি চৰ্মসাৰ হ'ল, তেতিয়া ডাক্তৰে বায়ু পৰিৱৰ্তনৰ কাৰণে বাহিৰলৈ নিবলৈ ক'লে। এই সুযোগতে বিনু প্ৰথম ৰে'লগাড়ীত উঠিল আৰু শহুৰৰ ঘৰৰপৰা ওলাল।

যৌথ পৰিবাৰত মাজে মাজেহে আমাৰ দেখা-শুনা হয়। কেতিয়াবাহে অকণমান সময় হাঁহি-ধেমালি কৰি কথা পাতোঁ। এই সুযোগতে এইবাৰ ধৰিত্ৰীৰ আকাশৰ সকলো পোহৰেৰে বৰ বধূক বৰণ কৰি ল'লে। অসুস্থ মুখখনৰ ডাঙৰ ডাঙৰ চকু দুটাৰে এতিয়াহে যেন বিনুৰ নতুনকৈ 'শুভ দৃষ্টি' হ'ল। ৰে'ল লাইনৰ সিপাৰে যেতিয়া ভিক্ষাৰীবোৰে ভিক্ষা খোজে, বিনুৱে নিজৰ বাকচ খুলি যি টকাটো-সিকিটো পাই কাগজত মেৰিয়াই দলি মাৰি দিয়ে। পৃথিৱীৰ সকলোৰে দুখ দূৰ নহ'লে তাই ইমান আনন্দৰ ভাৰ ব'ব কেনেকৈ? তাই যেন দানেৰে বিশ্বৰ কল্যাণ সাধন কৰিব। ৰে'লগাড়ীত মই আৰু তেওঁ— শহুৰ, বৰজনা— কোনো যে সোঁৱে-বাঁৱে নাই, সেই কথাটোৱে তাইক বৰ পুলকিত কৰিলে।

বিলাসপুৰ ষ্টেচনত গাড়ী বদল কৰিব লাগিব। ছঘণ্টা যাত্ৰীশালাত থাকিব লাগিব। মই ভাবিলো এইটো বৰ অসুবিধাৰ কথা। বিনুৱে ক'লে ভালেইতো কথাটো। তাইৰ মনত কোনো কথাতে নিৰানন্দ নাই। এনেকৈ আহিবলৈ পাই তাই ইমান চঞ্চলা হৈছে যে এঠাইলৈ গৈ পোৱা আৰু গৈ থকাৰ আনন্দ তাইৰ বাবে একে হৈছে। যাত্ৰীশালাৰ দুৱাৰ খুলি তাই ক'লে— 'চোৱাচোন সৌৱা, এক্কাগাড়ী কেনেকৈ যায়। আৰু সেই শকত-আৱত গৰু পোৱালিটো দেখিছানে? মাকৰ পোৱালিটোলৈ কি স্নেহ!' য'ত পুখুৰীৰ ওখ পাৰ আছে, তাতে শিশু গছৰ তলত জেওৰাৰে আৱৰা সৰু

ঘৰটো দেখুৱাই কয়— 'সেই ঘৰটোত ষ্টেচনৰ বাবু থাকে নহয়নে? তাহাঁত কিমান সুখত থাকে।' যাত্ৰী ঘৰত বিছনাখন পাৰি বিনুক শুৱলৈ দি মই প্লেটফৰ্মত চেয়াৰ এখন পাৰি ইংৰাজী ন'ভেল এখন পঢ়িবলৈ ল'লোঁ। তিনি ঘণ্টামান পাৰ হৈ গ'ল, কত মালগাড়ী, পেছেঞ্জাৰ গাড়ী পাৰ হৈ গ'ল— তাৰ সংখ্যা গণা নহ'ল। এনে সময়তে বিনুৱে যাত্ৰী ঘৰৰ দুৱাৰমুখৰপৰা মোক মাতিলে— 'কথা এটা আছে।'

কোঠালিটোত সোমাই দেখিলোঁ এজনী হিন্দীভাষী ছোৱালী মোৰ মুখলৈ চাই বহি আছে। মোক নমস্কাৰ কৰি বাৰাণ্ডালৈ ওলাই গৈ খুঁটাত ধৰি আছে। বিনুৱে ক'লে— 'সেই ছোৱালীজনীৰ নাম ৰুক্মিণী। সেই কুঁৱাৰ কাষৰ সৰু ঘৰবোৰৰ এটাত থাকে, তাইৰ স্বামী ৰে'লৰ কুলি। তেৰশ (বাংলা)ৰ কোনোবা এটা চনত দেশত আকাল হওঁতে জমিদাৰৰ অত্যাচাৰত সিহঁত পলাই আহিছিল, সিহঁতৰ সাত বিঘা মাটি আছিল কোনোবা গাঁৱত....।' মই হাঁহি ক'লোঁ— 'ৰুক্মিণীৰ জীৱন চৰিত শুনোতে গাড়ী আহি যাব, যদি কথাখিনি সংক্ষেপে কোৱা ভাল হয়।' নাই সংক্ষেপে নকয়— 'ইয়াত অফিচ যোৱাৰ লৰালৰিতো নাই।' সেয়ে ৰে'লৰ কুলিৰ বিস্তাৰিত জীৱন কাহিনী শুনি গ'লোঁ। আচল কথাটো শেষত আছিল— ৰে'লৰ কুলি ছোৱালীজনীৰ এতিয়াহে বিয়া হ'ব, গতিকে তাইৰ বিয়াৰ বাবে পৈঁচে, বাজুবন্ধ, তাবিজ (হিন্দুস্তানী গহনা) গঢ়াই দিব লাগে। বহুত টানিটুনি অন্ততঃ পঁচিশ টকা ৰুক্মিণীক লাগে। সেই ভাৰটো মোৰ মূৰৰ ওপৰতে পৰিল। গতিকে গাড়ী এৰাৰ আগতে তাইক পঁচিশ টকা দিবই লাগিব।

'কি আশ্চৰ্য কাণ্ড! এনেকুৱা কথা কোনে ক'ত শুনিছে! জাতত জমাদাৰ বা তাতকৈ কিবা ওপৰ হ'ব পাৰে, যাত্ৰীৰ ঘৰ সৰা-মচা কৰে— তাইক পঁচিশ টকা দিবই লাগিব। এনেকুৱা হ'লে দেউলীয়া হ'বলৈ বেছি দিন নালাগিব।'

'বাৰু বাৰু, মোৰ হাতত আছে নেকি চাওঁ। এশ টকাৰ এখন নোট আছে। ভঙনি নাই।' বিনুৱে ক'লে— 'ষ্টেচনত ভঙাই ল'লেই হ'ব।' মই ক'লোঁ— 'বাৰু দিম।'

এইবুলি ছোৱালীজনীক বাহিৰলৈ মাতি আনি ভালকৈ কথা শুনাই দিলোঁ— 'তোৰ চাকৰি কেনেকৈ থাকে দেখিম মই, পেছেঞ্জাৰক ঠগাৰ তই, তোৰ এই বদমাছি বুদ্ধিৰ অন্ত কৰিম।' তাই যেতিয়া মোৰ ভৰিত পৰি কান্দিবলৈ ধৰিলে, তেতিয়া তাইক দুটকা দি বিদায় দিলোঁ।

মোৰ জীৱন দেউল আন্ধাৰ কৰি বন্তি নুমাই গ'ল। দুমাহৰ পিছত শূন্য জীৱন ওলোটাই লৈ মই বিলাসপুৰ ষ্টেচনত অকলেই নামিলোঁ। শেষ সময়ত বিনুৱে মোৰ



পদধূলি লৈ কৈছিল— 'এই জীৱনৰ আন কথা পাহৰি গ'লেও শেষৰ দুটা মাহ অনন্ত কাল মোৰ মূৰৰ ওপৰত থাকিব, বৈকুণ্ঠৰ নাৰায়ণীৰ শিৰৰ সেন্দুৰৰ দৰে। এই দুটা মাহ তুমি মোক অমৃতেৰে ভৰাই দিলা, তাকে স্মৰণ কৰি মই বিদায় ল'লোঁ।'

হে অন্তৰ্যামী, বিনুক মই জনাব খোজো যে সেই দুমাহৰ অৰ্ঘ্যত মই তেওঁক যি দিলো তাত পঁচিশ টকাৰ ফাঁকি থাকি গ'ল। এতিয়া ৰুক্মিণীক এক লাখ টকা দিলেও মোৰ সেই শূন্য পূৰ নহ'ব। বিনুৱে যি দুমাহৰ স্মৃতি লৈ গৈছে, মই যে সেই অৰ্ঘ্য সেই ফাঁকিৰেই তেওঁৰ হাতত দিলোঁ তেওঁতো নাজানিলে।

বিলাসপুৰ ষ্টেচনত নামি মই সকলোকে সুধিলোঁ— ৰুক্মিণী ক'ত আছে? প্ৰশ্ন শুনি সকলো আচৰিত হ'ল। ৰুক্মিণীক কোনেইবা জানে! বহুত ভাবি ক'লোঁ— 'ঝামৰু কুলিৰ ঘৈণীয়েক।' সেইটো কোৱাৰ লগে লগে সকলোৱে ক'লে— 'ইয়াত সিহঁত নাথাকে এতিয়া।' মই ষ্টেচনৰ বৰবাবুক সুধিলোঁ— 'তাহাঁতক ক'ত পাম?' বৰবাবুৱে খঙেৰে উত্তৰ দিলে— 'সেই খবৰ কোনে ৰাখিছে?' টিকট বাবুৱে ক'লে— 'তাহাঁত এমাহ আগতে দাৰ্জিলিং, খচৰুবাগ নাইবা আৰকানলৈ গুচি গৈছে।' ঠিকনা সুধিলত ক'লে— 'তাৰ ঠিকনা কাৰ কি কামত আহিব?'

মই মানুহবোৰক কেনেকৈ বুজাওঁ সেই তুচ্ছ মানুহহালৰ মোৰ বৰ প্ৰয়োজন। মূৰৰ পৰা মোৰ ফাঁকিৰ বোজা নমাবলৈ সেইহাল মানুহেই আছে। 'এই দুটা মাহ অমৃতেৰে ভৰাই দিলা'— বিনুৰ মুখৰ এই শেষ কথাষাৰৰ ভাৰ মই বৈ ফুৰিব লাগিব গোটেই জীৱন। মই তাৰ বাবে দায়ী হৈ ৰ'লোঁ, ফাকি মোৰ চিৰস্থায়ী হ'ল। ▸▸|

# পুৰণা লগুৱা

## (পুৰাতন ভৃত্য)

ভূতৰ নিচিনা চেহেৰা, বুদ্ধিহীন, নিৰ্বোধ। ঘৰৰ যিমান বস্তু হেৰায়, গৃহিণীয়ে কয় কেষ্ট (কৃষ্ণ) বদমাছটোৱেই চোৰ। উঠোতে-বহোতে ইমান গালি খাই তথাপি শুনিও নুশুনাৰ ভাও জোৰে। যিমান বেত খাই সিমান বেতন নাপায়— তথাপিও তাৰ অসন্তোষ নাই। যেতিয়া তাৰ প্ৰয়োজন হয় মই প্ৰাণপণে চিঞৰি মাতো, কিন্তু তাৰ কোনো সাৰ-সুৰ নাই, গোটেই ঘৰ বিচাৰি ফুৰিলেও তাক পোৱা নাযায়। কাম কৰিবলৈ তিনিটা বস্তু দিলে এটা বস্তু থাকে বাকীকেইটা ক'ত পেলালে নাজানে, এটা দিলে তাক ভাঙি-ছিঙি তিনিটা কৰি আনে। যেতিয়াই-তেতিয়াই দুপৰীয়া-আবেলি টোপনিওৱাৰ অভ্যাস আছে। চিঞৰি-বাখৰি 'বদমাছ, হতভগীয়া, গাধা' বুলিলেও কোনো ভ্ৰূ-ভংগী নাই, দুৱাৰৰ কাষত থিয় হৈ হাঁহে, দেখিলে মোৰ পিত্ত জ্বলি যায়। কিন্তু তাৰ মায়া এৰিব নোৱাৰি, কাৰণ সি বহুদিনৰ পুৰণি লগুৱা। গৃহকৰ্ত্তীয়ে মাজে মাজে ৰুক্ষ মূৰ্তি ধৰি কয়— 'মই আৰু ইয়াক লৈ নোৱাৰোঁ। তোমাৰ ঘৰ-দুৱাৰ থাকিল, তুমি কেষ্টক লৈয়ে থাকা। শাসন নামানে। কাপোৰ-কানি, বাচন, আসন, ক'ৰ বস্তু ক'লৈ গ'ল— কেৱল টকা পানীৰ নিচিনাকৈ খৰচ হৈছে। বজাৰলৈ গ'লে গোটেই দিনটো তাৰ পাত্তা পোৱা নাযায়। অলপ চেষ্টা কৰিলে কেষ্টতকৈ ভাল লগুৱা পোৱা নাযায় নেকি?'

এই কথা শুনি মই তাক চুলিত ধৰি টানি আনি ক'লোঁ— 'বদমাছ, তই আজিয়েই ওলাই যা— তোক ঘৰৰ পৰা বাহিৰ কৰি দিলোঁ।' সমুখৰপৰা গুচি যোৱা দেখি ভাবিলোঁ আপদ বিদায় হ'ল চাগৈ। পিছদিনা ৰাতিপুৱা শুই উঠি দেখো বুদ্ধিৰ ঢেঁকীয়ে কোনো দুখ নোহোৱাকৈ প্ৰসন্ন চিত্তে মোক হোকাটো আগবঢ়াই দিছে। তাক এৰিলেও সি নেৰে, তাক লৈ যে কি কৰিম! সি যে মোৰ পুৰণি লগুৱা।



সেই বছৰ দালালগিৰি কৰি কিছু টকা পাই ভাবিলোঁ বৃন্দাবনৰপৰা এবাৰ ফুৰি আহিম। কিন্তু পৰিবাৰো ওলাল। তেওঁক বুজালোঁ— 'পতিৰ পুণ্যই সতীৰ পুণ্য। তুমি গ'লে খৰচ বাঢ়িব।' কান্দি কান্দি টোপোলা-টুপলি বান্ধি তেওঁ ক'লে— 'পৰদেশলৈ অকল কেষ্টক লৈ গ'লে বৰ কষ্ট পাবা।' মই ক'লোঁ— 'বন্ধু নিবাৰণ লগত যাব।'

ৰে'লগাড়ীৰ যাত্ৰা আৰম্ভ হ'ল। বৰ্ধমানত নামি দেখিলোঁ কৃষ্ণকান্তই (কেষ্টই) অতি প্ৰশান্ত চিত্তে ধপাত সজাই আনিছে। তাৰ আৰু শুশ্ৰূষা কিমান ল'ম? যিমানেই দোষ দিওঁ তাক, তথাপিও তাক দেখি আনন্দিত হওঁ, সি যে মোৰ পুৰণি লগুৱা।

বৃন্দাবনত (শ্ৰীধাম) নমাৰ পাছত সোঁৱে-বাঁৱে-পিছফালে পাণ্ডা লাগি প্ৰাণ ওষ্ঠাগত কৰি তুলিলে। সেইবাবে আমি ছয়-সাতজন বন্ধু মিলি ঘৰ ভাড়া কৰি থাকিলোঁ। ভাবিলোঁ— এইদৰে থাকিলে আৰামত থকা যাব। কিন্তু ক'ত ব্ৰজবালা, ক'ত বনমালা, ক'ত বনমালী হৰি, ক'ত চিৰ বসন্ত! মোৰ বসন্ত বেমাৰহে হ'ল। বন্ধুসকলে ভয়তে ঘৰ এৰি দিলে। মই অকলশৰীয়া হৈ ব্যাধিৰ যাতনাত কাতৰ হৈ পৰিলোঁ। গোটেই গাতে বসন্ত ওলাল। দিন-ৰাতিয়ে করুণ-ক্ষীণ কণ্ঠে কেষ্টক মাতো— 'আহ অ' কেষ্ট, মোৰ ওচৰলৈ আহ। পৰদেশত আহি মোৰ প্ৰাণ যায় যায় লাগিছে।' তাৰ মুখখন দেখিলেই মোৰ বুকুলৈ সাহ আহে; সিয়েই যেন মোৰ সকলো সম্পদ। দিনে-ৰাতিয়ে সিয়েই মোৰ মূৰ শিতানত বহি সেৱা-শুশ্ৰূষা কৰিছে— সি যে মোৰ পুৰণি লগুৱা।

সি শুকান মুখত পানী দিয়ে, ভাল পাইছোঁনে নাই সোধে, মোৰ মূৰ টিপি দিয়ে, মোৰ ওচৰত নীৰৱে বৈ থাকে, শুবলৈ নাযায়, ভাত খাবলৈ নাযায়। বাৰে বাৰে কয়— 'দেউতা, তোমাৰ কোনো ভয় নাই, ভাল হ'লেই ঘৰলৈ ঘূৰি যাম, আইক আকৌ দেখিবলৈ পাবা।' মোৰ ৰোগ উপশম ঘটাৰ পাছতে তাক জ্বৰে পালে। মোৰ কাল ব্যাধিৰ সি যেন ভাৰ ল'লে। চেতনাহীন হৈ দুদিন পাৰ হ'ল, তাৰপাছত নাড়ী বন্ধ হ'ল। ইমানবাৰ তাক ঘৰ এৰি যাবলৈ কৈছিলোঁ, এতিয়াহে সি মোক এৰি থৈ গ'ল। বহুত দিনৰ পিছত তীৰ্থ কৰি ঘৰলৈ উলটি আহিলোঁ। আজি মোৰ লগত চিৰদিনৰ লগৰীয়া পুৰণি লগুৱাটো নাই।▸▸

# দুবিঘা মাটি

**মোৰ** দুবিঘা মাটি আছিল, বাকী সকলোবোৰ ধাৰ শোধোতে গ'ল। জমিদাৰ বাবুৱে ক'লে— 'বুজিছ উপেন, তোৰ এই মাটিখিনি মই কিনি ল'ম।' মই ক'লোঁ— 'আপুনি ভু-স্বামী, আপোনাৰ মাটিৰ অন্ত নাই। চাওকচোন, মোৰ মাত্ৰ মৰিবৰ ঠাইকণহে আছে।' জমিদাৰে ক'লে— 'জানতো মই বাগান এখন কৰিছোঁ, এই দুবিঘা মাটি পালে বাগানখন দীঘে-বহলে সমান হ'ব।' মই হাতযোৰ কৰি ক'লোঁ— 'মোৰ দীন-দৰিদ্ৰৰ ঘৰৰ ভেটিটো ৰক্ষা কৰিবলৈ দিয়ক, নল'ব। মোৰ সাতপুৰুষ যি মাটিত থাকি গ'ল, দাৰিদ্ৰ্যৰ কাৰণে সেই মাটি বেচিম, এনে লক্ষ্মীহীন হ'মনে মই!' চকু ৰঙা কৰি কিছু সময় মনে মনে বহি থাকি এটা ক্ৰুৰ হাঁহি মাৰি ক'লে— 'পিছত বাৰু সেইটো দেখা যাব।'

ডেৰ মাহমান পিছত ভেটি মাটি এৰি পথলৈ বাহিৰ হৈ আহিলোঁ। মিছা ঋণৰ খত লিখাই লৈ ডিক্ৰি কৰি মাটিখিনি বিক্ৰী কৰালে। এই জগতত যাৰ বেছি আছে সিয়েই বেছিকৈ বিচাৰে। ৰজাই এইদৰে কঙালৰ বস্তু চুৰ কৰে। মই ভাবিলোঁ মোক ভগৱানে মায়া-মোহত পেলাই নথয়। সেয়ে এই বিশ্ব জগতখনকে মোক লিখি দিলে। মই সাধুৰ শিষ্য হৈ সন্ন্যাসীৰূপে দেশে দেশে ঘূৰি ফুৰিলোঁ। কত নগৰ-সাগৰ, বন-বননি ফুৰিলোঁ, কিন্তু সেই দুবিঘা মাটি হেৰোৱাৰ দুখ পাহৰিব পৰা নাই। এইদৰে ঘূৰি ফুৰা প্ৰায় যোল্ল বছৰ হৈ গ'ল। ঘৰলৈ উলটি যাবলৈ বৰ মন গ'ল।

অন্তৰেৰে জন্মভূমিক ভাল পাইছিলোঁ। জন্মভূমি বংগ দেশৰ গংগাৰ পাৰৰ স্নিগ্ধ সমীৰ, বহল পথাৰ, নিবিড় শান্তিৰ নীড় সৰু সৰু গাঁওবোৰ, ঘন পল্লৱেৰে আমৰ বাগিচাবোৰলৈ মনত পৰিছিল। বংগৰ গ্ৰামবধূসকলে কাষত কলহ লৈ পানী আনিবলৈ যোৱা দৃশ্য মনত পৰি চকুলৈ মোৰ পানী আহিছিল। কুমাৰৰ ঘৰ, ৰথতলা, নন্দীৰ গোলা, মন্দিৰৰ কাষেহি আহি মোৰ ঘৰ থকা বাৰীখন পালোঁ। মোৰ মাটিখিনি দেখি



মোৰ বুকু দুখে তোলপাৰ কৰি উঠিল। মোৰ দুখীয়া মাটিখিনিয়ে আজি বিলাসী ৰূপ ধৰিছে। ৰঙীন পাতাবাহাৰ, বিবিধ ৰঙীন ফুলেৰে সুসজ্জিতা হৈছে। এসময়ত শাক-পাতৰ খেতি কৰা মাটিৰ কি ৰূপ! যাৰ কাৰণে মই গৃহহাৰা হ'লোঁ। কোনো ঠাইতে আগৰ চিন নাই। মই মাটিক সম্বোধন কৰি ক'লোঁ— 'তুমি এদিন মোৰ কল্যাণময়ী আই আছিলা, আজি তুমি ধনীৰ দাসী হ'লা।' মই মোৰ বিদীৰ্ণ হিয়া লৈ চাৰিওফালে ঘূৰি-পকি চাবলৈ ধৰিলোঁ। প্ৰাচীৰৰ কাষত এতিয়াও মোৰ আম গছজোপা আছে। তাৰ তলত বহি মোৰ বেজাৰ নাইকিয়া হ'ল। এটা এটাকৈ সৰু কালৰ কথা মনত পৰিবলৈ ধৰিলে। জেঠ মাহৰ ধুমুহাত ৰাতি টোপনি নাহে। কাৰণ বতাহত সৰি পৰা আম বুটলিব লাগে। দুপৰীয়া পাঠশালাৰপৰা পলাই আম বোটলাৰ কথা মনত পৰিল। সেই জীৱন জানো আৰু কেতিয়াবা পাম!

হঠাৎ বতাহ বলি আম গছজোপা লৰাই দিলে। দুটা পকা আম মোৰ কোঁচত পৰিল। মোৰ গছজোপাৰ স্নেহৰ দান বুলি মূৰত লগালোঁ। সেই সময়তে যমদূতৰ দৰে মালী আহি সপ্তম সুৰত গালি পাৰিবলৈ ধৰিলে। মই ক'লোঁ— 'মইতো নীৰৱেই সকলো দিলোঁ, দুটা ফল পাওঁতেই ইমান চিঞৰ-বাখৰ কৰি গালি পাৰিব লাগেনে?' মোক সি চিনি নাপালে, কান্ধত লাঠী লৈ মোক ধৰি লৈ গ'ল জমিদাৰ বাবুৰ ওচৰলৈ। জমিদাৰ বাবুৱে সেই সময়ত বন্ধুবৰ্গৰ লগত বৰশীৰে মাছ ধৰি আছিল। মালীৰ মুখে বিৱৰণ শুনি ক'লে— 'তোক মাৰি পেলাম।' বাবুৱে যিমান কয়, তেওঁৰ পাৰিষদবৰ্গই তাৰ এশ গুণ গালি পাৰে। মই ক'লোঁ— 'কেৱল দুটা আম ভিক্ষা মাগিছোঁ, মহাশয়।' জমিদাৰ বাবুৱে ক'লে— 'সাধুৰ বেশত এইটো এটা পকা চোৰ।' মোৰ শুনি চকুৰ পানী বৈ গ'ল। ভাবিলোঁ, মোৰ ভাগ্যত এয়ে আছিলনে? তেওঁ মহাৰাজ, আজি সাধু হ'ল আৰু আজি মই চোৰ হ'লোঁ। ▸▸

# পণ ৰক্ষা

ৰাজস্থানৰ মাড়োৱাৰ ৰাজ্যৰ আজমীৰ গড়ৰ দুৰ্গাধিপতি দুমৰাজে মাৰাঠা সৈন্য দেখি হুংকাৰ দিলে— 'মাৰাঠা দস্যু আহি আছে, সকলোৱে ৰণ সাজে সজ্জিত হোৱা।' দুপৰীয়া সকলোৱে জোৱাৰৰ ৰুটী সেকিছিল। দুৰ্গৰ তোৰণৰ সমুখত ৰণবাদ্য বাজি উঠাৰ লগে লগে সকলো সৈন্য বাহিৰলৈ লৰৰি ওলাই আহিল। তেওঁলোকে দক্ষিণৰ বহু দূৰত দেখিলে আকাশজুৰি ধূলা উৰুৱাই মাৰাঠা সৈন্য অশ্বচালনা কৰি আহি আছে। দুৰ্গাধিপতি দুমৰাজ গৰ্জি উঠিল— 'মাৰাঠা সৈন্যৰ দল তৰোৱাল লৈ যুদ্ধত জাঁপ দিয়াৰ পিছত যেন কোনো ঘূৰি যাব নোৱাৰে।'

কিন্তু মাড়োৱাৰৰ ৰাজদূত আহি জনালেহি বৃথাই এই ৰণ সাজত সজ্জিত হ'বলৈ আদেশ দিয়া হৈছে। ৰজাই এই আদেশ-পত্ৰ পঠাইছে দুৰ্গাধিপতি দুমৰাজলৈ। যিহেতু মাড়োৱাৰৰাজ বিজয় সিংহৰ বিজয়লক্ষ্মী আজি তেওঁৰ প্ৰতি বিমুখ হৈছে, সিন্ধিয়াইঁতে বিদেশী সেনাপতি লৈ আহিছে, গতিকে বিনাযুদ্ধেই আজমীৰ গড় দুৰ্গ মাৰাঠাক দি দিয়া হওক। 'প্ৰভুৰ আদেশে বীৰৰ ধৰ্মৰ বিৰোধিতা কৰিছে'— হুমুনিয়াহ কাঢ়ি কাতৰ কণ্ঠে দুৰ্গাধ্যক্ষ দুমৰাজে ক'লে।

মাড়োৱাৰৰ দূতে ঘোষণা কৰিলে— 'তোমালোকে ৰণ সাজ এৰা।' দুৰ্গাধিপতি দুমৰাজে যেন শিলৰ মূৰ্তিৰহে ৰূপ ধৰিলে। দুপৰীয়া পাৰ হৈ সন্ধ্যা আহিবৰ হ'ল। ধু ধু পথাৰত গৰুবোৰ চৰি আছিল। গৰখীয়াবোৰে করুণ সুৰে বাঁহী বজাই আছিল। সেই করুণ সুৰ দুমৰাজৰ মনতো প্ৰতিধ্বনিত হৈছিল। তেওঁ ভাবিলে আজমীৰ গড় ৰজাই যেতিয়া তেওঁক দিছিল, তেতিয়া তেওঁ পণ কৰিছিল যে প্ৰভুৰ দুৰ্গ শত্ৰুৰ হাতত জীৱন থাকে মানে এৰি নিদিয়ে। আজি প্ৰভুৰ আদেশতে সেই পণ ভাঙিবলগা হ'ল।

ৰাজপুত সৈন্যসকলে খং আৰু লাজত সমৰসজ্জা ত্যাগ কৰিলে আৰু দুৰ্গাধিপতি দুমৰাজ তোৰণৰ সমুখত নীৰৱে থিয় হৈ থাকিল। পশ্চিমফালে



গেৰুৱাৰঙী সন্ধ্যা আহিল। মাৰাঠা সৈন্য ধূলি উৰুৱাই আহি দুৰ্গৰ দুৱাৰমুখ পালেহি। সেনাপতিয়ে খঙেৰে ক'লে— 'দুৱাৰমুখত সেইজন কোন শুই আছে? উঠা, উঠা, দুৰ্গৰ দুৱাৰ খোলা।' কোনেও নুশুনে। প্ৰাণহীন দেহ পৰি আছিল, দেহত কোনো সাৰ-সুৰ নাই। প্ৰভুৰ কৰ্মৰ বিৰোধিতা কৰিবলৈ দুৰ্গাধিপতি দুমৰাজে দুৰ্গৰ দুৱাৰমুখত প্ৰাণত্যাগ কৰিলে।৮৮।

# হোৰি (হোলি) খেলা

## স্থান ঃ ৰাজস্থান

কেতুনপুৰৰ ভূনাগ ৰজাৰ ৰাণীয়ে পাঠান কেসৰ খাঁলৈ চিঠি পঠালে। 'তোমাৰ যুদ্ধ কৰি আশা পূৰ্ণ হৈছেনে? বসন্ত ঋতু পাৰ হ'বৰ হ'ল। তোমাৰ পাঠান সৈন্য লৈ আহা, আমি ৰাজপুত নাৰীয়ে তোমালোকৰ লগত হোলি খেলিম।' যুদ্ধত হাৰি কোটা চহৰ পাঠানক এৰি দি কেতুনপুৰৰপৰা ৰাণীয়ে চিঠি দিলে।

পত্ৰ পঢ়ি কেসৰ খাঁই মনৰ আনন্দত হাঁহি উঠিল আৰু গোঁফত তাও দিলে। মূৰত ৰঙীন পাগুৰি মাৰি, চকুত চুৰ্মা আঁকি, হাতত সুগন্ধ সনা ৰুমাল লৈ কেসৰ খাঁ আৰু তেওঁৰ দল কেতুনপুৰলৈ মনৰ আনন্দত যাত্ৰা কৰিলে। ফাগুন মাহৰ দখিনা পৱনে বকুল বন মাতাল কৰি তুলিছে। আমৰ ডালত মুকুলে ভুমুকি মাৰিছে। ভোমোৰাবিলাকে গুণগুণাই উৰি ফুৰিছে। কেতুনপুৰলৈ এনে দিনতে পাঠান সেনা দলে দলে হোলি খেলিবলৈ আহিছে।

কেতনপুৰৰ ৰজাৰ বাগিচাত অস্তগামী সূৰ্যৰ জিকমিক পোহৰত পাঠান সৈন্য আহি পোৱাৰ লগে লগে মুলতান ৰাগত বাঁহী বাজি উঠিল। হোলি খেলিবলৈ এশগৰাকী ৰাণীৰ দাসী আহি ওলাল। অস্তগামী সূৰ্যই তেতিয়া তেজৰ দৰে ৰঙা বোল সানিছে। ভৰিয়ে ভৰিয়ে ঘাগৰাবোৰ নৃত্যৰ তালত দুলি উঠিছে; ওড়নাবোৰ দখিনা বতাহত উৰিছে। সিহঁতৰ সোঁহাতত ফাকুৰ থাল, কমৰবন্ধত ফিচকাৰী ওলমি আছে, বাঁওহাতত গোলাপ জলৰ জাৰি লৈ ৰাজপুতানী দাসীসকল আহিছে।

চকুত চতুৰ হাঁহিৰ বোল সানি কেসৰ খাই ক'লে— 'বহুত যুদ্ধ কৰি বাচি আহিছোঁ, আজি কিন্তু জানে-প্ৰাণে মৰিম যেন পাইছোঁ।' এই কথা শুনি ৰাণীৰ সহচৰীসকলে খিলখিলাই হাঁহি উঠিল। ৰঙা পাগুৰিৰে শিৰ নত কৰি কেসৰ খাঁই চালাম জনালে।



হোলি খেলা আৰম্ভ হ'ল। সন্ধ্যা আকাশত ফাকু উৰিছে। বকুল ফুলবোৰ ৰঙা হৈ পৰিল। গছৰ তলত ৰঙা ৰেণু সৰিবলৈ ধৰিলে। ভয়ত চৰাইবোৰে গান গাবলৈ পাহৰি গ'ল। ৰাজপুতানীৰ হোলি খেলাৰ কোবত কুঁৱলীও ৰঙা হৈ পৰিল। কেসৰ খাঁই কিন্তু মনে মনে ভাবিছে এনে নৃত্য দেখিও কিয় বুকু দুলি উঠা নাই! ইমানবোৰ নাৰীৰ ভৰিৰ নেপূৰবোৰ যেন বেসুৰা তালত ঝনঝনাই আছে, হাতৰ কংকনবোৰো বেসুৰা সুৰত বাজি আছে। চকুত কিয় নিচা লগা নাই?

পাঠানবোৰে ক'বলৈ ধৰিলে ৰাজপুতানীহঁতৰ দেহত কোনো কোমলতা নাই, বাহু দুটাও মৃণালৰ নিচিনা সুদৃশ্য নহয়। বজ্ৰৰ নিচিনা ৰুক্ষ কণ্ঠস্বৰ শুনি লাজহে লাগে। সিহঁত যেন মঞ্জৰীহীন মৰুভূমিৰ লতাহে। সিহঁতৰ দেহ-মন ক'তো কোমলতা নাই।

হঠাৎ ইমন আৰু ভূপালি ৰাগত দ্ৰুত তালত বাঁহী বাজি উঠিল। কাণত মুক্তাৰ কুণ্ডল, হাতত শকত সোণৰ বালা পিন্ধি দাসীৰ হাতত ফাকুৰ থাল দি ৰাণী বাগিচালৈ আহিল। কেসৰ খাঁই ক'লে— 'তোমাৰ পথ চাই চাই মোৰ চকু দুটা প্ৰায় কণা হোৱাৰ নিচিনা হৈছেগৈ।' ৰাণীয়ে ক'লে— 'মোৰো সেই একে দশাই হৈছে।' কথা শুনি এশ দাসীয়ে হাঁহিবলৈ ধৰিলে। হঠাৎ পাঠানৰাজৰ কপাল লক্ষ্য কৰি ৰাণীয়ে কাঁহৰ থালখন মাৰি পঠিয়ালে। খৰস্ৰোতে তেজৰ ধাৰা ব'বলৈ ধৰিলে— পাঠানপতিৰ সঁচাকৈয়ে চকু কণা হৈ গ'ল। বিনা মেঘে বজ্ৰপাত হোৱাৰ দৰে ৰণ দুন্দুভি বাজি উঠিল। জোনাক ৰাতি জোন চমক খাই উঠিল। দুৱাৰমুখত সানাইত কানাড়া ৰাগ বাজি উঠিল। কুঞ্জ বনৰ গছৰ তলত যুদ্ধৰ বাজানাও বাজিবলৈ ধৰিলে। বতাহে আহি দাসীসকলৰ ওড়না উৰুৱাই নিলে, ঘাগৰাবোৰো খুলি পৰিল— কোনোবাই যেন কিবা মন্ত্ৰ পঢ়ি দিলে— নাৰী সাজ-পোছাক এৰি এশ বীৰে পাঠান সৈন্য দলক ঘেৰি ধৰিলে যেন এশ ফুলৰ পৰা এশডাল বিষাক্ত সাপহে ওলাই আহিল। যি পথেৰে পাঠান সৈন্য দল আহিছিল, সেই পথেৰে পাঠান ঘূৰি যাব নোৱাৰিলে। ফাগুন ৰাতি কুঞ্জবনত কুলি চৰায়ে বিৰামহীনভাবে কুউ-কুউ ৰাগিনী তুলিলে, কেতুনপুৰৰ বকুলবনত কেসৰ খাঁৰ হোলি খেলা শেষ হ'ল। পাঠান সৈন্য দল অহা বাটেৰে উলটি যাব নোৱাৰিলে।।

# পৰিশোধ

## (জাতক ঃ মহকাস্তুবদান)

'ৰাজকোষৰপৰা চুৰ হৈছে, চোৰ ধৰি আন। নহ'লে নগৰপালৰ ৰক্ষা নহ'ব। দেহৰ ওপৰত মূৰ নাথাকিব।' ৰাজ আদেশত ৰক্ষী দলে পথে পথে, ঘৰে ঘৰে চোৰ বিচাৰি ফুৰিছে। নগৰৰ বাহিৰত এটা ভগ্না মন্দিৰত বজ্ৰসেন নামৰ এজন তক্ষশীলাবাসী বিদেশী পথিক শুই আছিল। ঘোঁৰা বেচিবৰ বাবে কাশীলৈ আহিছিল। ডকাইতে সকলো কাঢ়ি নিয়াত নিঃস্ব পথিকজন নিজ দেশলৈ যাবলৈ আহি ভগ্না মন্দিৰত শুই কিছু জিৰাইছিল। তেওঁকেই চোৰ বুলি ভাবি নগৰৰক্ষীয়ে শিকলিৰে হাত-ভৰি বান্ধি বন্দীশাললৈ লৈ গৈ আছিল।

সেই সময়ত শ্যামা নামৰ নগৰৰ প্ৰধান সুন্দৰীয়ে খিৰিকীৰ কাষত বহি পথলৈ চাই চাই সময় কটাইছিল। সেই সময়ত 'মহেন্দ্ৰ নিন্দিত কান্তি'ৰ (ইন্দ্ৰতকৈও সুন্দৰ) তৰুণজনক দেখি শিয়ৰি উঠিল। নিশ্চয় এই সুন্দৰ তৰুণজনক চোৰ বুলি ধৰি আনিছে। লিগিৰী এজনীক ৰক্ষী দলৰ ওচৰলৈ পঠাই কৈ পঠালে যে— 'নগৰপালক মোৰ নাম ধৰি ক'বি— বন্দীজনক লগত লৈ যেন তেওঁ শ্যামাৰ ঘৰলৈ আহে।' সুন্দৰী শ্যামাই মাতিছে বুলি শুনি নগৰপাল ৰোমাঞ্চিত হ'ল। বন্দী বজ্ৰসেনক লৈ তেওঁ শ্যামাৰ ঘৰলৈ গ'ল। নগৰৰক্ষকে হাঁহি মাৰি ক'লে— 'কিয় অসময়ত মোক মাতিলা? মই ৰাজকাৰ্যত গৈ আছিলোঁ। মোৰ প্ৰতি কি অনুমতি তোমাৰ সোনকালে কোৱা।' বজ্ৰসেনে মূৰ তুলি ক'লে— 'কি কৌতুক কৰিবলৈ মোক অপমানৰ ওপৰতে আকৌ অপমান কৰিছা?' শ্যামাই ক'লে— 'হে বিদেশী পথিক, ই কৌতুক নহয়। মোৰ সকলোবোৰ স্বৰ্ণ-অলংকাৰ দি তোমাক শৃংখলমুক্ত কৰিব খোজো।' এইবাৰ ৰক্ষীলৈ চাই ক'লে— 'মোৰ যিমান ধন-সোণ আছে, সকলো লৈ বন্দীক মুক্ত কৰি দি যোৱা।' ৰক্ষীয়ে ক'লে— 'হে সুন্দৰী, তোমাৰ প্ৰাৰ্থনা ৰক্ষা কৰিব নোৱাৰিম। চুৰি হোৱা ৰাজকোষ কোনোবা



এজনৰ প্ৰাণৰ বিনিময়তহে মুক্তি দিয়া যাব। নহ'লে ৰজাৰ খং শাম নাকাটিব।' তেতিয়া শ্যামাই ক'লে যে— 'মাত্ৰ দুটা ৰাতি বন্দীক বচাই ৰাখা।' ৰক্ষীয়ে ক'লে যে শ্যামাৰ কথা তেওঁ ৰাখিব।

দ্বিতীয় ৰাতিৰ শেষত হাতত প্ৰদীপ লৈ বন্দীশালৰ য'ত বজ্ৰসেন মৃত্যুৰ ক্ষণ গণি মৌন হৈ বহি আছিল, শ্যামা সেইখিনি পালেগৈ। সুন্দৰীয়ে ইংগিত দিয়াৰ লগে লগে প্ৰহৰীয়ে বজ্ৰসেনৰ শিকলি খুলি দিলে। তেতিয়াহে বজ্ৰসেনে শুভ্ৰ সুকোমল অপৰূপ মুখ দেখি বিহ্বল হৈ ক'বলৈ ধৰিলে— 'ৰজনী প্ৰভাত হ'লে আকাশত যিদৰে শুকতৰা ওলায়, সেইদৰে মোৰ প্ৰাণ ৰক্ষা কৰিবলৈ কোন তুমি দয়াময়ী আহি ওলালা?' শ্যামাই উচ্চহাস্য কৰি ক'বলৈ ধৰিলে— 'মই দয়াময়ী নহয়।' হাঁহি হাঁহি শোকাশ্ৰুত ভাগি পৰিল আৰু কান্দি কান্দি ক'লে— 'এই নগৰৰ পথত যিমানবোৰ কঠিন শিলা আছে, সেইবোৰৰ কঠিনতাৰ সমানেই শ্যামাৰ হৃদয় কঠিন।' এইবুলি দৃঢ়ভাৱে বজ্ৰসেনক ধৰি বন্দীশালৰ বাহিৰলৈ লৈ গ'ল।

সময় প্ৰভাত। বৰুণা নদীৰ তীৰৰ ঘাটত নাও এখন বন্ধা আছিল। সুন্দৰী শ্যামাই ক'লে— 'হে বিদেশী, নাৱলৈ আহা। হে প্ৰিয়! মোৰ কথা মনত লৈ মোৰ লগত ব'লা। সংসাৰৰ সকলো বন্ধন এৰি মই তোমাৰ লগত একেলগে একে সোঁতত ভাহিলোঁ। তুমি মোৰ হৃদয়স্বামী, জীৱন-মৰণৰ গৰাকী।' নাও খুলি দিলে। সেই সময়ত বন-উপবন পক্ষীৰ কূজন-কাকলিত মুখৰিত হৈ আছিল। প্ৰেয়সীৰ মুখখন দুই বাহুৰে তুলি বজ্ৰসেনে সুধিলে— 'হে প্ৰিয়া, কি সম্পদ দি মোক মুক্ত কৰি আনিলা? হে বিদেশিনী, মই দৰিদ্ৰ, মই জানিব খোজো— কিমান ধনৰ ঋণী মই তোমাৰ কাষত!' শ্যামাই দৃঢ়ভাবে আলিংগন কৰি ক'লে— 'সেই কথা এতিয়া নহয়।'

পূবালী বতাহে নাওখন বায়ুবেগে স্ৰোতস্বিনী নদীত উটুৱাই নিছে। মাজ আকাশত প্ৰচণ্ড সূৰ্য উদয় হৈছে। গাঁৱৰ বোৱাৰীবোৰে নদীত গা ধুই ভিজা বস্ত্ৰৰে কাষৰ কলহত গংগা জল লৈ গৈ আছিল। প্ৰভাতৰ কোলাহল শেষ হৈছে, দুই পাৰৰ পথত কোনো পথাচাৰী নাই। বৰ গছৰ তলৰ ঘাটতত নাও স্নানাহাৰৰ কাৰণে বান্ধিলে। বৰ গছৰ শাখা-প্ৰশাখাত চৰাইৰ বাহত চৰাইবোৰ তন্দ্ৰামগ্ন, কেৱল পতংগবোৰে গুঞ্জৰি আছে। বতাহে শ্যামাৰ ওৰণি খহাই পেলালে। অকস্মাৎ প্ৰণয় পীড়াত বিহ্বল হৈ বজ্ৰসেনে শ্যামাক সুধিলে— 'মোক ক্ষণিকৰ শৃংখলমুক্ত কৰি অনন্ত শৃংখলত বান্ধিলা। কেনেকৈ তুমি এই দুঃসাধ্য সাধন কৰিলা? মোৰ বাবে তুমি কি কৰিলা, তাক যদি জানো মই, এই

জীৱন দি সেই ঋণ পৰিশোধ কৰিম বুলি মই পণ কৰিছোঁ।' ওৰণিখন মূৰৰ ওপৰলৈ টানি শ্যামাই ক'লে— 'সেই কথা এতিয়া নহয়।'

সোণৰ পাল সামৰি নাও অস্তাচলৰ ফালে সন্ধ্যাৰ বতাহত চলিবলৈ ধৰিলে। শুক্লা চতুৰ্থীৰ চন্দ্ৰ অস্ত যাওঁ যাওঁ। ক্ষীণ চন্দ্ৰালোকত জিলিৰ ৰাগিনী বীণাৰ দৰে বাজি উঠিছে। শ্যামাই প্ৰদীপ নুমুৱাই তৰুণৰ কান্ধত মূৰ থৈ হালি বহিছে। উন্মুক্ত সুগন্ধি কেশৰাশিয়ে বিদেশী তৰুণৰ বুকুত মায়াজাল তৰিছে। সেই সময়ত অস্ফুট স্বৰে শ্যামাই ক'লে— 'প্ৰিয়তম, তোমাৰ বাবে মই যি কাম কৰিলোঁ সেইটো বৰ কঠিন কাম, তাতকৈও কঠিন সেই কথা তোমাক কোৱা। মই সংক্ষেপে কওঁ শুনা। এবাৰ শুনিবা আৰু মনৰ পৰা মচি পেলাবা। এক কিশোৰ বালক, উত্তীয় তাৰ নাম। মোৰ ব্যৰ্থ প্ৰেমত উন্মত্ত, অধীৰ। মই তেওঁক অনুনয় কৰাত, তোমাৰ চোৰৰ অপবাদ নিজৰ কান্ধত তুলি লৈ তেওঁ প্ৰাণ আহুতি দিলে। ই মোৰ এই জীৱনৰ সৰ্বাধিক পাপ, এই পাপ তোমাৰ বাবেই কৰিলোঁ। সেয়ে মোৰ গৌৰৱ।'

ক্ষীণ চন্দ্ৰ অস্ত গ'ল। অৰণ্য নীৰৱ হ'ল। শ্যামাৰ কঁকালৰপৰা প্ৰিয়তমৰ বাহুডোৰ শিথিল হৈ পৰি খহি গ'ল। বজ্ৰসেনৰ মুখৰ কথা নাইকিয়া হ'ল। কেৱল মাত্ৰ কঠিন পাষাণী শ্যামালৈ চাই ৰ'ল। যুৱকৰ চৰণত মূৰ দোঁৱাই আলিংগনচ্যুতা শ্যামা ছিগি যোৱা লতাৰ দৰে ভৰিত পৰি ৰ'ল। হঠাৎ যুৱকৰ আঁঠু সবলে ধৰি শ্যামা কান্দি উঠিল, শুকান কণ্ঠে ক'লে— 'ক্ষমা কৰা মোক প্ৰিয়তম, এই পাপৰ যি দণ্ড, অভিশাপ বিধাতাই দিব সি দাৰুণতৰ হওক, তোমাৰ বাবে মই যি কৰিছোঁ, তুমি মোক ক্ষমা কৰা।' পদযুগল আঁতৰাই লৈ বজ্ৰসেনে শ্যামাৰ ফালে চাই ক'লে— 'এই প্ৰাণ লৈ তোৰ কি কাম হ'ব? এই জন্মত তোৰ পাপৰ মূল্য লৈ কিনা মহাপাপৰ ভাগী কৰি এই জীৱন ধিকৃত কৰিলি। কলংকিনী, মই তোৰ ওচৰত ঋণী, ধিক্ মোৰ এই নিশ্বাস, ধিক্ মোৰ চকুৰ নিমেষপাত প্ৰত্যেক নিমেষত।'

এইবুলি বজ্ৰসেন বহাৰপৰা উঠি নাও এৰি থৈ নিৰুদ্দেশ যাত্ৰাত আন্ধাৰত বনৰ মাজে মাজে যাবলৈ ধৰিলে। শুকান পাতবোৰত পদশব্দৰ মৰ্মৰ ধ্বনি তুলি অৰণ্যক ভীত কৰি তুলিলে। তৰু শাখাবোৰে অন্ধকাৰত বিকৃত ৰূপ ধাৰণ কৰিলে। পদযাত্ৰাৰ ক্লান্তিত তেওঁ শ্ৰান্ত হৈ পৰিল। কোন বাৰু তেওঁৰ সমুখত উপচ্ছায়াৰ নিচিনাকৈ থিয় হ'লহি! তেওঁৰ লগে লগে অন্ধকাৰত পিছে পিছে তেওঁৰ অনুচৰী নীৰৱে আহি আছে। হাতৰ দুই মুঠি প্ৰসাৰিত কৰি পথিকজন গৰ্জি উঠিল— 'তথাপিও মোক নেৰিবিনে?'



শ্যামা দৌৰি গৈ তেওঁৰ ভৰিত পৰি বন্যাৰ ঢৌৰ দৰে আৱৰি ধৰিলে। আলিংগন, চুম্বন, স্পৰ্শ— দেহৰ সকলো অংগতে স্পৰ্শ কৰি ৰুদ্ধ কণ্ঠেৰে বাৰে বাৰে ক'লে— 'নেৰোঁ তোমাক, নেৰো তোমাক, তোমাৰ কাৰণেই মই পাপ কৰিলোঁ। তুমি মোক শাস্তি দিয়া, মৰ্মাঘাত কৰা, মোক শেষ কৰি দি দণ্ড পুৰস্কাৰ দিয়া।' অৰণ্যৰ অন্ধকাৰে কি জানো অনুভৱ কৰিলে লক্ষ লক্ষ তৰুমূল মাটিৰ ভিতৰতে ভয়ত শিয়ৰি উঠিল। এবাৰ অন্তিম কাকুতিস্বৰ ৰুদ্ধ-নিষ্পেষিত শ্বাসত ভাহি উঠিল। তাৰপিছৰ ক্ষণত কোনোবা যেন মাটিৰ ওপৰত অসাৰ হৈ পৰি গ'ল।

বজ্ৰসেন অৰণ্যৰপৰা উলটি আহি জাহ্নবীৰ পাৰত এক মন্দিৰৰ ত্ৰিশূল চূড়া দেখিবলৈ পালে। জনহীন বলুকাৰাশিত নদীৰ পাৰে পাৰে ক্ষিপ্ত, উদাসীন হৈ বহুত দিন কটালে। দুপৰীয়া মধ্যাহ্নৰ জ্বলন্ত সূৰ্যই তেওঁৰ সৰ্বাংগ জ্বলাই ক'লা কৰি পেলালে। কাষত কলহ লৈ ঘাটৰ পৰা পানী অনা গ্ৰামবধূসকলে ক'বলৈ ধৰিলে— 'কোন তুমি গৃহহাৰা, আমাৰ ঘৰলৈ আহা।' বজ্ৰসেনে কোনো উত্তৰ নিদিলে। তৃষ্ণাত বুকু ফাটি যায়, তথাপিও নদীৰ পানী এটোপাও স্পৰ্শ নকৰিলে। দিনৰ শেষত জ্বৰতপ্ত দেহেৰে তেওঁ নদীৰ পাৰৰ শয্যালৈ গ'ল। দেখিলে শয্যাত এটি নূপুৰ পৰি আছে। সেই নূপুৰ বুকুত সাবটি ল'লে। বুকুত যেন শতমুখীয়া শৰে হানিলে, তেনে অনুভৱ হ'ল। এফালে নীলাম্বৰ শাড়ীখন পৰি আছে। তাৰ ওপৰতে মুখ ৰাখি বজ্ৰসেনে দেহগন্ধ নিশ্বাসেৰে শোষণ কৰি ল'লে।

শুক্ল পঞ্চমীৰ চন্দ্ৰ অস্তাচললৈ যোৱাৰ সময়তে বজ্ৰসেনে অৰণ্যৰ ফালে দুই বাহু আগবঢ়াই দি ক'লে— 'আহা, আহা প্ৰিয়া।' এনে সময়তে তীৰৰ বালিত এক ছাঁয়ামূৰ্তিয়ে দেখা দিলে— 'আহিছোঁ মই প্ৰিয়তম।' চৰণত পৰি শ্যামাই ক'লে— 'ক্ষমা কৰা মোক, এই কঠিন প্ৰাণ মোৰ নগ'ল তোমাৰ হাতত।' কিছু সময়ৰ বাবে বজ্ৰসেনে মুখলৈ চাই আলিংগন কৰিবলৈ বাহু মেলি চমক খাই উঠিল আৰু দূৰলৈ ঠেলি দি গৰ্জন কৰি উঠিল— 'কিয় আহিলি, কিয় উলটি আহিলি?' বুকুৰপৰা নূপুৰ পেলাই দিলে। এঙাৰৰ দৰে ক'লা পৰা নীলাম্বৰ বস্ত্ৰখনো পেলাই দিলে। শয্যাখনে অগ্নিশয্যা যেন তেওঁক দহিবলৈ ধৰিলে। দুচকু মুদি ক'বলৈ ধৰিলে— 'যোৱা, যোৱা মোক এৰি গুচি যোৱা।' শ্যামাই কিছু সময় নীৰৱে থাকি তৰুণৰ চৰণত সেৱা কৰি তাৰপাছত নদীৰ পাৰৰ ফালে গুচি গ'ল— যিদৰে ৰাতিৰ অন্ধকাৰত মধুৰ সপোন মিলি যায়— ঠিক সেইদৰে।▸▸।

# বিদায় অভিশাপ

পাতনি ঃ প্ৰাচীন কালত দেৱতা আৰু অসুৰৰ মাজত প্ৰায়েই তয়াময়া যুদ্ধ লাগি আছিল। যুদ্ধত দেৱতা হাৰিছিল, কাৰণ অসুৰসকলে সঞ্জীৱনী বিদ্যা জানিছিল আৰু তাৰ বাবে যুদ্ধত মৃত্যু হ'লেও এজনে আনজনক জীয়াই তুলিছিল। এই সঞ্জীৱনী বিদ্যা তেওঁলোকে আয়ত্ত কৰিছিল তেওঁলোকৰ গুৰু শুক্ৰৰপৰা। যেতিয়া দেৱতাসকলে এই কথা গম পালে, তেতিয়া তেওঁলোক সকলোৱে একেলগে এই সিদ্ধান্ত গ্ৰহণ কৰিলে, যে অসুৰৰ ৰাজ্যলৈ এজন যুৱকক অসুৰৰ গুৰু শুক্ৰৰ ওচৰত সঞ্জীৱনী বিদ্যা শিকিবলৈ পঠোৱা হওক। তাৰবাবে দেৱগুৰু বৃহস্পতি পুত্ৰ কচক নিৰ্বাচন কৰা হ'ল। সহস্ৰ বছৰ অসুৰৰ ৰাজ্যত থাকি সঞ্জীৱনী বিদ্যা শিক্ষাৰ সময়ছোৱাত শুক্ৰ কন্যা দেৱযানীৰ লগত কচৰ কিছু ঘনিষ্ঠতা হৈছিল।

কচে দেৱলোকলৈ যাত্ৰা কৰাৰ দিনা দেৱযানীৰ ওচৰত বিদায় ল'বলৈ আহি ক'লে যে তেওঁৰ সেইদিনা গুৰুগৃহত বাস কৰাৰ শেষ দিন। দেৱযানীয়ে যেন আশীৰ্বাদ কৰে তেওঁ যি বিদ্যা শিকিলে তাক কেতিয়াও নাপাহৰে, সুমেৰু শিখৰৰ সূৰ্যৰ কিৰণৰ দৰে অক্ষয় হৈ থাকে। দেৱযানীয়ে সুধিলে তেওঁ কেৱল দুৰ্লভ বিদ্যা শিকিবলৈহে আহিছিলনে, এই সহস্ৰ বছৰত তেওঁৰ একো কামনা জগা নাছিলনে? কচে ক'লে যে তেওঁৰ আৰু একো কামনা নাই। তেওঁৰ মনত কোনো দৈন্য বা শূন্য নাই। দেৱযানীয়ে ক'লে যে কচ বৰ সুখী। এতিয়া দুৰ্লভ বিদ্যা শিকি দেৱ ৰাজ্যলৈ উলটি গ'লে স্বৰ্গত আনন্দ ধ্বনি উঠিব, বিজয় শংখ বাজিব, সুৰাগংনাসকলে তেওঁৰ শিৰত পুষ্পবৰ্ষণ কৰিব। স্বৰ্গৰ অপ্সৰীবোৰে উৰুলি দিব। তেওঁ অসুৰপুৰীত বহু ক্লেশত দিন কটাইছিল। তেওঁলোকৰ দৰিদ্ৰ কুটীৰত যি আছিল তাৰেই অতিথিক পূজা কৰিছিল। দেৱযানীয়ে আশা কৰে তেওঁ যেন স্বৰ্গলোকলৈ উলটি গৈ আতিথ্যৰ অপৰাধ পাহৰি পেলায়।



কচে দেৱযানীক প্ৰাৰ্থনা কৰিলে দেৱযানীয়ে যেন তেওঁক হাঁহি হাঁহি বিদায় দিয়ে। দেৱযানীয়ে উত্তৰ দিলে— 'অসুৰপুৰীত লাঞ্ছনাৰ দুখ জাগে। গতিকে হাঁহি ইয়াত সুলভ নহয়। যোৱা, সময় নষ্ট কৰি কি হ'ব? দেৱতাসকলে তোমালৈ বাট চাই আছে। সুন্দৰী অৰণ্য ভূমি, তৰু-লতাৰ ছাঁয়া পক্ষীৰ কূজন-কাকলি সকলো এৰি যাবলৈ ওলাইছা, মনত থাকিবনে তোমাৰ?। কচে উত্তৰ দিলে যে এই অৰণ্যভূমিক তেওঁ মাতৃসম জ্ঞান কৰে। ইয়াতেই তেওঁৰ নৱ জন্ম লাভ হ'ল। চিৰদিন এই অৰণ্যভূমিক তেওঁ মনত ৰাখিব। এই বৰ গছৰ তলত য'ত তেওঁ গৰু চৰাইছিল তাত তেওঁৰ লগত দুই দণ্ড কথা পাতি যাবলৈ দেৱযানীয়ে অনুৰোধ জনালে। কচে ক'লে যে গুৰুৰ ওচৰত শিক্ষাগ্ৰহণ কৰিবলৈ আহি তেওঁৰ নিচিনা কত ছাত্ৰ আহি প্ৰাতঃস্নান কৰি দেৱযানীৰ ওচৰত এই বৰ গছৰ তলত বহিব, তেওঁলোকৰ লগতে কচকো যেন দেৱযানীয়ে মনত ৰাখে। দেৱযানীয়ে ক'লে তেওঁ হোমধেনুৰ অমৃতসম গাখীৰ পান কৰিলে, তাইক যেন নাপাহৰে। অসুৰপুৰীৰ স্ৰোতস্বিনী বেণুমতী নৈখনকো যেন নাপাহৰে। দেৱযানীয়ে আকৌ ক'লে যে পৰ গৃহবাসৰ দুখ পাহৰাবলৈ কচৰ কাষত আৰু কোনো সহচৰী আছিল নেকি সেইটোও যেন মনত ৰাখে।

কচে ক'লে— 'চিৰ জীৱনৰ কাৰণে তেওঁৰ নাম প্ৰাণত গঁথা হৈ গৈছে।' দেৱযানীয়ে ক'লে প্ৰথম যিদিনা কচ অসুৰপুৰীলৈ আহিছিল অৰুণৰ দৰে উজ্জ্বল, গৌৰ বৰ্ণ, তৰুণ ব্ৰাহ্মণ; কণ্ঠত পুষ্পমালা, কপালত চন্দন আঁকা, পাটৰ সাজ পিন্ধি, মুখত সৰল হাঁহি লৈ, তেওঁ পুষ্পবনত পূজাৰ বাবে ফুল তুলি আছিল। কচে ক'লে মূৰ্তিমতী ঊষা হৈ সদ্যস্নান কৰি ফুল তোলা দেখি তেওঁ ক'লে যে— 'তোমাৰ শ্ৰম সহ্য নহ'ব, মই ফুল তুলি দিওঁ।' দেৱযানীয়ে তেওঁৰ পৰিচয় লৈ যেতিয়া জানিলে যে তেওঁৰ পিতাকৰ শিষ্য হ'বলৈ আহিছে তেতিয়া দানৱৰ গুৰুৱে স্বৰ্গৰ ব্ৰাহ্মণক ফিৰাই দিয়ে বুলি দেৱযানী পিতাকৰ ওচৰলৈ গ'ল আৰু পিতাকক ক'লে যে— 'বৃহস্পতি পুত্ৰ তোমাৰ ওচৰলৈ আহিছে, তুমি তেওঁক শিষ্য কৰি লোৱা। এয়ে তোমাৰ ওচৰত মিনতি।' কচে মনত পেলালে যে— 'ঈৰ্ষা কৰি অসুৰে মোক তিনিবাৰ হত্যা কৰিছিল, তুমি দয়া কৰি মোৰ প্ৰাণ পিতাৰ ওচৰত ভিক্ষা কৰি ফিৰাই দিছা। সেই কথা মই চিৰদিন কৃতজ্ঞতাৰে সুঁৱৰিম।' দেৱযানীয়ে ক'লে তেওঁ কৃতজ্ঞতা, দান-প্ৰতিদান একো নিবিচাৰে। কেৱল বেণুমতীৰ তীৰত তেওঁলোকে ফুলৰ সৌৰভৰ দৰে হৃদয় উচ্ছ্বাস প্ৰকাশ কৰিছিল, সেই কথা যেন মনত থাকে। 'ভাবি চাবা এবাৰ কিমান ঊষা, কিমান

জোনাক ৰাতি, অমানিশাৰ অন্ধকাৰ তোমাৰ জীৱনত মিলি আছে। তোমাৰ কেৱল উপকাৰৰ কথাই মনত থাকিবনে শোভা-প্ৰীতি এই সকলোবোৰ মনত থাকিব?' কচে ক'লে যে যি কথা প্ৰাণত ৰক্তময় হৈ মিলি আছে, তাক তেওঁ বাহিৰত কেনেকৈ দেখুৱাব? দেৱযানীয়ে ক'লে— 'তেনেহ'লে তুমি ইয়াতে থাকা, বেণুমতী তীৰত আমি দুজনে এখন অভিনৱ স্বৰ্গ ৰচনা কৰোঁ।' কচে ক'লে— 'সেইটো কেনেকৈ সম্ভৱ হ'ব? সহস্ৰ বছৰ এই দৈত্যপুৰীত জানো সেই কাৰণেই সাধনা কৰিছিলোঁ?' দেৱযানীয়ে ক'লে যে— 'বিদ্যাই সকলো জানো? প্ৰেম ইমান সুলভনে? তপতীক পত্নী বৰ মাগি সম্বৰণে সূৰ্যৰ ফালে চাই চাই উপবাসে থাকি তপস্যা কৰা নাছিলনে? আজি মই ধৰা দিবলৈ আহিছোঁ— সৰল সাহসেৰে আজি কোৱা— বিদ্যাত, যশত সুখ নাই।' 'দেৱযানী তুমি সিদ্ধি মূৰ্তিমতী, তোমাকেই মই বৰণ কৰিলোঁ।' কচে ক'লে যে— 'দেৱতাসকলৰ আগত মই পণ কৰিছিলোঁ মহা সঞ্জীৱনী বিদ্যা শিকি উলটি যাম, সেই পণ মোৰ মনত চিৰ জাগ্ৰত হৈ আছে। প্ৰতিজ্ঞা পূৰ্ণ নকৰি মোৰ নিজ স্বাৰ্থ চৰিতাৰ্থ নকৰোঁ।' দেৱযানীয়ে কচক মিথ্যাভাষী বুলি তিৰস্কাৰ কৰিলে। 'যেতিয়া অধ্যয়ন কৰি আছিলা আৰু মই কৰণী লৈ ফুল তুলিবলৈ ওলাই আহিছিলোঁ, তুমি তেতিয়া শাস্ত্ৰ থৈ উঠি আহিছিলা কিয়? স্বৰ্গৰ পৰা যি সংগীত শিকি আহিছিলা, সেই সংগীত মোক শুনাইছিলা কিয়? বিদ্যা আহৰণ কৰিবলৈ আহি মোৰ হৃদয় হৰণ কিয় কৰিলা? আজি বিদ্যা আহৰণত কৃতকাৰ্য হৈ মোক কিছু কৃতজ্ঞতা দি যাবা বুলি বিদায় ল'বলৈ আহিলা, ৰাজসভাত মনোৰথ পূৰ্ণ হ'লে কোনো লোকে যেনেকৈ দ্বাৰীৰ হাতত কেইটামান মুদ্ৰা দি থৈ যায় সেইদৰে?' কচে ক'লে— 'হে নাৰী, মই তোমাক কোনো প্ৰতাৰণা কৰা নাই। অকপটে আনন্দ অন্তৰে তোমাৰ সন্তোষ সাধনা কৰিবলৈ গৈ মই তোমাৰ ওচৰত যি দোষ কৰিলোঁ, তাক তুমি ক্ষমা কৰা। মই তোমাক ভাল পাওঁনে নাপাওঁ সেই তৰ্ক কৰি কি লাভ হ'ব? মোৰ মনত চিৰতৃষ্ণা জাগিলেও, সকলো কামৰ মাজত প্ৰাণ দগ্ধ হ'লেও, সুখ শূন্য স্বৰ্গলৈ মই উলটি যাবই লাগিব। দেৱতাসকলক এই সঞ্জীৱনী বিদ্যা দিব পাৰিলেহে মোৰ জীৱন সাৰ্থক হ'ব। তাৰ আগতে মই নিজৰ কোনো সুখ নিবিচাৰোঁ। দেৱযানী, তুমি মোৰ অপৰাধ ক্ষমা কৰা।' দেৱযানীয়ে ক'লে— 'মোৰ মনত কোনো ক্ষমা নাই। কাৰণ নাৰী চিত্ত বৰ কঠোৰ। হে ব্ৰাহ্মণ, তুমি স্বৰ্গলোকলৈ গুচি যাবা। তোমাৰ কৰ্তব্য পূৰণৰ আনন্দত দুখ-সুখ সকলো পাহৰি যাবা। মোৰ কি আছে, এই নিষ্ফল জীৱনত কি গৌৰৱ আছে? মই



আজি নিঃসংগ, অকলশৰীয়া, লক্ষ্যহীনা। জীৱনৰ বনছায়া তলত দুই দণ্ড অৱসৰ কটোৱাৰ সময়ত যিফালেই চাম সেইফালেই সহস্ৰ স্মৃতিৰ কাঁইটে বিন্ধিব। জীৱনৰ সুখবোৰ ফুলৰ নিচিনাকৈ এডাল সূতা দি মালা গাঁঠিলা, সেই মালা গলত নিপিন্ধিলা, বৰঞ্চ সেই সূতাডাল দুভাগ কৰি ছিঙি পেলালা। শুনা, আজি মই বিদায় বেলাত তোমাক অভিশাপ দিওঁ যি বিদ্যাৰ বাবে তুমি মোক অৱহেলা কৰিলা, সেই বিদ্যা তোমাৰ সম্পূৰ্ণ বশ নহ'ব। তুমি কেৱল সেই বিদ্যাৰ ভাৰবাহীহে হ'বা। ভোগ কৰিব নোৱাৰিবা। তুমি আনক শিকাবা, নিজে কিন্তু প্ৰয়োগ কৰিব নোৱাৰিবা।' কচে কিন্তু দেৱযানীক সুখী হ'বলৈহে বৰ দিলে। সকলো গ্লানি যেন সগৌৰৱে তেওঁ পাহৰি পেলায়। ঌঌ।

# পুৰস্কাৰ

এদিন বৰ্ষা দিনত কবিপত্নীয়ে কবিক ক'লে— 'তুমি যে ইমান ছন্দ মিলাই কবিতাৰ পুথি লিখিছা, ঘৰটো ভাগি পৰোঁ পৰোঁ হৈছে, তুমি খবৰ ৰাখিছানে? এইবোৰ কৰি কি হাতী-ঘোঁৰা পাবা? সৰস্বতীৰ উপাসনা এৰি লক্ষ্মীৰ উপাসনা কৰা।' কবিয়ে ক'লে— 'লক্ষ্মীহীন ঘৰত লক্ষ্মী আছে। ভঁৰালত যে একো নাই সেইটো কোনে বুজিব? চপলা লক্ষ্মী মোৰ ঘৰত অচপল, সৰস্বতীও থিৰেৰে নাথাকে, সেইবাবেই দুৱাৰ বন্ধ কৰি স্বৰ্গ-মৰ্ত্যৰ মিল বিচাৰি আছো।' কবিপত্নীয়ে ক'লে— 'তোমাৰ লগত আৰু নোৱাৰি, সকলোতে পৰিহাস কৰা।' এইবুলি খং দেখুৱাই যাবলৈ ওলাল। কবিয়ে পত্নীক কৰযোৰ কৰি ক'লে যে কি কৰিব লাগিব পত্নীয়ে বুজাই দিয়ক। তেওঁ বুদ্ধি দিয়ক, ঘৰ সোণ-ৰূপেৰে ভৰাই দিব। কবিপত্নীয়ে ক'লে— 'ইমান বিনয় দেখুৱাব নালাগে, যেতিয়াই যি কথা কওঁ তাৰ জবাব নিদিয়াকৈ নাথাকা। শুনা, এলাহ এৰি পঞ্জিকা খুলি শুভ দিন চাই ৰজাৰ ওচৰলৈ যোৱা। আমাৰ ৰজাই গুণীৰ মূল্য বুজে। তুমি ঘৰতে শ্লোকবোৰ জমা কৰিলে কি লাভ হ'ব?' কবিৰ মূৰৰ ওপৰত বজ্ৰপাতহে হ'ল— 'ধন-সোণৰ কথা ক'লে ৰজাই বা কি কৰে! মৃত্যুদণ্ড দিলে কিন্তু তুমি বিধৱা হ'বা। মোৰ লগত কোন সহচৰ যাব ঠিক কৰা। সাৰথিক ভাল ঘোঁৰা উলিয়াই দিবলৈ কোৱা।' কবিপত্নীয়ে ওচৰ-চুবুৰীয়াক খুজি নানা বেশ-ভূষা, হীৰা-সোণ-ৰূপৰ অলংকাৰ আনিছে আৰু কবিক সেইবোৰ পিন্ধি ল'বলৈ কৈছে। স্বয়ং গৃহিণীয়ে ওচৰত বহি কবিক সজাই দিলে। কাণত কুণ্ডল, বাহুত অংগদ, মূৰত পাগুৰি আদি পিন্ধাই দিলে আৰু ক'লে ৰজাৰপৰা ধন পালে তেওঁকো পিন্ধাব লাগিব। কবি যেতিয়া ঘৰৰ দুৱাৰ খুলি বাহিৰলৈ ওলাল, কবিপত্নীয়ে তেতিয়া খিৰিকীৰে বাৰে বাবে কবিক চাবলৈ ওলাল। ভাবিলে এনে সুন্দৰ পুৰুষ ৰাজপথত এজনো নাই।

ইফালে ৰাজ দৰবাৰৰ যিমান ওচৰ চাপিছে সিমানেই কবিৰ উৎসাহ কমি আহিছে।



যেতিয়া ৰাজ দৰবাৰৰ ওচৰ পালেগৈ তেতিয়া কবিয়ে ভাবিলে কিবা হয় এতিয়া। দুৱাৰত শাৰী শাৰী প্ৰহৰী, ৰাজসভাত সভাসদসকলৰো গম্ভীৰ মুখ। ইয়াত হাঁহি-মাতি কথা কওঁতা কোনো নাই।

ৰজা মহেন্দ্ৰ ৰায় ওখ সিংহাসনত বহি চাৰিওফালে জনসাধাৰণক চাই আছে। বিচাৰ কৰা যেতিয়া শেষ হ'ল, তেতিয়া মন্ত্ৰীৰ আদেশৰ ইংগিত পাই ৰাজ্যৰ প্ৰধান চোৰাংচোৱা হাতযোৰ কৰি থিয় হ'লহি। এইজন চৰ বৰ সাধু লোক, দোষীক দণ্ড দিবলৈ ধৰি আনে। চাৰিওফালে তাৰ চকু, কোনে কি কৰিছে— তাৰ সন্ধান ৰাখে। যেতিয়া সি আহি ৰজাক প্ৰণাম কৰিলে, মন্ত্ৰীয়ে ৰজাক কাণে কাণে আহি কি ক'লে জানো— ৰজাই তাক পঞ্চাশ হেজাৰ টকা দিবলৈ আদেশ দিলে। তাক তাৰ নায্য প্ৰাপ্য দিছে বুলি সভাসদসকলে ৰজাক প্ৰশংসা কৰিলে। ইয়াৰ পাছত ব্যায়াকৰণিক এজন আহিল। কোনোফালে একো ভ্ৰূক্ষেপ নকৰি মুখ মেলি ব্যায়াকৰণৰ শ্লোক কিছু মাতিলে, কোনেও একো বুজি পোৱা নাই। ৰজাই তাক কিছু দক্ষিণা দিবলৈ আদেশ দিলে। তাৰপিছত গণক আহিল, তাৰ গণনাৰ কথা শুনি ৰজা চমৎকৃত হ'ল। তাৰ মোনাত ঝনঝনাই টকা পৰিল আৰু সি লগে লগেই বজাৰলৈ গ'ল। তাৰপাছত আহিল ধান-দুবৰি লৈ ৰজাক আশীৰ্বাদ দিবলৈ এক বৃদ্ধ ব্ৰাহ্মণ। তেওঁকো বহুত টকা দিলে। এইদৰে নট, ভাট, ৰাজ পুৰোহিত— কোনোবা অকলে, কোনোবা শিষ্যৰ লগত আহিল। কোনোবা কন্যাদায়গ্ৰস্ত ব্ৰাহ্মণ— কন্যা বিয়া দিবলৈ টকা লাগে, কাৰোবাৰ পিতাৰ শ্ৰাদ্ধ কৰিবলৈ টকা লাগে। সকলোকে পাৰ্যমানে ৰজাই দান দিলে।

হঠাৎ ৰজাৰ চকু সভাৰ চুকত বহি থকা কবিৰ ওপৰত পৰিল। ৰজাই মন্ত্ৰীক ক'লে— 'সেইজন কোন সন্ধান লোৱাচোন।' কবিয়ে ক'লে— 'মই এজন কবি।' ৰজাই ক'লে— 'আহা, তেনেহ'লে আজি কাব্য আলোচনা হ'ব।' এইবুলি তেওঁৰ হাত দুখনত ধৰি ৰজাই মহা গৌৰৱেৰে বহুৱালে। মন্ত্ৰীয়ে ভাবিলে এতিয়া ল'ৰা-ধেমালিহে হ'ব, এইবাৰ যোৱাই ভাল হ'ব। পাত্ৰ, মিত্ৰ, অমাত্য আদি সভাসদসকল, অৰ্থপ্ৰাৰ্থী, বাদী-প্ৰতিবাদী সকলো সভাকক্ষৰপৰা ওলাই গ'ল। যেতিয়া সকলো গুচি গ'ল, ৰজা আৰু কবি দুইজনে মুখামুখিকৈ বহিলে আৰু ৰজাই ক'লে— 'কবি, এতিয়া তুমি তোমাৰ কাব্য আৰম্ভ কৰা।' কবিয়ে দুই হাত যোৰ কৰি বাণী বন্দনা আৰম্ভ কৰিলে—

'মূৰ্তিমতী হোৱা নয়ন সমুখত বিমল মানস সৰসবাসিনী, শুক্লবসনা শুভ্ৰবাসিনী বীণগঞ্জিত মঞ্জুভাষিনী কমল কুঞ্জাসনা। তোমাক মানসপটত অধিষ্ঠিত কৰি মই ধন-

মানহীন কবি উদাসীন হৈ সুখত গৃহতে বাস কৰি আছোঁ। তোমাৰ স্নেহধন্য হৈ মই সৰগৰ সুধা পাইছোঁ। সুৰৰ ক্ষুধা মোৰ পূৰ হোৱাকৈ তুমি এবাৰ বীণা বজাই বিশ্বপ্লাৱিনী ৰাগিনী শুনোৱা, যি ৰাগিনী শুনি ভগৱানো বিপুল হৰ্ষত আপ্লুত হয়। কোন ক'ত আছে, পৃথিৱীত য'ত ৰজা-মহাৰজা সকলো আহে আৰু যায়। তাৰ মাজতে তোমাৰ সুৰৰ ধ্বনি বাজি আছে। যিজনে সেই ৰাগিনী শুনিছে তেওঁ নিজকে পাহৰি গৈছে আৰু সংসাৰৰ কোলাহল পাহৰি পেলাইছে। জননী, বীণাত সেই সুৰ বজোৱা যি মানুহক পাহৰাই দিয়ে এই পৃথিৱীত কোন ডাঙৰ কোন সৰু, কোন ধনী কোন দীন, কাৰ জয় হ'ল কাৰ পৰাজয় হ'ল। সকলোৱেই যেন এডাল মালাৰ দৰে একেলগে আনন্দত তোমাৰ চৰণত পৰি ৰয়।'

ইয়াৰ পাছত অলপ ৰৈ, কৰুণ সুৰে ৰঘু কুল ৰবি-ৰাঘৱৰ কাহিনী গাবলৈ ধৰিলে, যিজনে জীৱনৰ শেষ দিন অৱধি দুখতেই দিন কটালে। যিদিনা তেওঁ বল্কল বসনেৰে বনৰ পথত ভৰি দিলে, সেইদিনা ভাই লক্ষ্মণ, আভৰণহীনা নৱবধু সীতাও তেওঁৰ লগৰীয়া হ'ল। সেইদিনা ৰাজপুৰীত প্ৰজাসকলৰ মাজত হাহাকাৰ উঠিল। ৰামৰ অভিষেক হ'ব, চাৰিওফালে আনন্দময় পৰিৱেশ, সেই পৰিৱেশত যেন বজ্ৰপাতহে হ'ল। আকৌ এদিন ৰাম আৰু লক্ষ্মণ বনৰপৰা আহি কুটীৰত সীতাক নেদেখিলে। তাৰপাছত চোৱা সেই বিৰহৰ, বিষাদৰ যেতিয়া শেষ হ'ল, ইমান সাধনৰ ধন উদ্ধাৰ হ'ল, তাৰপাছতে সেই সীতাই বিদায় লৈ ৰঘুৰাজক প্ৰণাম কৰি অভিমান আৰু লাজত ধৰিত্ৰীৰ বুকুত মিলি গ'ল। সেই দুখৰ দিনো গুচি যায়, সেই অসহনীয় শোকৰ কোনো চিন নাথাকে। কিন্তু সেই দিনৰ এটা কৰুণ সুৰে চিৰদিনৰ কাৰণে মানুহৰ হৃদয় শোকবিহ্বল কৰি তোলে।

তাৰপাছত কবিয়ে কুৰু-পাণ্ডৱৰ সমৰ বাৰ্তাৰ কথা গাবলৈ ধৰিলে। কেনেকৈ গৃহ বিবাদৰ ঘোৰ মত্ততা গোটেই দেশতে বিয়পি পৰিল। দুটা বিদ্বেষী ধাৰাই নিষ্ঠুৰ অভিমানত সৰ্পিল গতি ল'লে। চাওঁতে চাওঁতে বংশধাৰা পাহৰি গ'ল, আত্ম আৰু পৰ পাহৰি গৈ গৃহ বন্ধন নিৰ্মূল কৰি ৰক্তৰ বন্যা প্ৰবাহিত কৰিলে। সমৰ বন্যা যেতিয়া অৱসান হ'ল, সোণৰ ভাৰতবৰ্ষ এখন শ্মশানত পৰিণত হ'ল। বহুত দিনৰ পিছত মৰণেৰে সমস্যা সমাধান হ'ল, নৰমেধ যজ্ঞৰে বিদ্বেষ-হুতাশন শেষ হ'ল। এইদৰে কৌৰৱৰ দম্ভ চূৰ্ণ কৰি পাঁচ ভাই ৰাজত্বৰ শূন্য স্বৰ্ণ সিংহাসনত বহিল। স্তব্ধ প্ৰাসাদ বিষাদত আন্ধাৰ, তাত শ্মশানৰ হাহাকাৰ, ৰাজপুত্ৰ-বধূসকলৰ কান্দোনৰ শব্দৰে মুখৰিত হ'ল। কুৰু-



পাণ্ডৱৰ আজি চিন নাইকিয়া হ'ল, যি ভূমিলৈ ইমান যুদ্ধ, সেই ভূমি ক'ত আছিল, ৰাজধানী ক'ত আছিল তাৰ চিন-চাব একো নাই। শ্যামলা বিপুলা ধৰালৈ চালে মোৰ চকু অশ্ৰু নীৰেৰে ভৰি পৰে, মানুহৰ মাজত বাদ-প্ৰতিবাদ নহওক, যাৰ যি আছে তাকে লৈ সুখী হওক। কাৰো অধিকাৰত হাত নিদিয়াকৈ মই বাঁহীৰ সুৰ তুলি লৈ গীত ৰসধাৰা সিঁচি থৈ যাব খোজো। আকাশে-বতাহে-গ্ৰহ-তৰাৰ মাজত যি স্বৰ তৰংগ বিৰাজ কৰিছে তাকে মই মোৰ বাঁহীত তুলিব খোজো। সংসাৰৰপৰা যোৱাৰ আগতে সংসাৰৰ বিষময় কাঁইট আঁতৰাই কেইটামান মধুৰ সুৰ থৈ যাব খোজো।

এইবাৰ আকৌ কবিয়ে আই সৰস্বতীক মিনতি কৰিছে তেওঁ যেন কবিৰ হৃদয় আসনত অধিষ্ঠান কৰে আৰু আইৰ বীণাখন যেন চিৰদিন বাজি থাকে। কবিয়ে কমলগন্ধ বিয়পি থকা আইৰ কোমল দুই চৰণত প্ৰণাম কৰি তেওঁৰ কাব্য-গীতৰ সামৰণি মাৰিলে।

ৰজাৰ কাব্যৰসত চকু চলচলীয়া হ'ল, সিংহাসনৰপৰা নামি আহি দুবাহু বঢ়াই কবিক আলিংগন কৰিলে আৰু ক'লে— 'কবি তুমি ধন্য, তুমি চিৰদিন সুখত থাকা। মই ভাবি পোৱা নাই তোমাক কি দিম। ৰাজ-ভাণ্ডাৰত যি আছে, সকলো তোমাক উপহাৰ দিব পাৰোঁ।' কবিৰ চকুত আনন্দৰ চকুলো ভৰি পৰিল আৰু ৰজাক ক'লে— 'তোমাৰ কণ্ঠৰপৰা এই ফুল মালাধাৰ মোৰ কণ্ঠত পিন্ধাই দিয়া।' ৰজাই কবিক মালাধাৰ পিন্ধাই দিলে। মূৰত মালাধাৰ বান্ধি কবি আপোন মনে গৈ আছে। তেওঁ নিজৰ আনন্দত ইমান মগ্ন যেন তেওঁ কল্পধেনুৰ দুগ্ধহে খীৰাই আনিছে।

সন্ধ্যা কবিপত্নীয়ে গা ধুই উঠি ৰঙীন সাজ পিন্ধি খিৰিকীৰ কাষত বহি আছিল। ৰাজপথত কবিক দেখি হাতৰ কিংকিনীৰ ৰিণি-ঝিনি সুৰ তুলি কবিৰ ওচৰ পালে। কবিয়ে আনন্দতে পত্নীক ক'লে— 'তোমাৰ কাৰণে কি আনিছোঁ চোৱা, নানা লোকে নানা ৰতন পাইছে, মই তোমাৰ কণ্ঠত পিন্ধাবলৈ ৰজাৰ কণ্ঠৰ মালা আনিছোঁ।' এইবুলি মালাডাল মূৰৰপৰা খুলি পত্নীৰ কণ্ঠত পিন্ধাবলৈ ধৰোঁতে মিছা অভিমান কৰি ঠেলি দিলে। আচলতে কবিপত্নীৰ গৌৰৱবোধ হৈছে আৰু অনুৰাগ উথলি উঠিছে। কবিয়ে ভাবিলে বিধি তেওঁৰ প্ৰতি অপ্ৰসন্ন হৈছে, কাৰণ পত্নীয়ে অসন্তোষ কৰিছে। সেয়ে তেওঁ বিষণ্ণ মনে বহি থাকিল। কবিপত্নীয়ে কবিৰ মুখৰ ভাব বুজিব পাৰি উচ্চকণ্ঠে হাঁহি উঠিল। তুচ্ছ-ছলনা আঁতৰাই কবিৰ ওচৰলৈ আহি কবিৰ কণ্ঠ সাবটি ধৰিলে। বিস্ময়ত কবি বিহ্বল হ'ল, কবিয়ে কি ক'ব ভাবি নাপালে। মালাধাৰ পত্নীয়ে নিজ হাতে পিন্ধি ল'লে। প্ৰেমপূৰ্ণ আৱেগেৰে পত্নীৰ ফালে চাই কবিয়ে ভাবিবলৈ ধৰিলে— এডাল মালাতেই লক্ষ্মী-সৰস্বতী দুইজনাই ধৰা দিলে।

# যোগিনদা

যোগিনদাৰ জন্ম হৈছিল ডেৰাস্মাইলখাঁত। পশ্চিমৰ বহুত চহৰ আৰু গাঁৱত মিলিটেৰীৰ জৰীপ কৰা কামত ঘূৰি ফুৰিছিল। শেষ বয়সত অৱসৰৰ পাছত তেওঁ শিশুসকলৰ লগৰীয়া হ'ল। সদায় চিএঞৰি চিএঞৰি কয়— 'তহঁতৰ ইমান জুলুম মই সহ্য নকৰিম।' কিন্তু পিছদিনাই সেই ল'ৰা-ছোৱালীবোৰ বিচাৰি ওলাইছিল। তেওঁৰ সভাত কোনো ল'ৰা-ছোৱালী বাদ পৰাৰ উপায় নাছিল। চিএঞৰি চিএঞৰি মাতিছিল— 'টুনু ক'লৈ গ'ল, খোকি অহা নাই নেকি? এই ভজু, ঐ বান্দৰ, ঐ লক্ষ্মীছাড়া।' এইদৰে মাতি মাতি চুবুৰিত হুলস্থূল লগাই দিয়ে। লগে লগে চাৰিওফালে লোভী ল'ৰা-ছোৱালীৰ দল গোট খায়হি। কোনোবাই মাৰ্বল, কোনোবাই গণেশমাৰ্কা ছবি, কোনোবাই লজেন্স মজলিচত হাজিৰা দিয়াৰ ভেটি হিচাপে পাইছিল। কাজলীয়ে যদি অকাৰণে অভিমান কৰে তেনেহ'লে তাইক মুখ মেলিবলৈ কৈ 'ছাঁচিপান' সুমুৱাই দিয়ে। নিজে পাতি লোৱা কেইবাজনী নাতিনীও আছিল— পাগলী, পটলি, জংগলী আদি নিজে দি লোৱা নাম। মাকহঁতৰপৰা সিহঁতে যোগিনদাক খয়েৰ, কাসুন্দি (কাহুদী), মাকহঁতে তৈয়াৰ কৰা নেমুৰ আচাৰ আনি দিয়ে, যিবোৰ বস্তু তেওঁৰ বৰ প্ৰিয় আছিল।

সেই বয়সতো তেওঁ ব্যায়াম, ডন বৈঠক কৰা দেহ বৰ শক্তিশালী আছিল। তেওঁৰ বয়স যে ষাঠি পাৰ হৈ গ'ল কোনেও বুজিব পৰা নাছিল। মুখত মিচিকিয়া হাঁহি, চকুকেইটা উজ্জ্বল, মুখখন পকা আমৰ নিচিনা, কিন্তু সোলা হোৱা নাই। কপালখন বহল, মূৰত টাক নাই, গোঁফকোছা বিখ্যাত আছিল, তাকে লৈ তেওঁৰ গৌৰৱ।

দিন শেষ হ'লেই সন্ধ্যা হোৱাৰ লগে লগে তেলৰ চাকি ঘৰৰ চুকত লগাই দিছিল, সেই সময়তে চুবুৰিৰ মালীয়ে যুতি ফুলৰ মালা বেচি ফুৰিছিল। তেওঁ ল'ৰা-ছোৱালীবোৰৰ ফালে শান্ত-শিষ্ট হৈ চাই আছিল। সেইদিনৰ সন্ধ্যা কিন্তু সঁচাই সন্ধ্যা আছিল, কাৰণ তেতিয়ালৈকে ইলেক্ট্ৰিকৰ উৎপত্তি হোৱা নাছিল। ঘৰৰ চুকে চুকে ছাঁ,



আন্ধাৰ বাঢ়ি আছে। মিটমিট কৰে জ্বলা এটা তেলৰ চাকিৰ পোহৰত গল্প জমি উঠে। গল্প কোৱা আৰম্ভ হ'লে ল'ৰা-ছোৱালীহঁতে শেষ নোহোৱালৈকে এৰি নিদিয়ে। সঁচা-মিছা, যি ইচ্ছা তাকে সাজি সাজি সাধু কৈ যায়। সাধুত ভূগোল ওলট-পালট আৰু ঘটনা অবাস্তৱ, তাকে শুনি ল'ৰা-ছোৱালীবোৰে বৰ মজা পায় কাৰণ গল্পৰ কাহিনী যিয়েই হওক, কোৱাৰ ভাব-ভংগীত সিহঁতে ৰং পায়।

গল্প এইদৰে আৰম্ভ হ'ল— যোগিনদা ৰে'লত গৈ আছিল, হুচিয়াৰপুৰ এৰি ছন্দৌসিৰ গাড়ী ৰাতি ডেৰটা বজাত সৰহৰোৱাৰ ষ্টেচন এৰিলে। ৰাতিপুৱাবলৈ অলপ বাকী থাকোতেই বুলন্দশৰ, আমেৰিসৰ্সাৰ পাৰ হৈ ফিৰোজবাদ পালে, যোগিনদাৰ খুব ভোক লাগিল। ষ্টেচনত নামি এঠোঙা পকৰি আৰু মটৰ ভজা খাই আছিল, তেনে সময়তে আহি ওলাল জোনপুৰৰ ৰজা। লগত লৈ আনিছে পাঁচ-সাতশমান মানুহ আৰু বিশ-পঁচিশটামান হাতী, এটা হাতীৰ ওপৰত গুণাৰ কামকৰা ছাতি। মন্ত্ৰী আহি দাদাৰ মূৰত মুকুট পিন্ধাই দিলে আৰু ক'লে— 'যুৱৰাজ আৰু কিমান দিন মোতিমহল এৰি থাকিবা?' লগে লগে ৰাম শিঙা আৰু ঢাক বাজি উঠিল।

কাহিনীটো এনেধৰণৰ— ৰাজপুত্ৰ তেৰ বছৰ ধৰি ৰাজভৱনত নাই। বিয়া কৰায়েই নাথদোৱাৰাৰ শেগুন বনলৈ চিকাৰ কৰিবলৈ গৈ উলটি অহা নাই। ৰাজপুত্ৰ ক'লৈ গ'ল, ৰজাৰ মানুহে বিচাৰি বিচাৰিও পোৱা নাই; ৰাণীৰ চকু কান্দোতে কান্দোতে বেয়াই হৈ গ'ল।

যুৱৰাজ ওলোৱা বুলি যিমানেই উৰাবাতৰি শুনিছে, তালৈকে ৰজাৰ মানুহ গৈছে— গৈছে পিণ্ডিদাদনখালৈ, লালামুসালৈ, লুধিয়ানা, পঞ্জাৱ, চংগামংগা চাই আহিল, আলমগিৰিৰ চৰাইখানা চাই আহিল। গুলজাৰপুৰলৈ যোৱা নাই, পিছত যাব।

ইতিমধ্যে যোগিনদা এদিন হাৎৰাচ জংচনত চাহ আৰু পাউৰুটী খাই আছিল, তেনেতে এজন জৌনপুৰৰ চোৰাংচোৱাই দেখিলে আৰু যোৰহাতে সুধিলে— 'ৰাজা চাহেব, কাঁহা আপকা ঘৰ?' দাদাই ভাবিলে আচল ঠিকনা নিদিয়াই ভাল। চৰে ভাবিলে ইমানবোৰ ৰাজ-লক্ষণ আছে, নিশ্চয় ৰাজপুত্ৰ। তাৰ পাঁচ-ছমাহৰ পাছত দাদাৰ খবৰ জৌনপুৰ ষ্টেচনলৈ গ'ল। ষ্টেচনত দাদা উদাস মনে বহি আছিল। কেনেকৈ যে কি হ'ল দাদাই ধৰিবই নোৱাৰিলে। চাৰিওফালৰপৰা ঘেৰি ধৰি গোৰ্খা ফৌজে চেলাম দিলে। ষ্টেচনত আফগান, শিখ সৈন্য ভৰি গ'ল। যোগিনদাক ইটাৰ্সিলৈ লৈ গ'ল আৰু সকলোৱে উৰ্দু, ফাৰ্চি ভাষাত জয়ধ্বনি দিবলৈ ধৰিলে। তাৰপৰা মৈনপুৰীলৈ, তাৰ পৰা লছমনঝোলালৈ

সানাই বজাই বজাই ময়ূৰপংখী দোলাত তুলি লৈ গ'ল। দহটা দোলাভাৰীয়ে কান্ধত ল'লে, পঁচিশটা লগত গ'ল। ভাটিগুাত দোলা ৰখাই দাদাই চকুত দূৰবীণ লগাই বিন্ধ্য পৰ্বত চাই ল'লে। তাতে দাদাক কেঁচা আমৰ চৰবত খুৱালে। তাৰপাছতহে জৌনপুৰ পালেগৈ। যৌৱ ৰাজ্যলৈ আহি যোগিনদাই এইখিনিতেই শেষ কৰিব খুজিছিল। কাৰণ 'তহঁতক আৰু কি ক'ম? এইবোৰ কৰোতে মোৰ পকৰি-মটৰ ভজা খোৱাই নহ'ল।' ল'ৰা-ছোৱালীবোৰে চিঞৰি উঠিল— 'নহ'ব— নহ'ব— শেষ কৰিবই লাগিব।'

যোগিনদাই ক'লে— 'ভাগ্যে গল্প শেষ হোৱা নাই। কৈছো ৰ। তিনিটা দিন নাযাওঁতেই মই পেঁপুৱা লাগিলো। ৰাজপুত্ৰ হোৱা কি সহজ কথা? যেই সেই মানুহ কি ৰাজপুত্ৰ হ'ব পাৰে? শকত শকত পৰঠা-ৰুটী, তিনি পোৱা ঘিউ খাব লাগে, মই বাংলাদেশৰ মানুহ, মোৰ সহ্য হয় নেকি? নাগৰা জোতা পিন্ধি ভৰিৰ ছাল এৰাই যায়, পাগুৰিটোও মুটিয়া কুলিৰ বোজা এটা। এইবিলাক কি সহ্য কৰা যায়! তাতে মোৰ হিন্দী শুনিও মানুহবোৰৰ সন্দেহ হ'ল।'

সেইদিনা এখন দূৰ চহৰত ৰামলীলা চলিছিল। সেই সুযোগতে গৌড়বাসী বাঙালী একে দৌৰতে গৌড় পালেহি। আৰু পিছত ঢাকা পালেহি। মাজতে মাত্ৰ চোৰাংচোৱাটোৱে এহেজাৰ টকা পালে। কিন্তু সঁচানে মিছা কোনেও নাজানে, কাণমলা খাই হেনো সেই টকা ওলোটাই দিবলগা হ'ল।

'কিয় তুমি উলটি আহিলা?'— চাৰিওফালে চিঞৰ-বাখৰ লাগিল। যোগিনদাই হাঁহি হাঁহি ক'লে— 'তাৰপিছত মই শুবলৈ গ'লোঁ। আধা ৰাতিলৈকে চহৰবোৰৰ নাম মোৰ মূৰত ঘূৰিবলৈ লাগিল।'

দৈৱক্ৰমে আমি যদি ভাৰতৰ সকলো ঠিকনা পাহৰি যাওঁ, তথাপিও যোগিনদাৰ ভূগোল গুলি সৃষ্টি কৰা গল্পটো সদায় মনত থাকিব। ▸▸।



# ক্যামেলিয়া

তৰুণীগৰাকীৰ নাম যে কমলা, সেইটো জানিছিলোঁ তাইৰ নোটবহীখনৰ ওপৰত লেখা দেখি। তাই ভায়েকক লগত লৈ কলেজৰ ৰাস্তাৰে ট্ৰামত উঠি যোৱাটো মন কৰিছিলোঁ। কাৰণ মই তাইৰ পিছফালৰ বেঞ্চিখনতে বহিছিলোঁ। মুখখন যে নিটোল, তাক কাষৰপৰা লক্ষ্য কৰিলে দেখা যায় আৰু তাইৰ চুলিখিনি খোপা বন্ধা। য'ত নামিম বুলি ভাবিছিলোঁ, তাত নমা নহ'ল। মই সময়ৰ হিচাপ কৰিয়েই ঘৰৰপৰা ওলাওঁ, কিন্তু কামৰ লগত সময় নিমিলে। মিলে সিহঁতৰ ঘৰৰ পৰা ওলোৱাৰ সময়ৰ লগত আৰু সেই কাৰণে প্ৰায়েই দেখা হয়। মনে মনে ভাবো কোনো সম্বন্ধ নাথাকিলেওতো নিৰ্মল বুদ্ধিৰ ছোৱালীজনীৰ বুদ্ধিদীপ্ত চকুযুৰি উজ্জ্বল, দৃষ্টি নিঃসংকোচ। মনে মনে ভাবো কিবা এটা সংকটে দেখা নিদিয়ে কিয়— ৰাস্তাৰ ওপৰত কোনো গুণ্ডাৰ উৎপাত, য'ৰ পৰা মই উদ্ধাৰ কৰি জন্ম সাৰ্থক কৰিব পাৰোঁ। তেনেকুৱা ঘটনাতো আজিকালি ঘটিয়ে থাকে। কিন্তু মোৰ ভাগ্যখন সৰু পানীৰ গাঁত, য'ত ভেকুলীয়ে মাতে, য'ত জলহস্তী, ঘঁৰিয়াল নাথাকে।

এদিন ট্ৰামত ঠেলাঠেলি, ভিৰ আছিল। কমলাৰ কাষত এজন আধা ইংৰাজ ডেকা বহিছিল। ভাবিছিলোঁ তাৰ টুপীটো উৰুৱাই দিওঁ, তাক ডিঙিত ধৰি নমাই দিওঁ ৰাস্তাত। কোনো সুবিধা পোৱা নাই। মোৰ হাতত খজুৱতি উঠিছে। এনে সময়তে সি এটা মোটা চুৰট জ্বলাই টানিবলৈ আৰম্ভ কৰিছিল। কাষলৈ আহি ক'লোঁ— 'চুৰট পেলোৱা।' তাৰ কাণলৈ যেন কথাই নগ'ল, ধোঁৱা উৰুৱাবলৈ লাগিল বেছিকৈহে। মুখৰ পৰা চুৰট টানি আনি ৰাস্তাত পেলাই দিলোঁ। যুৱকজনে হাত মুঠি মাৰি মোৰ ফালে চকু পেন্দোৱাকৈ চালে আৰু একো নোকোৱাকৈ জাঁপ মাৰি নামি গ'ল। বোধহয় মোক চিনি পালে।

মোৰ ফুটবল খেলাত নাম আছে, বেছ সুনামেই। ছোৱালীজনীৰ মুখখন ৰঙা পৰি গ'ল। কিতাপ খুলি পঢ়াৰ ভাও জুৰিলে, হাত কঁপিবলৈ লাগিল। বীৰ পুৰুষৰ

প্ৰতি কটাক্ষও নকৰিলে। অফিচৰ বাবুবোৰেহে ক'লে— 'ভালেই কৰিলে মহাশয়।' অলপ পিছতে ছোৱালীজনী সদায় নমা ঠাইত নানামি বেলেগ ঠাইত নামি টেক্সিত উঠি গুচি গ'ল।

পিছদিনা তাইক নেদেখিলোঁ, তাৰপিছৰ দিনাও নেদেখিলোঁ, তৃতীয় দিনা দেখিলো এখন ঠেলাগাড়ীত (কলকাতাত মানুহে টনা ৰিক্সা) তাই কলেজলৈ গৈছে। বুজিলোঁ মই গোঁৱাৰৰ নিচিনা ভুল কৰিলোঁ। তাই নিজৰ দায়িত্ব নিজেই ল'ব পাৰে। মোৰ কোনো দৰকাৰ নাছিল। মনে মনে ভাবিলোঁ ভাগ্যতো মোৰ পানীৰ গাঁত। বীৰত্বৰ স্মৃতি মনৰ মাজত ঠাট্টা যেনেই লাগিল। শুধৰাব লাগিব ঠাট্টা।

খবৰ পালোঁ গৰমৰ বন্ধত সিহঁত প্ৰত্যেক বছৰ দাৰ্জিলিঙলৈ যায়। মোৰো এইবাৰ স্বাস্থ্যৰ বাবে দাৰ্জিলিঙলৈ যোৱাটো জৰুৰী হৈ পৰিল। সিহঁতৰ দাৰ্জিলিঙত থকা সৰু ঘৰটোৰ নাম 'মতিয়া', ৰাস্তাৰপৰা নামি এটা চুকত, গছৰ আড়াত। সমুখত বৰফৰ পাহাৰ। শুনিলোঁ, এইবাৰ হেনো সিহঁত নাহে। উলটি যাম বুলি ঠিক কৰিছিলোঁ, এনে সময়তে মোহনলাল নামৰ মোৰ এক ভক্তৰ লগত দেখা হ'ল, মানুহজন ক্ষীণ, ওখ আৰু চকুত চছমা। তেওঁ ক'লে— 'তনুকা মোৰ ভন্টি, একোতেই নেৰে, তাই হেনো তোমাৰ লগত দেখা কৰিব।' ছোৱালীজনীও ক্ষীণ, পঢ়া-শুনাত যিমান মন, খোৱা-বোৱাত সিমান মন নাই। সেই কাৰণেই ফুটবলৰ চৰ্দাৰৰ প্ৰতি ইমান ভক্তি। তাই মনত পেলাই দিলে তাই যে কথা পাতিবলৈ আহিছে, সেইটো তাইৰ দুৰ্লভ দয়া। হায়! মোৰ ভাগ্য!

যিদিনা মই দাৰ্জিলিঙৰপৰা ঘূৰি আহিম, তাৰ দুদিন আগতে তনুকাই ক'লে— 'আপোনাক এটা বস্তু দিম, যিটো বস্তুৱে আমাৰ কথা আপোনাক মনত পেলাই থাকিব, এজোপা ফুলৰ গছ।' ই কি উৎপাত! মই মনে মনে থাকিলোঁ। তনুকাই ক'লে— 'দামী দুৰ্লভ গছ, ইয়াৰ মাটিত বহুত যত্ন কৰিলেহে বাচে।' তাইক সুধিলোঁ— 'নামটো কি?' তাই ক'লে— 'ক্যামেলিয়া।' মই শুনি চমকি উঠিলোঁ আৰু এটা নাম মনত পৰিল মনৰ অন্ধকাৰত। মই হাঁহি হাঁহি সুধিলোঁ— 'ক্যামেলিয়া, সহজে বোধহয় তাৰ মন পোৱা নাযায়?' তনুকাই কি বুজিলে নাজানো কিন্তু লাজ পোৱা যেন লাগিল, বোধহয় আনন্দিতও হ'ল। মই টাবে সৈতে গুচি আহিলোঁ এটা দুটা কোঠালিৰ গাড়ীত, পাশ্চৰ্বৰ্তীনীও সহযাত্ৰীনী হ'ল।

এইবাৰ পূজাৰ ছুটীত চাওতাল পৰগনালৈ গ'লোঁ। তাতেই প্ৰহসনৰ যৱনিকা পৰিল। ঠাইখন বায়ু পৰিৱৰ্তনৰ বাবে ভাল। কমলাৰ মামা ইয়াত ৰে'লৰ ইঞ্জিনিয়াৰ।



সিহঁতো আহিছে এই শাল বনৰ ছায়া আৰু কেৰ্কেটুৱাৰ চুবুৰিলৈ। নীলা পাহাৰ দেখা যায় দূৰত, অদূৰত বালিৰ মাজেদি সৰু জলধাৰা বৈ গৈছে। উলংগ চাওতাল ল'ৰা-ছোৱালীবোৰ পিঠিত উঠে, ভাড়াঘৰ পাবলৈ নাই। নদীৰ পাৰতে তম্বু তৰি থাকিবলৈ ল'লো। মোৰ সংগী কোনো নাছিল। মাত্ৰ টাবৰ সৈতে 'ক্যামেলিয়া'।

কমলা আহিছে মাকক লৈ। শাল বনৰ মাজে মাজে হাতত ছাতি লৈ ফুৰিবলৈ যায়— তলসৰা ফুলবোৰ গচকি গচকি। অলপ পানীৰ নৈখন খোজকাঢ়ি পাৰ হৈ সিপাৰে শিশু গছৰ তলত বহি কিতাপ পঢ়ে। মোক যে তাই চিনি পাইছে সেইটো মই বুজিলোঁ তাই মোক লক্ষ্য নকৰা বাবেই।

এদিন দেখিলোঁ নদীৰ পাৰত বালিৰ ওপৰত সিহঁতৰ 'পিকনিক'। মোৰ মন গৈছিল ক'বলৈ— 'মোক কি একোতেই দৰকাৰ নাই? মই নদীৰ পৰা পানী তুলি আনিব পাৰোঁ, জংঘলৰপৰা কাঠ আনিব পাৰে। জংঘলৰপৰা ভালুকোতো ওলাব পাৰে!' কিন্তু নক'লোঁ।

দেখিলোঁ দলৰ মাজত এজন যুৱক। গাত বিলাতী চোলা। কমলাৰ কাষত ভৰি মেলি বহি হাভানা চুৰট খাইছে। আৰু কমলাই অন্যমনস্ক হৈ বগা জবাৰ পাহি টুকুৰা-টুকুৰ কৰি আছে। ওচৰত পৰি আছে এখন মাহেকীয়া আলোচনী। তেতিয়াই বুজিলোঁ মই এই চাওতাল পৰগনাৰ নিৰ্জন চুকত অসহ্য, অতিৰিক্ত, ক'তো মোৰ ঠাই নাই।

সেই মুহূৰ্ততে গুচি যাবৰ মন গৈছিল, কিন্তু এটা কাম বাকী আছিল। আৰু কেইদিনমান পিছতেই ক্যামেলিয়া ফুলিব, ফুলিলেই পঠিয়াই দিম, তাৰ পাছতহে মোৰ ছুটী।

গোটেই দিন কান্ধত বন্দুক লৈ চিকাৰ কৰিবলৈ ওলাই যাওঁ। সন্ধ্যাৰ আগতে ঘূৰি আহি টাবত পানী দিওঁ আৰু চাওঁ, ফুলকলি কিমান ডাঙৰ হৈছে। সেইদিনা ফুল ফুলিবৰ হৈছে। যিজনী চাওতালী ছোৱালীয়ে মোৰ ৰন্ধা-বঢ়া কৰা জুই জ্বলোৱা কাঠ আনে তাইক গধূলি মাতিছোঁ, তাইৰ হাততে শালপাতৰ পাত্ৰত ফুল পঠাম। দুপৰীয়া বহি বহি ডিটেক্টিভ কিতাপ পঢ়িলোঁ। বাহিৰৰপৰা মিঠা সুৰৰ মাত এটা ভাহি আহিল— 'বাবু, ডেকেছিস কেনে?' বাহিৰলৈ ওলাই আহি দেখিলো চাওতালী ছোৱালীৰ কাণত ক্যামালিয়া, তাইৰ ক'লা গাল দুখন উজ্জ্বল কৰি তুলিছে। তাই আকৌ সুধিলে— 'ডেকেছিস কেনে?'

মই ক'লোঁ— 'এই কাৰণেই।'

তাৰ পিছদিনাই মই কলকাতালৈ উলটি আহিলোঁ। ⋙

# ৰঘু ডকাইতৰ কাহিনী

## (পিলসুজেৰ উপৰ পিতলেৰ প্ৰদীপ)

গছাৰ ওপৰত পিতলৰ প্ৰদীপ, খৰিকাৰে মাজে মাজে শলিতা দি বঢ়াই দিছে। হাতীৰ দাঁতৰ নিচিনা বগা মজিয়াত কেইখনমান কঠ পৰা। সৰু সৰু ল'ৰাবোৰ সেই মিটমিটীয়া পোহৰত একেলগে বহিছিল। বুঢ়া মোহন চৰ্দাৰৰ বাবৰি কৰা চুলিত কলপ লগোৱা, কিচকিচীয়া ক'লা ৰং, চকুকেইটা টেলেকা, বাহিৰলৈ ওলাই অহাৰ নিচিনা। গাৰ মাংস শিথিল হৈছে, হাত-ভৰিৰ হাড়বোৰ দীঘল, কণ্ঠস্বৰ ডাঙৰ আৰু ভঙা ভঙা— ল'ৰা-ছোৱালীৰ মাজত বহি ৰোমাঞ্চ লগাব পৰা তাৰ পূৰ্ব ইতিহাস কৈ গৈছে অৰ্থাৎ ৰঘু ডকাইতৰ কথা কৈছে। ল'ৰা-ছোৱালীবোৰ গল্প শুনি বহি আছে— দক্ষিণৰ বতাহলগা ঝাওডালৰ দৰে গল্প শুনি মনবোৰ দুলি উঠিছে।

খোলা খিৰিকীৰে গলি দেখা যায়, তাতে এটা হালধীয়া গেছৰ লাইট এচকুৱা ভূ তৰ নিচিনা থিয় হৈ আছে। পথৰ বাঁওফালে ছাঁ পৰিছে। কাষৰ ঘৰৰপৰা কুকুৰে ভুকিছে। জমিদাৰৰ দেউড়িত নটাৰ ঘণ্টা মাৰিছে আৰু ল'ৰা-ছোৱালীবোৰে অবাক হৈ ৰঘু ডকাইতৰ কাহিনী শুনিছে।

তত্ত্ব ৰত্নৰ ল'ৰাৰ উপনয়ন। ৰঘুৱে তাৰ লিগিৰাৰ আগত কৈ পঠালে— 'নমো নমোকৈ পাতিলে নহ'ব, দেউ। খৰচৰ কথা নাভাবিব।' ব্ৰাহ্মণৰ কাৰণে পাঁচ হেজাৰ টকা দাবী কৰি মণ্ডলৰ ওচৰলৈ চিঠি পঠালে। জমিদাৰৰ খাজনাৰ দায়ত বিধৱাৰ ঘৰ বিক্ৰী যোৱাৰ অৱস্থা। হঠাৎ দেৱানজীৰ ঘৰত ডকাইতি কৰি বিধৱাৰ দেনা শোধ কৰি দিলে। ৰঘুৱে কয়— 'বহুত দুখীয়াক ফাঁকি দিছ, কিছু পাতল হওক তোৰ বোজা।'

এদিন মাজৰাতি ৰঘুৱে লুটৰ মাল লৈ নাও লৈ নদী পাৰ হৈ বৰ গছৰ অন্ধকাৰত পাৰত উঠিছিল। চুবুৰিৰ বিয়া ঘৰত কান্দোনৰ ৰোল উঠা শুনিলে। দৰাই যৌতুকৰ টকা লৈ তৰ্কাতৰ্কি কৰি উঠি আহিব খুজিছে। কইনাৰ বাপেকে দৰাৰ বাপেকৰ ভৰি



সাবটি ধৰিছে— এনে সময়ত পথৰ দাঁতিৰ বাঁহ বনৰ ভিতৰৰ পৰা চিঞৰ শুনা গ'ল— 'ৰে-ৰে-ৰে-ৰে-ৰে-ৰে।' আকাশৰ তৰাবোৰো যেন থৰথৰকৈ কঁপি উঠিল। সকলোৱে চিনি পায় ৰঘু ডকাইতৰ বুকুফটা চিঞৰ। দৰাৰ সৈতে দোলা ৰাস্তাৰ মাজত পৰি গ'ল। দোলাভাৰীবোৰ ক'লৈ পলাব দোধোৰ-মোধোৰ হ'ল। কইনাৰ মাক দৌৰি ওলাই আহি অন্ধকাৰৰ মাজতে কান্দি উঠিল— 'আমাক বচোৱা বাবা, মোৰ ছোৱালীজনীৰ জাত নামাৰিবা।' ৰঘুৱে যমদূতৰ নিচিনাকৈ দোলাৰ পৰা দৰাক টানি আনি প্ৰচণ্ড এক চৰ শোধালে। মূৰ ঘূৰাই দৰা পৰি গ'ল।

চোতালত আকৌ শংখ বাজি উঠিল, উৰুলিৰ ধ্বনি উঠিল। দলবল লৈ ৰঘু বিয়া বাহৰত থিয় হ'লহি। শিৱৰ বিয়াত যেন ভূত-প্ৰেতৰ দল। সকলোৰে উলংগপ্ৰায় দেহ, গোটেই গাতে তেল সনা, মুখত তুঁহগুড়িৰ ছাই। বিয়া শেষ হ'ল তিনি প্ৰহৰ ৰাতি। যোৱাৰ সময়ত কইনাক ডকাইতে কৈ গ'ল— 'তুমি মোৰ মা, কেতিয়াবা দুখ পালে ৰঘুক মনত পেলাই মাতিবা।'

সেই যুগ পাৰ হ'ল। বিজুলীৰ প্ৰখৰ পোহৰত আজিকালি ল'ৰাহঁতে বাতৰিকাকতত ডকাইতিৰ খবৰ পঢ়ে। তেলৰ চাকি নুমাই যোৱাৰ লগে লগে সাধুকথা শুনা সন্ধ্যাবোৰৰ স্মৃতিও সংসাৰৰপৰা নাইকিয়া হ'ল।▸▸

# জোতা আৱিষ্কাৰ

হবুচন্দ্ৰ ৰজাই গবুচন্দ্ৰ মন্ত্ৰীক এদিন ক'লে যে— 'মই যোৱাকালি গোটেই ৰাতি এটা কথা ভাবিছোঁ— পৃথিৱীত ভৰি দিওঁতেই কিয় বাৰু ধূলি লাগে? তোমালোকে দৰমহাহে লোৱা, ৰজাৰ অসুবিধাৰ কথা অকণো চিন্তা নকৰা। মোৰ মাটিলগা ভৰিৰে কি কাম কৰিম! ৰাজ্যত মোৰ এই দুৰ্দশা কিয়? ইয়াৰ কিবা এটা প্ৰতিকাৰ কৰিব নোৱাৰিলে কাৰো ৰক্ষা নহ'ব।'

এই কথা শুনি গবুচন্দ্ৰ মন্ত্ৰীৰ ভয়ত গাৰ ঘাম বৈ যাবলৈ ধৰিলে। ৰাজ্যৰ পণ্ডিতবোৰৰ মুখত চূণ পৰা জোকাৰ দৰে লাজৰ সীমা নাইকিয়া হ'ল। চকুৰ পানীৰে পকা দাড়ি তিতাই ৰজাক ক'লে— 'যদি ভৰিত ধূলাই নালাগে, তেনেহ'লে আপুনি পদধূলি দিব কিদৰে?'

কথাটো শুনি ৰজাই ভাবিলে কথাটো সত্য, কিন্তু আগতে ধূলি আঁতৰাব লাগে, তাৰ পাছত পদধূলিৰ কথা চিন্তা কৰা যাব। ৰজাই ক'লে— 'ধূলিৰ অভাৱত পদধূলি নাপালে তোমালোকে মিছায়ে দৰমহা খোৱা। কিয়নো দৰমহা দি মই ইমানবোৰ বৈজ্ঞানিক ভৃত্য ৰাখিছোঁ কিয়? আগৰ কামটো আগতে কৰা, পিছুৰ কথা পিছত চিন্তা কৰিবা।'

মন্ত্ৰীয়ে ৰজাৰ কথা শুনি চাৰিওফালে অন্ধকাৰ দেখিলে। তথাপিও ৰাজ্যত যিমানবোৰ গুণী-জ্ঞানী মানুহ আছিল সকলোকে মাতি আনিলে। বিদেশত যিমান যন্ত্ৰ সজা মানুহ আছিল তেওঁলোককো নিমন্ত্ৰণ কৰিলে। সকলোৱে চকুত চছমা পিন্ধি গৱেষণা আৰম্ভ কৰিলে। গৱেষণা কৰোঁতে ঊনৈশ বটল নস্যি (নাকত লোৱা নিচাজাতীয় বস্তু) শেষ হ'ল। বহুত ভাবি-চিন্তি গৱেষণাকাৰীসকলে ক'লে— 'ৰাজ্যত মাটি নহ'লে শস্য ক'ত হ'ব?' ৰজাই ক'লে— 'সেয়ে যদি হয়, তেনেহ'লে ইমানবোৰ পণ্ডিত আছে কিয়?'



সকলোৱে মিলি যুক্তি কৰি শেষত চাৰে সোতৰ লাখ বাঢ়নি কিনিলে। বাঢ়নিৰে ধূলি সৰাৰ কোবত ৰজাৰ মুখ-বুকু সকলোতে ধূলি আহি পৰিল। ধূলিৰ কোবত কোনেও চকু মেলিব নোৱৰা হ'ল, সূৰ্য ধূলিয়ে ঢাকি ধৰিলে। ধূলিৰ বাবে মানুহ কাহি কাহি মৰিব ধৰিলে। ধূলিৰ মাজত নগৰখন দেখা নোপোৱা হ'ল। ৰজাই ক'লে— 'ধূলি দূৰ কৰিবলৈ গৈ গোটেই জগত ধূলিৰে ভৰপূৰহে কৰা হ'ল।'

এইবাৰ পানীৰ পাত্ৰ লৈ একৈশ লাখ পানীভাৰী মতা হ'ল। পুখুৰী, বিলত তলৰ বোকাবোৰহে ৰ'ল, মাটিত পানী ঢলা হ'ল। নদীৰ পানীৰতো অভাৱ নাই। পানী অবিহনে পানীৰ জীৱবোৰ মৰিবলৈ ধৰিলে। পাৰৰ মানুহবোৰে পানীত সাঁতুৰিবলৈ চেষ্টা কৰিবলৈ ধৰিলে। বোকাৰ বাবে ৰাজ্যৰ বেচা-কিনা কাম-কাজ বন্ধ হ'ল। পানীলগা, জ্বৰ, কাহত মানুহ মৰি শেষ হ'ল। ৰজাই ক'লে— 'এইবোৰ সকলো গাধা, ধূলি মাৰিবলৈ গৈ দেশখন বোকাৰে ভৰাই পেলালে।'

আকৌ বিশেষজ্ঞসকলৰ সভা মতা হ'ল। সকলো গুণী-জ্ঞানী মানুহ একেলগে বহিল। কিন্তু তেওঁলোকে চকুৰে সৰিয়হ ফুল দেখিলে, মূৰ ঘূৰাই গ'ল। ধূলিৰ অন্ত নহয়, কি কৰা যায়? সিদ্ধান্ত লোৱা হ'ল কঠ পাৰি ৰাজ্য ঢাকি পেলোৱা হওক। কোনো কোনোৱে ক'লে ৰজাক ছিদ্ৰ নথকা ঘৰ এটাত বন্ধ কৰি ৰখা হওক, তেওঁ যাতে ধূলিত ভৰি দিব লগা নহয়। তেনেহ'লে তেওঁৰ ভৰিত ধূলি নালাগিব।

ৰজাই ক'লে— 'এইটো খাটি কথাই কৈছে। কিন্তু মোৰ সন্দেহ হৈছে দিনে-ৰাতিয়ে মই বন্ধ হৈ থাকিলে মোৰ কাম-বন নাইকিয়া হ'ব। মাটিৰ লগতে ময়ো মাটি হৈ যাম।'

এইবাৰ বিশেষজ্ঞসকলে মত প্ৰকাশ কৰিলে যে চমাৰক মাতি গোটেই পৃথিৱী চামৰাৰে ঢাকি পেলোৱা যাওক। তেনেকুৱা ভাল চমাৰ পোৱা গ'লে ৰজাৰ কীৰ্তি বৈ বৈ যাব।

এইবাৰ ৰাজ্যৰ চোৰাংচোৱাবোৰে সকলো কাম এৰি চমাৰ বিচাৰি ৰাজ্যৰ বিভিন্ন ঠাইলৈ গ'ল। যোগ্যতাসম্পন্ন চমাৰো পোৱা নাযায়, যদি চমাৰ পোৱা যায় তেনেহ'লে চামৰা পোৱা নাযায়। এক বৃদ্ধ চমাৰ, যিজন চমাৰবিলাকৰ মুৰব্বী তেওঁ ক'লে যে— 'মোক অনুমতি দিলে মই পৰামৰ্শ এটা দিব পাৰোঁ। ৰজাই নিজৰ ভৰি দুখন চামৰাৰে ঢাকি ৰাখিলেই ৰজাৰ ভৰিত ধূলি নালাগিব।' ৰজাই ক'লে— 'এই কাম কৰিলে সমস্যা সমাধান হ'ব জানো?' দেশৰ মানুহেও কথাটো ভাবিলে। মন্ত্ৰীয়ে

ক'লে— 'চমাৰ কুলপতিক হয় কাৰাগাৰত বন্ধ কৰক নহ'লে শূলত দিয়ক।' এইবাৰ বৃদ্ধই ৰজাৰ ভৰিৰ কাষত বহি লৈ ৰজাৰ ভৰি দুখন চামৰাৰ আৱৰণেৰে ঢাকি পেলালে। মন্ত্ৰীয়ে ক'লে— 'কথাটো ময়ো ভাবিছিলোঁ, কিন্তু ই বুঢ়াই মোৰ মনৰ কথা কেনেকৈ জানিলে!'

সেইদিনাৰপৰা সকলোৱে জোতা পিন্ধিবলৈ ধৰিলে। গবু মন্ত্ৰীয়েও ৰক্ষা পালে আৰু পৃথিৱীখনো পৰীক্ষা-নিৰীক্ষাৰপৰা সাৰিল।▶▶



# বাঁহী

কিনু গোৱালাৰ গলিৰ ৰাস্তাৰ কাষৰ এটা দুইতলা ঘৰৰ লোহাৰ ৰডেৰে ঘেৰা একতলাত মোৰ বাস। ভেঁকুৰে ধৰা বেৰৰ বালি খহি পৰিছে, তাৰ মাজে মাজে আকৌ সেমেকি যোৱা দাগ। দুৱাৰৰ ওপৰত মাৰ্কিন থান কাপোৰত মাৰ্কা মৰা এখন সিদ্ধিদাতা গণেশৰ ছবি আঠা লগোৱা। একে ভাড়াতে মোৰ লগত আৰু এটা জীৱ থাকে— এটা জেঠি। মোৰ লগত তাৰ পাৰ্থক্য এইটোৱেই যে মোৰ দৰে তাৰ খাদ্যৰ অভাৱ নাই।

মই সদাগৰী অফিচৰ সৰু কেৰাণী, দৰমহা মাহে পঁচিছ টকা। দত্তহঁতৰ ঘৰত ল'ৰা পঢ়াই দুইবেলা খাবলৈ পাওঁ। সদায় সন্ধ্যা শিয়ালদহ ষ্টেচনলৈ গৈ কটাই আহোঁ। চাকি-বন্তি জ্বলোৱাৰ খৰচটো ৰাহি হয়। ইঞ্জিনৰ ধচ্ ধচ্ শব্দ, হুইচেলৰ আওয়াজ, যাত্ৰীৰ ব্যস্ততা, কুলিৰ চিঞৰ-বাখৰ এইবোৰ চায়েই কাটি যায়। চাওঁতে চাওঁতে চাৰে দহ বাজি যায়। তাৰ পাছত ঘৰলৈ আহি অন্ধকাৰ নিৰলাত টোপনি যাওঁ।

ধলেশ্বৰী নদীৰ পাৰত পেহীহঁতৰ গাঁও। পেহীৰ দেওৰেকৰ ছোৱালীৰ লগত এই দুৰ্ভগীয়াৰ বিয়া ঠিক হৈছিল, লগ্নটো শুভ; তাৰ প্ৰমাণ পোৱা গ'ল সেই লগ্নতে মই পলাই গুচি আহিলোঁ। ছোৱালীজনীয়েতো ৰক্ষা পালে, মোৰ নিচিনা কম উপাৰ্জনৰ ল'ৰা এজনৰ লগত বিয়া হোৱাৰ পৰা। ঘৰলৈ যদিও নাহিল, মনলৈ কিন্তু সদায় অহা-যোৱা কৰে। তেওঁৰ পিন্ধনত 'ঢাকাই শাড়ি' (ঢাকাত হাতে বোৱা শাড়ী) কপালত সেন্দূৰৰ ফোঁট।

ঘন ঘোৰ বৰ্ষা আহিল, ট্ৰামৰ খৰচ বাঢ়িল। মাজে মজে অনুপস্থিতিৰ বাবে দৰমহাও কটা যায়। গলিৰ ৰাস্তাৰ কাষত জমি উঠা আমৰ বাকলি, কঁঠালৰ বাকলি জমি জমি পচি যায়। মাছৰ বাকলি গেলা পেটু, মৰা মেকুৰী পোৱালি আৰু যে ক'ত কি গেলা বস্তুৰ গোন্ধ! মোৰ ছাতিটোৰ অৱস্থাও জৰিমনা দিয়া দৰ্মহাৰ দৰে, বহুতো ফুটা তাৰ। মোৰ অফিচৰ সাজ-পোছাক— গোপীকান্ত গোসাঁইৰ মনটো যেনেকৈ সদায় ৰসসিক্ত হৈ থাকে তেনেকুৱা। কিনকিনিয়া বৰষুণৰ দিনত ঘৰটোত সোমাই

কলেৰাত পৰা জন্তুৰ দৰে মূৰ্ছাত অসাৰ হৈ পৰোঁ। মনত হয় যেন এটা আধামৰা জন্তুহে এই জগতৰ লগত বান্ধ খাই আছোঁ।

গলিৰ চুকত থাকে কান্ত বাবু; তেওঁৰ ভাজ কৰা দীঘল চুলি, ডাঙৰ ডাঙৰ চকু, চৌখিন মেজাজ। তেওঁৰ কৰ্নেট বজোৱাৰ চখ আছে। এই গলিৰ দুৰ্গন্ধযুক্ত বতাহত মাজে মাজে সুৰ ভাহি আহে। কেতিয়াবা গভীৰ ৰাতি নাইবা পুৱা বেলা আধা অন্ধকাৰত। কেতিয়াবা অপৰাহ্নৰ জিক্‌মিক্ আলো আধাৰিত, নাইবা হঠাৎ সন্ধ্যা। সিন্ধু বাৰোৱা ৰাগত সমস্ত আকাশ যেন অনাদি কালৰ বিৰহ বেদনাত মুখৰ হৈ পৰে দুৰ্বিষহ মাতালৰ প্ৰলাপৰ দৰে। বাঁহীৰ কৰুণ সুৰ শুনি হঠাৎ মোৰ মনলৈ ভাব আহে আকবৰ বাদশাহ আৰু হৰিপদ কেৰাণীৰ কোনো পাৰ্থক্য নাই। বাঁহীৰ কৰুণ সুৰত ফটা ছাতি ৰাজছত্ৰ হয় আৰু সেই ছাতি মেলি হৰিপদ কেৰাণী বৈকুণ্ঠলৈ যাত্ৰা কৰে।

এই সুৰ য'ত সত্য, তাত অনন্ত গধূলি লগ্নত ধলেশ্বৰী নদী বৈ গৈছে, পাৰত তমাল গছৰ ছাঁয়া চোতালত এগৰাকীয়ে যেন অপেক্ষা কৰি আছে— যাৰ পিন্ধনত 'ঢাকাই শাড়ী', কপালত সেন্দূৰৰ ফোঁট। ৮৮

২000 চনৰ আগষ্ট মাহত নগাঁও ছোৱালী কলেজৰ ৰাজনীতি বিজ্ঞান বিভাগৰ প্ৰবক্তা হিচাপে অৱসৰ গ্ৰহণ কৰা হিমাদ্ৰি দেৱীয়ে কলেজীয়া জীৱনৰেপৰা সাহিত্য চৰ্চা কৰিছিল। অৱশ্যে প্ৰথম অৱস্থাত কবিতাৰ মাধ্যমেৰে সাহিত্য চৰ্চা কৰিছিল। কলেজৰ প্ৰতিযোগিতাসমূহত কবিতাত চাৰিবছৰেই প্ৰথম পুৰস্কাৰ পাইছিল। পিছলৈ সাহিত্য চৰ্চাৰ পথাৰখন গল্প-প্ৰবন্ধলৈ সম্প্ৰসাৰণ কৰিলে। নগাঁও ছোৱালী কলেজৰ আলোচনী, নগাঁও শাখা লেখিকা সমাৰোহ সমিতিৰ মুখপত্ৰ 'শতৰূপা', নগাঁৱৰপৰা প্ৰকাশ হোৱা 'গণতন্ত্ৰ', গুৱাহাটীৰ পৰা প্ৰকাশ হোৱা 'প্ৰিয় সখী', 'অসমবাণী', 'জনসাধাৰণ', ইত্যাদি আদিত মাজে মাজে তেখেতৰ গল্প আৰু প্ৰবন্ধ প্ৰকাশ হৈছিল।

'বিপন্ন গধূলি' গল্প সংকলনখন তেখেতৰ তৃতীয় প্ৰচেষ্টা। এইবাৰ এই চতুৰ্থ প্ৰকাশত তেখেতে ৰবীন্দ্ৰ নাথৰ 'সঞ্চয়িতা'ত প্ৰকাশিত কেইটিমান কাহিনী-কাব্যৰ গল্প ৰূপ দিছে। ইয়াৰ দুটা কাহিনী বৌদ্ধ জাতকৰ, এটা ছান্দোগ্য উপনিষদৰ, দুটা মহাভাৰতৰ, দুটা ৰাজস্থানৰ ইতিহাসৰ কাহিনী আছে। বাকীবোৰত ঊনৈশ আৰু কুৰি শতিকাৰ প্ৰথমাৰ্ধৰ বাংলা সমাজ-জীৱনৰ ছবি ফুটি উঠিছে।

হিমাদ্ৰি দেৱী

মুদ্ৰণ - অজন্তা প্ৰেছ, হৈবৰগাঁও, নগাঁও ঃ ফোন- ৯৪৩৫০-৬১৭৪৫